উক্তি...
“গুণেই হৈছে এজন ব্যক্তিৰ আভিজাত্য”
— প্ৰবোধ

সত্যৰ অন্বেষণত

সাপ্তাহিক

# জনকল্যাণ বাৰ্তা

janakalyanbarta2023@gmail.com,bartajanakalyan2023@gmail.com ■ RNI ASSASS / 2023 / 87730

প্ৰথম বছৰ, সংখ্যা-৩৫ , গুৱাহাটী, ১৮ জেঠ, ১৯৪৮ শক, ০২ জুন, মঙলবাৰ ২০২৬, পৃষ্ঠা ১৬ মূল্য ১০.০০ টকা

VOL- 01, ISSUE- 35 ■ JANAKALYAN BARTA ■ Guwahati ■ 2 June, 2026 Total Page-16 Rs-10.00 Only



সম্পাদকীয়



## অসমত ইউচিচি বলৱৎ

ইউচিচি বলৱতৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা স্থিতিয়ে স্বাভাৱিকতে ৰাজ্যৰ ৰাজনীতিত সৃষ্টি কৰিছে ব্যাপক চৰ্চা। বহুতৰ মনত এতিয়া এটাই প্ৰশ্ন হৈছে সঘনাই মিঞাৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰা ড° হিমন্ত বিশ্ব শৰ্মাই হিন্দুৰ পাছত এইবাৰ মুছলমানৰ মন জয় কৰিবলৈ গৈছে নেকি ! বহুতৰ মনলৈ সন্দেহ আহিছে ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হ’ব নেকি ? এনে ধৰণৰ চৰ্চাৰ মাজতে মুখ্যমন্ত্ৰী শৰ্মাই যোৱা ২৬ মে’ত ঘোষণা কৰিছে যে সংখ্যালঘু মহিলাক সুৰক্ষা দিবলৈ অসমত সম নাগৰিক সংহিতা বলৱৎ কৰা হ’ব। ইউচিচিৰ প্ৰসংগতে ড° শৰ্মাই কয় যে সদ্য সমাপ্ত নিৰ্বাচনত বিজেপিয়ে এইবাৰ ১৫ লাখ ভোট বেছিকৈ পাইছে। আনকি এশ শতাংশ মুছলমান থকা সমষ্টিত এক লাখ ভোট পাবলৈ সক্ষম হৈছে মিত্ৰজোঁটে। সদনত মুখ্যমন্ত্ৰীয়ে কয় যে সংখ্যালঘু সমাজৰ মহিলাসকলক এক নতুন জীৱন দিবলৈ ইউচিচি অনা হৈছে। এই ইউচিচিৰ জৰিয়তে সংখ্যালঘু মহিলাসকলক জীয়াই থকাৰ অধিকাৰ দিব, সম্পত্তিৰ অধিকাৰ দিব, বাল্য বিবাহ ৰোধ হ’ব আৰু বহু বিবাহ বন্ধ হ’ব। আমাৰ দৃষ্টিত ইউচিচিৰ জৰিয়তে প্ৰথমবাৰৰ বাবে অসমৰ সংখ্যালঘু মহিলাই পূৰ্ণ স্বাধীনতা লাভ কৰিলে। এতিয়া কথাটো হ’ল গোটেই ভাৰতবৰ্ষত উগ্ৰ হিন্দুত্ববাদী বুলি চৰ্চাত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰৱৰ্তী নিৰ্বাচনী যুঁজত ‘হিন্দুত্ব’ৰ উপৰিও ‘ইউচিচি’ কাৰ্ড ব্যৱহাৰৰ জৰিয়তে ‘মিঞা’ক সম্পূৰ্ণৰূপে নিশকতীয়া কৰিব নেকি !








# লাভ জেহাদ ঃ নলবাৰীৰ লগতে ভাৰতকো জোকাৰিছে

**জনকল্যাণ বাৰ্তাৰ সেৱা, নলবাৰী ঃ** মানৱতাক চৰম ভ্ৰূকুটি দেখুৱাই নলবাৰীৰ গংগাপুৰত সংঘটিত এটা লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাই সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ উপৰি নলবাৰী জিলাত ঘটনাটোক লৈ বিৰাজ কৰিছে চেপা উত্তেজনা। ফুট গধূলিতে জনপথ তেজেৰে ৰাঙলী কৰি দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰে কৰা আক্ৰমণত এগৰাকী আছু কৰ্মীৰ অকাল বিয়োগ ঘটাৰ উপৰি তেওঁৰ সম্পৰ্কীয় ভনীয়েকে সংকটজনক অৱস্থাত মৃত্যুৰ সৈতে যুঁজিবলগীয়া হোৱাৰ ঘটনাই জোঁকাৰি গৈছে সমগ্ৰ ৰাজ্য। জানিব পৰা মতে নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ গংগাপুৰত দেওবাৰে সন্ধিয়া সংঘটিত এক নৃশংস আক্ৰমণৰ ঘটনাত ■ ১৫ পৃষ্ঠাত

## মধ্য প্ৰদেশত ইউচিচি কাৰ্যকৰী কৰা প্ৰক্ৰিয়া আৰম্ভ

### উত্তৰাখণ্ড, গুজৰাট আৰু অসমৰ পিছত কাৰ্যকৰী কৰিবৰ বাবে উচ্চ পৰ্যায়ৰ কমিটী গঠন

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** উত্তৰাখণ্ড, গুজৰাট, অসমৰ পিছত মধ্যপ্ৰদেশ চৰকাৰে আনুষ্ঠানিকভাৱে ৰাজ্যত ইউনিফৰ্ম চিভিল কোড (ইউচিচি) ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে, সোমবাৰে এই ঘোষণা মুখ্যমন্ত্ৰী ড° মোহন যাদৱে। ইয়াৰ কাৰ্যকৰীকৰণৰ কাঠামো পৰীক্ষা কৰি জনসাধাৰণৰ মতামত সংগ্ৰহৰ বাবে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশৰ নেতৃত্বত গঠন কৰা হৈছে এখন উচ্চ পৰ্যায়ৰ সমিতি। সংবাদ মাধ্যমৰ আগত ভাষণ দি ড° যাদৱে কয় যে এক ইউনিফৰ্ম চিভিল কোডৰ দিশত আগবাঢ়ি যোৱাৰ সময় আহি পৰিছে আৰু বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ বিবাহিত মহিলাক নিয়ন্ত্ৰণ কৰা বিভিন্ন ৰীতি-নীতি আৰু আইনী বিধানৰ প্ৰয়োজনীয়তা এতিয়া নাই। তেওঁ গুৰুত্ব আৰোপ কৰে যে মধ্যপ্ৰদেশে ইউচিচিৰ অধীনত সামৰি লোৱা বিষয়সমূহত সকলো নাগৰিকৰ বাবে প্ৰযোজ্য এক উমৈহতীয়া আইনী ■ ১৪ পৃষ্ঠাত

### লোকপিয়লৰ তথ্যকলৈ চিন্তিত চৰকাৰ

## জাপানত লক্ষ্যণীয়ভাৱে হ্ৰাস পাইছে জনসংখ্যা

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** প্ৰযুক্তিৰ দিশত আগবঢ়া জাপান পিছুৱাই গৈছে আন এক কথাত। দেশখনত দ্ৰুত গতিত হ্ৰাস পাইছে জনসংখ্যা। দেশখনৰ শেহতীয়া লোকপিয়ল অনুসৰি দেশখনৰ জনসংখ্যা এতিয়া প্ৰায় ১২ কোটি ৩০ লাখ হৈছে গৈ। পাঁচ বছৰৰ ভিতৰতে এনেদৰে দেশখনত জনসংখ্যা হ্ৰাস পাইছে। শেহতীয়াকৈ জাপানৰ গৃহ মন্ত্ৰালয়ে ২০২৫ চনৰ ৰাষ্ট্ৰীয় লোকপিয়লৰ প্ৰাথমিক পৰিসংখ্যা প্ৰকাশ কৰে। উল্লেখ্য, ১৯২০ চনৰ পৰা প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ■ ১৪ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীলৈ আছুৰ পত্ৰ

## ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়নৰ বাবে অসমত আন্তঃগাঁথনিৰ অভাৱ

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** দেশৰ বিভিন্ন ৰাজ্যত এতিয়া ৰূপায়ন কৰা হৈছে ৰাষ্ট্ৰীয় শিক্ষানীতি। অসমতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত অসমৰ মহাবিদ্যালয়সমূহত প্ৰৱৰ্তন কৰা চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বাবে সঠিক আন্তঃগাঁথনিগত নথকা বুলি অবিযোগ কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। এনে পৰিস্থিতিত শিক্ষাৰ্থীৰ ভৱিষ্যতলৈ চৰম অন্ধকাৰ নামি অহাৰ আশংকা প্ৰকাশ কৰি ছাত্ৰ সংগঠনটোৱে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে।আছুৱে মুখ্যমন্ত্ৰীলৈ লিখা পত্ৰখনত উল্লেখ কৰা অনুসৰি, ২০২৩ বৰ্ষৰ পৰা শিক্ষাৰ্থীসকলে একেৰাহে চাৰি বছৰ পঢ়াৰ মানসেৰে মহাবিদ্যালয়সমূহত নামভৰ্তি কৰিছিল। কিন্তু তিনিটা বৰ্ষ অতিক্ৰম কৰাৰ পাছত এতিয়া চতুৰ্থ বৰ্ষৰ, অৰ্থাৎ ■ ১৪ পৃষ্ঠাত

## অবৈধ বাংলাদেশীৰ বিৰুদ্ধে কঠোৰ বৈদেশিক মন্ত্ৰালয়

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** ভাৰতত অবৈধভাৱে বাস কৰি থকা লোকৰ বিৰুদ্ধে অধিক কঠোৰ হৈ পৰিছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়। সেইমৰ্মে দেশ অবৈধভাৱে বাস কৰি থকা হাজাৰ হাজাৰ লোকৰ নাগৰিকত্ব প্ৰমাণৰ পদক্ষেপ গ্ৰহণ কৰিছে ভাৰত চৰকাৰে। শেহতীয়াকৈ ভাৰতৰ পৰা ২৬৮০ৰো অধিক গোচৰ ৰাষ্ট্ৰীয়তা পৰীক্ষণৰ বাবে বাংলাদেশলৈ প্ৰেৰণ কৰা হৈছে। আনহাতে, ভাৰতত থকা সকলো অবৈধ লোকৰ ক্ষেত্ৰত আইন অনুসৰি মোকাবিলা কৰা হ’ব বুলি সকীয়াই দিছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে। এখন সংবাদমেলত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰতে ২৬৮০ জনৰো অধিক লোকৰ নাম বাংলাদেশ কৰ্তৃপক্ষক ৰাষ্ট্ৰীয়তা পৰীক্ষণৰ বাবে প্ৰেৰণ কৰা হৈছে। মুখপাত্ৰ জয়ছোৱালে কয়, ‘এই ৰাষ্ট্ৰীয়তা পৰীক্ষণ সম্পন্ন হোৱাৰ পিছত আমি এই বাংলাদেশৰ নাগৰিকসকলক বিতাড়িত কৰিব পাৰিম।’ মুখপাত্ৰ জয়ছোৱালে কয়, ‘ভাৰতত থকা সকলো ■ ১৪ পৃষ্ঠাত

# আমাৰ মাতৃভাষা ঃ সংকট আৰু নিৰাময়



মন্থন

■ প্ৰবোধ চন্দ্ৰ মিশ্ৰ

ভাষা হ’ল ভাব প্ৰকাশৰ মাধ্যম। ভাব প্ৰকাশ কৰিবলৈ বিভিন্নজনে বিভিন্ন মাধ্যমৰ আশ্ৰয় লয়। কিন্তু আটাইতকৈ উত্তম মাধ্যমটোৱে হৈছে ভাষা। ভাষা বুলি ক’লে আইৰ মুখখনলৈ মনত পৰে। আইৰ ভাষাই মোৰ ভাষা তথা আমাৰ ভাষা। মাতৃভাষা কোৱাৰ মূলতে হৈছে সন্তানে মাতৃৰ গৰ্ভত থকা অৱস্থাতেই মাকে কোৱা ভাষাৰ উমান পায় আৰু জন্মৰ লগে লগেই মাকৰ ভাষা শুনে। জন্মৰ পাছৰ পৰাই সন্তানে মাকৰ প্ৰতিটো কথা অনুসৰণ কৰে তাৰ ভিতৰত মূলতে ভাষাটোক আঙুলিয়াব পাৰি। মাকে কোৱা ভাষাটো সন্তানে অনুসৰণ কৰা বাবে সেই ভাষাটোক মাতৃভাষা কোৱা হয় বুলি ভবাৰ থল আছে। অসম মোৰ মাতৃভূমি আৰু অসমীয়া মোৰ মাতৃভাষা।

মাতৃভাষা সম্বন্ধে পৃথিৱীৰ বিভিন্ন দেশৰ মহান ব্যক্তিসকলে কি কৈছে তাকে অকণমান উনুকিয়াব বিচাৰিছোঁ। দক্ষিণ আফ্ৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি নেলচন মেণ্ডেলাই কৈছে - If you talk to a man in a language he understands, that goes to his head. If you talk to him in his language, that goes to his heart. চুইডিছ অভিনেতা মেক্সভন চাইডোৱে কৈছে - I think English is a fantastic, rich and musical language, but of course your mother tongue is the most important for an actor। অ’লিভাৰ ৱেণ্ডেল হোমছে (অনুজ) কৈছে -Language is the dress of thought, every time you speak your mother tongue, you reveal a part of yourself। ১৮২৬চনৰ ইয়াণ্ডাবু সন্ধিৰ ■ ১৪ পৃষ্ঠাত

# বিপন্ন সময়



■ সত্যব্ৰত বৰা

দিনটো আছিল শুক্ৰবাৰ। গুৱাহাটীৰ মহানগৰীৰ ব্যস্ত ৰাজপথ। বেলি অস্ত যাবৰ হৈছিল। আকাশখনত অলপ সেন্দূৰীয়া আভা বিয়পি পৰিছিল। হাতত অফিচৰ বেগটো লৈ মই ঘৰ অভিমুখে খোজ লৈছিলোঁ। মোৰ নাম বিৰাজ। দিনটোৰ ক্লান্তি আৰু অফিচৰ কামৰ হেঁচাত মূৰটো গধুৰ হৈ গৈছিল। হাতৰ ঘড়ীটোলৈ চালোঁ। ঠিক আবেলি ৫:৪৫ বাজিছে। জিএছ ৰোডৰ এটা সৰু গলিৰে মই চৰ্টকাট মাৰি খোজ ল'লোঁ। গলিটোত সাধাৰণতে মানুহৰ ভিৰ অলপ কম থাকে।

গলিটোত সোমাই কিছুদূৰ যোৱাৰ পিছত মোৰ গাৰ নোমবোৰ হঠাৎ থিয় হৈ গ'ল। এক অজান শিহৰণে মোৰ সমগ্ৰ শৰীৰ কঁপাই তুলিলে। সন্মুখৰ পৰা এজন মানুহ মোৰ দিশেই খোজকাঢ়ি আহি আছিল। তেওঁৰ পিন্ধনত আছিল এটা ক'লা লং-কোট। গৰমৰ দিনত অলপ অস্বাভাৱিক লাগিছিল দৃশ্যটো। কিন্তু মোৰ চকু স্থিৰ হৈ পৰিল তেওঁৰ মুখখনলৈ চাইহে।

যিমানেই তেওঁ মোৰ ওচৰ চাপি আহিল, মোৰ বুকুৰ ধপধপনি সিমানেই বাঢ়ি গ'ল। কিয়নো সেই মুখখন, সেই খোজকাঢ়াৰ ধৰণ, সেই চকুযুৰি... তেওঁ হুবহু মোৰ দৰেই আছিল মো কোনো যমজ ভাতৃ নাই আইনাত নিজকে চালে যেনেকুৱা লাগে ঠিক তেনেকুৱাই মানুহজন। কেৱল তেওঁৰ চকু দুটাত আছিল এক গভীৰ ক্লান্তি আৰু ভয়ৰ চিন। সোফালে মুখখনত আছিল এটা ডাঙৰ কটা দাগ। তেনেকুৱা দাগ মোৰ মুখত নাছিল।

মই থমকি ৰৈ দিলোঁ। মোৰ ভৰি দুখন যেন মাটিত লাগি ধৰিল। তেৰোঁ মোৰ পৰা ঠিক দুহাত দূৰত্বত ৰৈ গ'ল।

মই কঁপা কঁপা মাতেৰে সুধিলোঁ, "আপুনি... আপুনি কোন? আপোনাৰ মুখখন... মোৰ দৰে কেনেকৈ হ'ল?"

তেওঁ চাৰিওফালে এবাৰ তীব্ৰ দৃষ্টিৰে চালে। যেন কোনোবাই তেওঁক খেদিহে ফুৰিছে। তাৰ পিছত মোৰ চকুলৈ চাই অতি গম্ভীৰ আৰু ধীৰ মাতেৰে ক'লে, "বিশ্বাস কৰাটো তোমাৰ বাবে কঠিন হ'ব বিৰাজ, মই তুমিয়েই। কিন্তু মই তোমাৰ পৃথিৱীৰ নহয়। মই আহিছোঁ এক বিকল্প বাস্তৱৰ পৰা। অৰ্থাৎ এখন পেৰেলেল ইউনিভাৰ্ছৰ পৰা। মোৰ হাতত বেছি সময় নাই। তোমাক এক ডাঙৰ বিপদৰ সকীয়নি দিবলৈ মই বহুত কষ্ট কৰি এই মাত্ৰা পাৰ হৈ আহিছোঁ।"

মোৰ মূৰটোৱে কাম কৰা বন্ধ কৰি দিলে। মানুহটো পাগল নেকি? নে কোনোবাই মোৰ লগত প্ৰেংক কৰিছে? মই অলপ পিছ হুঁহকি ক'লোঁ, "কি বলিয়ালি বকিছে এইবোৰ আপুনি মোৰ দৰে ৰূপ লৈ ধেমালি কৰিবলৈ আহিছে? মই পুলিচ মাতিম এতিয়া।"

তেওঁ শেতা হাঁহি এটা মাৰিলে। "পুলিচ? তেওঁলোকে মোক স্পৰ্শও কৰিব নোৱাৰিব বিৰাজ। তোমাৰ পিঠিত সৰুৰে পৰা থকা ক'লা দাগটোৰ কথা মই জানো। তোমাৰ সোঁ ভৰিৰ বুঢ়া আঙুলিৰ নখটো যে যোৱা বছৰ দুৰ্ঘটনাত ভাঙিছিল সেয়াও মই জানো। কিয়নো সেই একেবোৰ ঘটনা মোৰ জীৱনতো ঘটিছিল। কিন্তু আজিৰ পৰা ঠিক তিনিদিন পিছত তোমাৰ জীৱনটো সম্পূৰ্ণ সলনি হৈ যাব যদিহে তুমি মোৰ কথা নুশুনা।"

তেওঁৰ কথাবোৰে মোক স্তব্ধ কৰি পেলালে। মোৰ পিঠিৰ দাগটোৰ কথা কেৱল মোৰ মায়েহে জানিছিল। মই বুজিলোঁ যে মানুহজন কোনো সাধাৰণ মানুহ নহয়।

মই সুধিলোঁ, "ধৰি ল'লোঁ আপোনাৰ কথা সঁচা। কিন্তু আপুনি ইয়ালৈ কেনেকৈ আহিল? আৰু মোক কিহৰ সকীয়নি দিব বিচাৰিছে?"

আনজন বিৰাজে মোৰ হাতখনত খামোচ মাৰি ধৰিলে। তেওঁৰ হাতখন আচৰিত ধৰণে ঠাণ্ডা আছিল। তেওঁ ক'লে, "ইয়াত থিয় হৈ থকাটো বৰ নিৰাপদ নহয়। ব'লা, সেই সৌ পাৰ্কখনৰ চুকৰ বেঞ্চলৈ যাওঁ। তাত বহি মই সকলো কথা বুজাই ক'ম।"

আমি দুয়ো পাৰ্কখনত সোমালোঁ। ভাগ্যবশতঃ চুকৰ বেঞ্চখন খালী আছিল। আমি বহিলোঁ।

মানুহজনে ক'বলৈ আৰম্ভ কৰিলে, "বিজ্ঞানৰ মাল্টিভাৰ্ছ থিয়ৰীৰ কথা চাগে তুমি শুনিছা? আমাৰ মহাবিশ্বৰ দৰেই অনন্ত কোটি বিশ্বব্ৰহ্মাণ্ড সমান্তৰালভাৱে চলি আছে। তোমাৰ পৃথিৱীখনৰ মাত্ৰা হ'ল ৪১২। আৰু মই যিখন পৃথিৱীৰ পৰা আহিছোঁ সেইখনৰ মাত্ৰা হ'ল ৪১৩। তাতো মোৰ নাম বিৰাজেই।ময়ো এজন কম্পিউটাৰ প্ৰগ্ৰেমাৰ। কিন্তু আমাৰ দুয়োখন পৃথিৱীৰ ইতিহাস আৰু প্ৰযুক্তি অলপ বেলেগ।"

মই কৌতূহলেৰে শুনিলোঁ, "কেনেকৈ বেলেগ?"

তেওঁ ক'লে, "আমাৰ পৃথিৱীখন তোমালোকতকৈ প্ৰযুক্তিত অলপ আগবঢ়া। মই তাত এটা কোৱাণ্টাম টাইম-লিংক ডিভাইচ তৈয়াৰ কৰিছিলোঁ।তাৰ সহায়ত স্থান আৰু কালৰ পৰিসীমা ভেদ কৰিব পাৰি। কিন্তু সেই আৱিষ্কাৰেই মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ ভুল আছিল। সেই ডিভাইচটোৰ ওপৰত এক বহুজাতিক অপৰাধী চক্ৰৰ চকু পৰিল। তেওঁলোকে মোক আৰু মোৰ পৰিয়ালক..."তেওঁৰ কণ্ঠ ৰুদ্ধ হৈ পৰিল, চকুযুৰি চলচলীয়া হ'ল।

তেওঁ দীঘলকৈ উশাহ লৈ ক'লে, "তেওঁলোকে মোৰ পৰিয়ালক শেষ কৰি দিলে। মই কোনোমতে সেই যন্ত্ৰটো লৈ পলাই আহিলোঁ। কিন্তু তেওঁলোকৰ হাতত এতিয়া মোৰ আৱিষ্কাৰৰ ব্লুপ্ৰিণ্ট আছে। তেওঁলোকে মোৰ পৃথিৱীখন ধ্বংস কৰিয়েই ক্ষান্ত থকা নাই। তেওঁলোকে এতিয়া অন্য মাত্ৰাৰ পৃথিৱীবোৰকো নিজৰ নিয়ন্ত্ৰণলৈ আনিব বিচাৰিছে। আৰু তেওঁলোকৰ পৰৱৰ্তী লক্ষ্য হ'ল তোমালোকৰ পৃথিৱীখন"।

মই বেঞ্চখনত হাতখন জোৰেৰে মাৰি ক'লোঁ, "কিন্তু তেওঁলোকে মোৰ পৃথিৱীলৈ কেনেকৈ আহিব? আৰু ইয়াত মোৰ কি ভূমিকা আছে?"

বিকল্প বিৰাজে মোৰ চকুলৈ পোনপটীয়াভাৱে চালে। "কাৰণ আজিৰ পৰা ঠিক তিনিদিন পিছত অৰ্থাৎ অহা মঙলবাৰে তোমাৰ অফিচৰ লেবত তুমি এটা নতুন কোৱাণ্টাম ক'ড ৰান কৰিবলৈ লৈছা, নহয়নে? যিটো ক'ড তুমি যোৱা ছমাহ ধৰি লিখি আছা।"

মোৰ বুকুখন চিৰিংকৈ উঠিল।

"আপুনি কেনেকৈ জানিলে? মই এটা নতুন ডাটা-এনক্ৰিপচন ক'ডৰ ওপৰত কাম কৰি আছোঁ। কিন্তু সেইটোৰ লগত এইবোৰৰ কি সম্পৰ্ক?"

"সম্পৰ্ক আছে।" তেওঁ ক'লে। "তুমি ভাবিছা যে সেইটো মাত্ৰ এটা এনক্ৰিপচন ক'ড। কিন্তু আচলতে সেই ক'ডটোৱে অজ্ঞাতসাৰে এটা ডাইমেনচনৰ ফাঁট সৃষ্টি কৰিব। মোৰ পৃথিৱীৰ সেই অপৰাধী চক্ৰটোৰ মুৰব্বীজনৰ নাম ডিয়াকভ। তেওঁলোকে তোমাৰ কম্পিউটাৰ নেটৱৰ্কত ভাইৰাছৰ জৰিয়তে এটা ট্ৰজান হৰ্ছ সুমুৱাই দিছে। তুমি ক'ডটো ৰাণ কৰাৰ লগে লগে তোমাৰ কম্পিউটাৰ আৰু মোৰ পৃথিৱীৰ তেওঁলোকৰ চুপাৰ কম্পিউটাৰৰ মাজত এটা প'ৰ্টেল খোল খাই যাব।"

মই কঁপিবলৈ ধৰিলোঁ। "প'ৰ্টেল? তাৰ পিছত কি হ'ব?"

"তাৰ পিছত তেওঁলোকে সৈন্য আৰু মাৰাত্মক প্ৰযুক্তি লৈ তোমাৰ পৃথিৱীত প্ৰৱেশ কৰিব। প্ৰথমে তেওঁলোকে তোমাক হত্যা কৰিব, কাৰণ এই ক'ডটো কেৱল তুমিয়েই বন্ধ কৰিব পাৰিবা। তাৰ পিছত তেওঁলোকে তোমাৰ পৃথিৱীৰ চৰকাৰ, ডিফেন্স চিষ্টেম সকলো নিজৰ হাতলৈ আনিব। মোৰ পৃথিৱীখন ইতিমধ্যে এটা ধ্বংসস্তূপত পৰিণত হৈছে বিৰাজ। মই মোৰ পৃথিৱীখন ৰক্ষা কৰিব নোৱাৰিলোঁ, কিন্তু মই তোমাক আৰু তোমাৰ সুন্দৰ পৃথিৱীখনক সেই ভয়ংকৰ পৰিণতিৰ পৰা বচাব বিচাৰোঁ।"

মই সুধিলোঁ, "মই এতিয়া কি কৰা উচিত? মই ক'ডটো ডিলিট কৰি দিম নেকি। নহ'লে মই অফিচৰ পৰা ৰিজাইন দি দিম"।

"নহয়, তেনে নকৰিবা," বিকল্প বিৰাজে ক'লে। "যদি তুমি ক'ডটো ডিলিট কৰি দিয়া, তেওঁলোকে বুজি পাব যে তোমাক কোনোবাই সতৰ্ক কৰি দিছে। তেতিয়া তেওঁলোকে অন্য কোনো পদ্ধতি ব্যৱহাৰ কৰিব বা তোমাক অপহৰণ কৰি জোৰকৈ ক'ডটো লেখাব। আমি তেওঁলোকক ফান্দত পেলাব লাগিব।"

"ফান্দত? কেনেকৈ?" মই সুধিলোঁ।

আনজন বিৰাজে তেওঁৰ কোটৰ ভিতৰৰ জেপৰ পৰা এটা সৰু, জিলিকি থকা ক'লা ৰঙৰ পেনড্ৰাইভৰ দৰে বস্তু উলিয়ালে। তেওঁ সেইটো মোৰ পিনে আগবঢ়াই দিলে।

"এইটো এটা কাউণ্টাৰ-ভাইৰাছ পেছ। মঙলবাৰে যেতিয়া তুমি মেইন ক'ডটো ৰান কৰিবা, তাৰ ঠিক দুই মিনিট আগতে এই ডিভাইচটো তোমাৰ মেইন ফ্ৰেম কম্পিউটাৰত লগাই দিবা। এই পেছটোৱে তোমাৰ ক'ডটোক এটা ভুৱা চিগনেল প্ৰেৰণ কৰিবলৈ বাধ্য কৰিব। ডিয়াকভ আৰু তেওঁৰ মানুহে ভাবিব যে প'ৰ্টেল খোল খাইছে, কিন্তু আচলতে সিহঁতৰ নিজৰ ছাৰ্ভাৰহে ক্ৰেছ হৈ যাব আৰু সিহঁতৰ মাত্ৰাৰ পৰা আমাৰ মাত্ৰালৈ অহাৰ পথ চিৰদিনৰ বাবে বন্ধ হৈ যাব।"

মই বস্তুটো হাতত তুলি ল'লোঁ। বস্তুটো আচৰিত ধৰণে গধুৰ আছিল আৰু তাৰ পৰা এটা মৃদু নীলা পোহৰ ওলাই আছিল।

"কিন্তু যদি কিবা ভুল হয়? যদি মই ধৰা পৰি যাওঁ?"

আনজন বিৰাজে মোৰ কান্ধত হাত থৈ ক'লে, "ভুল হ'বলৈ দিব নোৱাৰি বিৰাজ। তুমি নিজৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। মনত ৰাখিবা মই আৰু তুমি একেই। তোমাৰ যিমানখিনি বুদ্ধিমত্তা আছে মোৰো সিমানেই আছে। কেৱল মই পৰিস্থিতিৰ পাকচক্ৰত পৰি সৰ্বস্ব হেৰুৱালোঁ, তুমি যাতে হেৰুৱাব নালাগে।"

হঠাৎ পাৰ্কখনৰ লাইটবোৰ টিপটিপাবলৈ ধৰিলে। মোবাইলটোৰ পৰা বিকৃত শব্দ কিছুমান ওলাবলৈ ধৰিলে। মানুহজনৰ মুখখন শেঁতা পৰি গ'ল। তেওঁ থিয় হ'ল।

"সিহঁত আহি পালেহি সিহঁতে মোৰ টাইম-চিগনেল ট্ৰেক কৰি এই মাত্ৰা পাইছেহি। মই এতিয়াই ইয়াৰ পৰা যাব লাগিব, নহ'লে সিহঁতে তোমাকো বিচাৰি পাব।"

"ৰ'ব আপুনি ক'লৈ যাব? আপোনাৰ কি হ'ব?" মই চিঞৰি উঠিলোঁ।

"মোৰ চিন্তা নকৰিবা। মই সিহঁতক বিপথে পৰিচালিত কৰিম। মনত ৰাখিবা মঙলবাৰে দিনৰ ঠিক ১২ বজাত। এই পৃথিৱীৰ ভৱিষ্যত এতিয়া তোমাৰ হাতত বিৰাজ।"

এইবুলি কৈ তেওঁ তীব্ৰ বেগেৰে ওলাই গ'ল। অন্ধকাৰত তেওঁ নোহোৱা হৈ পৰিল। তাৰ ঠিক কেইছেকেণ্ডমান পিছতে ক'লা কাপোৰ পিন্ধা দুজন ওখ-পাখ অচিনাকি মানুহ পাৰ্কখনৰ মাজেৰে তীব্ৰ বেগেৰে দৌৰি যোৱা দেখিলোঁ। তেওঁলোকৰ হাতত আছিল কিছুমান আচৰিত ধৰণৰ অস্ত্ৰ।

পিছৰ দুদিন মোৰ বাবে আছিল নৰকসদৃশ। মই চকুৰ টিপ এটা মাৰিব পৰা নাছিলোঁ। ঘৰত সোমাই দুৱাৰ-খিৰিকী বন্ধ কৰি মই কেৱল সেই ক'লা বস্তুটোলৈ চাই আছিলোঁ। মায়ে মোৰ অৱস্থা দেখি চিন্তিত হৈ পৰিছিল। কিন্তু মই একো ক'ব পৰা নাছিলোঁ। কোনে বিশ্বাস কৰিব মোৰ কথা? সকলোৱে মোক পাগল বুলিহে ভাবিব।

অৱশেষত সেই বহু প্ৰত্যাশিত মঙলবাৰৰ দিনটো আহি পালে। মই অফিচলৈ গ'লোঁ। মোৰ বুকুখন ধপধপাই আছিল। অফিচৰ ডাঙৰ লেবটোত মোৰ কলিগসকলে মোৰ ক'ডটোৰ টেস্টিং চাবলৈ ভিৰ কৰিছিলহি।

আমাৰ টীম লিডাৰে ক'লে, "অল দা বেষ্ট বিৰাজ আজি তোমাৰ প্ৰজে"টো সফল হ'লে আমাৰ কোম্পানীয়ে বিশ্বজুৰি নাম কৰিব।"

মই মিছা হাঁহি এটা মাৰি কম্পিউটাৰ স্ক্ৰীণৰ সন্মুখত বহিলোঁ। হাতৰ ঘড়ীটোলৈ চালোঁ। পুৱা ১১:৫৫ বাজিছে। ঠিক পাঁচ মিনিট বাকী।

মই জেপৰ পৰা লাহেকৈ মানুহজনে দিয়া বস্তুটো উলিয়ালোঁ। মোৰ হাতখন কঁপিছিল। মই চিষ্টেমৰ তলৰ ইউএছবি পৰ্টটো বিচাৰি উলিয়ালোঁ।

১১:৫৮ বজাত মই দেখিবলৈ পালোঁ মোৰ কম্পিউটাৰৰ ক'ডৰ মাজত কিছুমান আচৰিত ধৰণৰ অজ্ঞাত ডাটা লাইন নিজে নিজে ভাঁহি উঠিছে। মই বুজি পালোঁ। মানুহজনৰ কথা আখৰে আখৰে সঁচা ডিয়াকভৰ ভাইৰাছে কাম কৰা আৰম্ভ কৰি দিছে। প'ৰ্টেল খোল খাবলৈ ধৰিছে। লেবৰ কম্পিউটাৰবোৰৰ পৰা এটা মৃদু গুণগুণনি শব্দ ওলাবলৈ ধৰিলে। বতাহজাক যেন গধুৰ হৈ পৰিল।

"বিৰাজ, কি হৈছে এইবোৰ? কম্পিউটাৰৰ স্ক্ৰীণবোৰ এনেকুৱা হৈছে কিয়?" টীম লিডাৰে চিঞৰি উঠিল।

"একো হোৱা নাই ছাৰ, মই ঠিক কৰি আছোঁ", মই ক'লোঁ।

১১:৫৯ বজাত, মই জোৰকৈ সেই ক'লা ডিভাইচটো কম্পিউটাৰত সুমুৱাই দিলোঁ।

লগে লগে স্ক্ৰীণখন সম্পূৰ্ণ ৰঙা হৈ পৰিল। এটা ডাঙৰ সতৰ্কবাণী ভাঁহি উঠিল— "CRITICAL ERROR: DIMENSIONAL BREACH OVERRIDE"

প্ৰতিটো কম্পিউটাৰৰ পৰা ফিৰিঙতি ওলাবলৈ ধৰিলে। লেবৰ মানুহবোৰে ভয়ত চিঞৰ-বাখৰ লগাই বাহিৰলৈ দৌৰিলে। কিন্তু মই বহিয়েই থাকিলোঁ। মই দেখিবলৈ পালোঁ, মোৰ স্ক্ৰীণত এটা সৰু ভিডিঅ' উইণ্ড' খোল খাই গ'ল। তাত দেখা গ'ল সেই ক'লা কোট পিন্ধা বিৰাজক। তেওঁ কোনোবা এটা কোঠাত বন্দী হৈ আছিল। কিন্তু তেওঁৰ মুখত আছিল বিজয়ৰ হাঁহি।

তেওঁ ক'লে, "তুমি কৰি দেখুৱালা বিৰাজ। প'ৰ্টেল চিৰদিনৰ বাবে বন্ধ হৈ গ'ল। মই এতিয়া সিহঁতৰ হাতত বন্দী হ'লেও সুখী। কাৰণ মই মোৰ অন্য এটা ৰূপক আৰু মোৰ অন্য এখন পৃথিৱীক বচাব পাৰিলোঁ। নিজৰ যত্ন ল'বা।"

ভিডিঅ'টো চিৰদিনৰ বাবে বন্ধ হৈ গ'ল আৰু কম্পিউটাৰটো সম্পূৰ্ণৰূপে ক্ৰেছ হ'ল।

এই ঘটনাৰ পিছত বহু মাহ পাৰ হৈ গ'ল। মোৰ অফিচৰ মানুহে ভাবিলে যে কম্পিউটাৰত হোৱা চৰ্ট ছাৰ্কিটৰ বাবে মোৰ প্ৰজে"টো ধ্বংস হ'ল। মই চাকৰিটো এৰি দিলোঁ। এতিয়া এটা শান্তিপূৰ্ণ জীৱন কটাইছোঁ মই। কিন্তু এতিয়াও প্ৰতিদিনে আবেলি যেতিয়া মই গুৱাহাটীৰ বাট-পথেৰে খোজকাঢ়ি যাওঁ, মই প্ৰতিজন খোজকাঢ়ি অহা মানুহৰ মুখলৈ ভালদৰে লক্ষ্য কৰোঁ। মই জানো যে এই বিশাল ব্ৰহ্মাণ্ডত মই অকলশৰীয়া নহয়। ক'ৰবাত কোনোবা এখন সমান্তৰাল পৃথিৱীত মোৰেই আন এটা ৰূপে হয়তো এতিয়াও যুদ্ধ কৰি আছে।

মই মোৰ জেপত থকা সেই আধা-পোৰা ক'লা বস্তুটো স্পৰ্শ কৰিলোঁ আৰু আকাশলৈ চাই মনে মনে ক'লোঁ "ধন্যবাদ, মোৰ অন্য ৰূপ। তুমি দিয়া এই জীৱন আৰু পৃথিৱীখন মই সদায় সুৰক্ষিত ৰাখিম।"

# মাধুৰী আঁহতৰ তলৰ মুকলি বিহু

## চতিয়াৰ শতবৰ্ষ গৰকা ঐতিহ্য

■ জ্যোতিষ্মান হাজৰিকা

মাধুৰী আঁহতৰ তলৰ বিহুমেলা অসমৰ বিশ্বনাথ জিলাৰ অন্তৰ্গত চতিয়াৰ অঞ্চলৰ চতিয়াল বহুৱাবাৰী গাঁৱৰ উহনি পথাৰৰ এক অতি প্ৰাচীন আৰু ঐতিহ্যবাহী সাংস্কৃতিক অনুষ্ঠান। এই বিহু শুধুমাত্ৰ এক মুকলি নাচৰ সমাৱেশৰ অন্তৰ্গত নহয়, বৰঞ্চ অসমীয়া জাতিৰ প্ৰাণৰ মমতাৰ প্ৰতীক এক কৃষিভিত্তিক জীৱনধাৰা। এই বিহু অনুষ্ঠানটোৱে প্ৰকৃতিৰ সৈতে মানুহৰ গভীৰ সম্পৰ্ক আৰু গাঁৱলীয়া সমাজৰ একতাৰ জীৱন্ত প্ৰতীক হিচাপে স্থান পাইছে। ব'হাগ বিহুৰ এই বিশেষ ৰূপখন গছৰ তলত মহিলাসকলৰ নেতৃত্বত অনুষ্ঠিত হোৱাৰ বাবে সকলোৱে মাজত বিখ্যাত। শতকৰ অধিক সময় ঐতিহ্যৰ বহনকাৰী এই বিহু অনুষ্ঠানটোৱে আজিৰ সময়ত তাহানিৰ সেই মূল সাৰ অটুট ৰাখিবলৈ সক্ষম হৈছে। এইঅনুষ্ঠানটোৰ সামাজিক-সাংস্কৃতিক গুৰুত্ব, আয়োজনাৰ পদ্ধতি, বৰ্তমান অৱস্থা আৰু ভৱিষ্যত সম্ভাৱনাৰ বিষয়ে তলত চমুকৈ বহলাই আলোচনা কৰা হ'ল।

বিহুৰ সাধাৰণ পটভূমি আৰু অৰ্থবোধক বাহনকাৰী বিহু অসমৰ তিনিটা প্ৰধান কৃষি উৎসৱৰ মাজৰ প্ৰথম আৰু সৰ্বাধিক জনপ্ৰিয় উৎসৱ— ব'হাগ বিহু, কাতি বিহু আৰু ভোগালী বিহু। ব'হাগ বিহু বছৰৰ প্ৰথম বিহু হিচাপে ব'হাগ মাহত (১৪ ৰপৰা ১৫ এপ্ৰিলৰ আশে-পাশে) পালন কৰা হয়, যিটোৱেই হৈছে ফচলৰ আৰম্ভণি। ই হৈছে নতুন বছৰৰ আগমন আৰু প্ৰকৃতিৰ পুনৰুজ্জীৱনৰ প্ৰতীক।

মাধুৰী আঁহতৰ তলৰ বিহু এই ব'হাগ বিহুৰ এক অনন্য আঁহতভিত্তিক ৰূপ, যিটোত চতিয়াৰ আদি গাঁৱসমূহৰ মহিলাসকলৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছিল। বিহুৰ শব্দটোৰ অৰ্থ "ভিজোকল" বা "ফচল"— যিটোৱে প্ৰকৃতিৰ উৰ্বৰতা আৰু জীৱনৰ পুনৰ্জন্মৰ সৈতে যোগাযোগ যুক্ত। এই বিহুত নাচ, গীত, গগনা, বীণাৰ তালত মিলি এক সম্পূৰ্ণ সাংস্কৃতিক পৰিৱেশ গঢ়ি উঠে, য'ত কোনো বাণিজ্যিকতা বা বাহ্যিক প্ৰভাৱ নাই। ইয়াৰ মূল বিশেষত্ব হৈছে ই মুকলিৰ স্বৰূপ। কাৰণ গাঁৱৰ মহিলাসকলৰ স্বতঃস্ফূৰ্ত ভাৱে উদ্যোগত চলা এক জীৱন্ত পৰম্পৰা। এই অনুষ্ঠানৰ উৎপত্তিৰ পৰা আধুনিক যুগৰ লৈকে চলা

প্ৰাচীন উৎস আৰু আহোম যুগত বিহুৰ মূল উৎস অসমৰ এক প্ৰাচীন কৃষি সমাজ। আহোম যুগ অৰ্থাৎ (১২২৮-১৮২৬ খ্ৰীষ্টাব্দত) বিহুক ৰাজকীয় উৎসৱ হিচাপে স্বীকৃতি দিয়া হৈছিল। মোৱামৰীয়া আৰু চুতীয়া ৰাজ্যৰ সময়তো গছৰ তলত বিহুৰ পৰম্পৰা আছিল। আহোমৰ ৰজাসকলে বিহুত ৰাজকীয় পৃষ্ঠপোষকতা দিছিল আৰু ইয়াক জাতীয় উৎসৱ হিচাপে পালন কৰিছিল। এই সময়ত বিহুৰ গীত-নাচ আৰু প্ৰকৃতি পূজাৰ সৈতে জড়িত আছিল।

ব্ৰিটিছ শাসনকালত (১৮২৬ পৰা) বিহুক বাণিজ্যিক ৰূপত স্বীকৃতি লাভ কৰে, কিন্তু গাঁৱলীয়া মুকলি বিহু অতিকৈ অটুট জনক আছিল। ঐতিহাসিকৰ মতে মাধুৰী আঁহতৰ তলৰ বিহুৰ নিৰ্দিষ্ট ইতিহাস ১৯১৮ চনৰ ১৪ ব'হাগৰ পৰা আৰম্ভ হৈছিল। চতিয়াৰ উহনি পথাৰৰ চতিয়াল বহুৱাবাৰী গাঁৱত মহিলাসকলে প্ৰথমবাৰ এই মাধুৰী আঁহতৰ তলত মুকলি বিহু পালন কৰে। প্ৰথমে ইয়াক 'বৰ-আঁহত' বা 'বুঢ়া-আঁহত' বুলি কোৱা হৈছিল, কাৰণ ই অনুষ্ঠান এক মহান পুৰণি আঁহতৰ তলত আয়োজিত হৈছিল। এজন স্থানীয় গঞাই (মাধুৰী নামৰ) এই পুলিটো ৰোপণ কৰাৰ কাহিনীৰ সৈতে জড়িত হৈ শেষত তেওঁৰ নামেৰে 'মাধুৰী আঁহত' নাম হয় বুলি বিশ্বাস কৰা হয়।

দত্ত বৰুৱা এণ্ড কোম্পানীৰ ১৯১৮ চনৰ বাৰ্ষিক কেলেণ্ডাৰত এই বিহুৰ উল্লেখ পোৱা যায়। এইটোৱে অসমৰ প্ৰথমখন মুকলি বিহু হিচাপে স্বীকৃতি লাভ কৰে আৰু ১০৮ বছৰ সম্পূৰ্ণ (২০২৬ চনলৈকে) কৰি বৰ্তমান অৱস্থাত উপনীত হৈছে। সময়ৰ সৈতে ই 'সদৌ চতিয়া সৰ্বজনীন মাধুৰী আঁহতৰ তলৰ মুকলি বিহুমেলা' নামলৈ ৰূপান্তৰিত হৈছে। স্বাধীন ভাৰতত বিহুয়েই অসমৰ ৰাজ্য উৎসৱ হিচাপে স্বীকৃতি লাভ কৰে। মাধুৰী আঁহতৰ বিহুক স্থানীয় কমিটীসমূহে সংৰক্ষণ কৰি আহিছে। ১৯৮০ৰ পৰা ইয়াৰ আয়োজনো অধিক সংগঠিত হৈছে।

মহিলাসকলৰ নেতৃত্ব আৰু স্বাধীনতাৰ এক প্ৰতীক এই বিহুটোৰ সৰ্বাধিক বিশেষ দিশ হৈছে মহিলাৰ পূৰ্ণ নেতৃত্ব। পুৰুষসকলৰ প্ৰাধান্যতাৰ পৰিৱৰ্তে মহিলাসকলে আয়োজন কৰে এই অনুষ্ঠানটো, নাচ-গীতৰ নিৰ্বাচন, মেলাৰ ব্যৱস্থা সকলোবোৰ দায়িত্ব লয়। ইয়াৰ জৰিয়তে অসমীয়া মহিলাৰ স্বাধীনতা, সৃজনশীলতা আৰু নেতৃত্বক্ষমতাৰ প্ৰকাশ ঘটে। পুৰণি সময়ত এইটোৱে মহিলাৰ সামাজিক মৰ্যাদা বৃদ্ধি কৰিছিল। বৰ্তমান সময়ত পুৰুষেও আগভাগ লোৱা দেখা গৈছে। মাধুৰী আঁহতৰ তলত অনুষ্ঠান কৰিলে বিহুৰ প্ৰকৃতি-কেন্দ্ৰিক স্বৰূপ অধিক স্পষ্ট হয়। প্ৰাৰ্থনাত ধান-ফচলৰ জৰিয়তে উৰ্বৰতাৰ বাবে পূজা কৰা হয়। নাচ-গীতত প্ৰকৃতিৰ সৌন্দৰ্য, বৰ্ষাৰ আশা প্ৰকাশ পায়। সেয়েহে মাধুৰী আঁহতৰ তলত যেতিয়া বিহু মেলা হয় তেতিয়া এদিন হ'লেও বৰষুণ হয়েই। আজিৰ পৰিৱেশ সচেতন যুগত এইটোৱে সঠিক জীৱনধাৰাৰ উদাহৰণ। গছৰ ছাঁত নাচি ফুল-পাতৰ সৈতে সজ্জিত হোৱা এই বিহুৱেই পৰিৱেশ সংৰক্ষণৰ বাৰ্তা দিয়ে।

এই বিহুত স্থানীয় গাঁৱৰ লোকসকলৰ বৰ্তমান সময়ত একতাৰ প্ৰতীক হোৱা দেখা গৈছে। ই অসমৰ জাতীয় উৎসৱ হিচাপে সকলো জাতি-বৰ্ণক একত্ৰিত কৰি আহিছে।

ব'হাগ মাহৰ প্ৰথম সপ্তাহৰ পৰা মহিলাসকলে গীত-নাচৰ প্ৰস্তুতি লয়। ঐতিহ্যবাহী গামোচা, মেখেলা আৰু চাদৰত সজ্জিত হয়। পৰম্পৰাগত বীণা যেনে পেঁপা, গগনা, বাহী ব্যৱহাৰ কৰা হয়। ইয়ালৈ প্ৰতিবছৰে হাজাৰ হাজাৰ দৰ্শক আহে।

জেং বিহু, দিহানাম আদি বিশেষ অনুষ্ঠান হোৱা দেখা যায়। স্থানীয় কবিতা-গীতৰ পাঠ, যুৱক-যুৱতীৰ অংশগ্ৰহণে আয়োজনৰ জীৱন্ত দলিল।

যদিও মূল ঐতিহ্য অটুট, মাইক্ৰফোন আৰু আলোক প্ৰযুক্তি আদিৰ বিভিন্ন ব্যৱহাৰযোগ্য সামগ্ৰী যোগ দিয়া হৈছে। যুৱকসকলে নতুন বিহু গীত যোগ কৰিছে। ২০২৬ চনৰ বিহুত এই মিশ্ৰণ অতি স্পষ্টভাৱে উল্লেখ আছিল। গুৱাহাটী, তেজপুৰৰ পৰা লোকসকল আহে।

প্ৰত্যাহ্বানসমূহ গাঁৱৰ সীমিত স্থান, অৱস্থাৰ পৰিৱৰ্তন, বৃহৎ মঞ্চৰ প্ৰতি আকৰ্ষণে চ্যালেঞ্জ হিচাপে দাঙি ধৰিছে। যুৱকসকলৰ চহৰমুখী প্ৰৱণতাই পৰম্পৰাৰ স্মৃতিবোৰ কৰাল গ্ৰাসত পৰিবলৈ ধৰিছে তথাপিও স্থানীয় কমিটীৰ প্ৰচেষ্টাত ই অটুট ৰাখিবলৈ সক্ষম হৈছে।

ডিজিটেল মাধ্যমত লাইভ ষ্ট্ৰিমিং ৱেবছাইট, ইউনেস্কোৰ অস্পৃশ্যতা সম্পদৰ বাবে প্ৰস্তুতি, স্থানীয় যুৱকক সংযোগ কৰিলে ভৱিষ্যত সুৰক্ষিত। পৰ্যটনৰ সৈতেও যোগাযোগ কৰিব পাৰি।

মাধুৰী আঁহতৰ তলৰ বিহুয়েই হৈছে অসমীয়া সংস্কৃতিৰ এক মূল্যৱান সম্পদ, যিয়ে অতীত-বৰ্তমান-ভৱিষ্যতক সংযোগ কৰি ৰাখিছে। মাধুৰী আঁহতৰ তলৰ স্মৃতিচিহ্নয়েই চতিয়াৰ ঐতিহাসিক পদচিহ্ন হিচাপে লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত মাধুৰী আঁহতৰ তলত এক উন্নয়নমূলক প্ৰকল্পৰ কাম কাজ চলাৰ সম্ভাৱনা বৃদ্ধি পাইছে। চতিয়াৰ গৌৰৱ এই মাধুৰী আঁহতৰ তলৰ মুকলি বিহু মেলাখনে অসমৰ বিভিন্ন দিশ উজ্জ্বল নক্ষত্ৰলৈ নিবলৈ চেষ্টা কৰিছে। মই আশাবাদী যে চতিয়াৰ নৱপ্ৰজন্মই যাতে মাধুৰী আঁহতৰ তলৰ মুকলি বিহু মেলাখন প্ৰতিবছৰে অনুষ্ঠিত কৰি আহে আৰু প্ৰত্যেকটো বছৰতে কৰা তেওঁলোকৰ কষ্টসমূহ বাস্তৱ সন্মত ৰূপ পাওঁক তাৰে কামনা কৰিলোঁ। আহঁক সকলোৱে মিলি সহযোগীতা আগবঢ়াই লৈ গৈ চতিয়াৰ মুকলি বিহু মঞ্চখন এক উজ্জ্বল নক্ষত্ৰলৈ লৈ যাওঁ আৰু চতিয়া খন এক ঐতিহাসিক অঞ্চল হিচাপে স্বীকৃতিৰ বাবে নতুন নতুন পদক্ষেপ গ্ৰহণ কৰোঁ।

।। জয়তু মাধুৰী আঁহতৰ তল ।।

।। জয়তু চতিয়া ।।



# শাক

■ হিমাংশু পাঠক

দেওবাৰ বুলি কিমান যে পৰিকল্পনা থাকে ঘৰবোৰত। বিশেষকৈ মহিলাসকলৰ। চুলিত তেল লগাই চেম্পু কৰা, হেনা কৰা, চুলিত ক'লা ৰং সনা, ফেইচ পেক কৰা, হাত আৰু ভৰিৰ আঙুলিৰ নখত ৰঙীন নেইল প'লিচ লগাই নিজক যতনাই ৰখা সুযোগৰ যেন সুবৰ্ণময় দিন দেওবাৰ। যতীন হাজৰিকাৰ পত্নী নমিতা আৰু জীয়েক ভাস্বতীয়ে ঘৰখনত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰিছে। জেতুকাৰ পাতৰ টোপোলাটো বিচাৰি পোৱা নাই। সেয়েহে ঘৰৰ অইন সকলো কাম বন্ধ। খোৱা-লোৱা, আনকি যতীন হাজৰিকাই জীয়েকেক কেইবাবাৰো দুপৰীয়াৰ ভাত সাজি দিয়াৰ বাবে কৈয়েই আছে। হাজৰিকাই দুপৰীয়াৰ ভাত এক বজাৰ আগতে খায়।

"হে ৰা, ভাত নিদিয়া কিয়? চাৰে বাৰ বাজি গ'ল। ঘৰি চাইছা নে নাই ? জেতুকাৰ পাত ক'ত থৈছাঁঞ্জ সেয়াই যদি মনত ৰাখিব তোমালোকে জেতুকা নিদিলেও হ'ব। যোৱা যোৱা, ভাত সাজা।"

"যেতিয়ালৈকে জেতুকাৰ পাত বিচাৰি নাপাওঁ আপোনাকো ভাত নিদিওঁ। সময়মতে ভাত খাব খোজে যদি বেগেতে জেতুকাৰ পাতৰ টোপোলাটো বিচাৰি দিয়ক।"

"কি জেতুকাৰ পাত বিচাৰি দিম? ব্লেক মেইল কৰিব আহিছা?"

"ব্লেক মেইল কৰা নাই। গাড়ীৰ পৰা টোপোলাবোৰ আপুনিয়েই নমাই আনিছে। গতিকে ক'ত ৰাখিছে সেয়া আপুনিয়েই ভালকৈ ক'ব পাৰিব। কওক ক'ত থৈছে ?'নে পেলাই দিলে?

পৰিয়ালসহ চহৰত বাস কৰিলেও বৰুৱাই শিপাৰ সৈতে পৰিয়ালক সংযুক্ত কৰি ৰাখিছে। মাহেকত এবাৰ বা দুবাৰ গাঁৱৰ ঘৰলৈ যায়েই। গাঁৱৰ ঘৰত গৈ যি প্ৰশান্তি বৰুৱাই পায় সেয়া চহৰৰ যান্ত্ৰিক জীৱনে দিব নোৱাৰে। চহৰীয়া ব্যস্ততাই মানুহজনক ভাগৰুৱা কৰি তোলে সেয়ে শিপা এৰি দিব নোখোজে। অখিল বৰুৱা অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ এজন অভিযন্তা। পত্নী নমিতা আৰু জীয়েক বন্দিতাও গাঁঞ্জওৰ ঘৰখনলৈ গৈ খুব আনন্দ উপভোগ কৰে। বন্দিতায়ো খুড়াকৰ ল'ৰা-ছোৱালীবোৰক লগ পায় আৰু সময়বোৰ খুব আনন্দেৰে পাৰ কৰে। উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰী বন্দিতা। খুড়ীয়েকে ৰন্ধা বঢ়া কৰাও শিকায়। বন্দিতাই খুড়ীয়েকে শিকোৱা ৰন্ধা-বঢ়া, তাতত কাপোৰ বোৱা কামবোৰ খুৱ আনন্দ মনেৰে উপভোগ কৰে আৰু গাঁঞ্জওৰ ঘৰখনে তাইক উমাল কৰি ৰাখে। বন্দিতা আৰু খুড়ীয়েকৰ এই বান্ধোনে পৰিয়ালটোত এক এৰাব নোৱাৰা আকৰ্ষণ হৈ থাকে।
গাঁৱৰ ঘৰলৈ গ'লেই বাৰীত হোৱা বিবিধ শাক-পাচলি গাড়ীৰ ডিকিত ভৰাই দিয়াটো নিয়ম।

"হে ৰা নিদিয়া কিয় মোৰ জেতুকাৰ পাত কেইটা। আজি দেওবাৰে লগাম বুলিয়েই গাঁঞ্জওৰ ঘৰৰ পৰা আনিলোঁ। নমিতাৰ লাহে লাহে খং উঠিবলৈ ধৰিলে আৰু ৰাতিপুৱাৰ সময়খিনি যিমানে দুপৰীয়াৰ ফালে আগবাঢ়িছে সিমানেই নমিতাৰ খং বাঢ়িবলৈ ধৰিলে। আনফালে অখিল বৰুৱাই আত্মতুষ্টিত বিভোৰ হৈ আছে। বন্দিতাই আজি শাক ৰান্ধিছে। যোৱাবাৰ ঘৰলৈ যাওঁতে খুড়ীয়েকে শাক কুটিবলৈ আৰু ৰান্ধিবলৈ শিকাইছিল। সেয়ে আজিৰ স্পেচ্যল ৰৌ মাছৰ মুৰেৰে ৰন্ধা শাক ভাজি।

"তামাম হ'ব খাবলৈ। তৰুলতাই দি পঠোৱা খুতুৰা শাক মাছৰ মুৰেৰে ৰান্ধি আছে।" অখিল বৰুৱাই জীয়েকৰ গুণ মনৰ ভিতৰতেই গাই আছে।

জেতুকাৰ পাত অনা টোপোলা বিচাৰি নমিতা ভাগৰি গ'ল। কিন্তু জেতুকাৰ পাতৰ টোপোলাটো বিচাৰি নাপালে।

"দেউতা, মোৰ শাক ৰন্ধা হৈ গ'ল। মই হ'লে টেষ্ট কৰা নাই দেই। আফ্‌তাৰ অল আই এম অ ক্লাচিক কুক নাও।" বন্দিতাই চিঞৰি চিঞৰি ঘৰ ৰজনজনাই দিলে।

"মা, ও মা, তুমি চুলিত জেতুকা সানিলা নেকি? সনা নাই যদি সোণকাল কৰা। তোমাৰ মাছৰ আঞ্জা ৰান্ধিবলৈ বাকী আছে। মই পাকঘৰৰ পৰা ওলালোঁ আৰু অলপ মান সময়ৰ বাবে পাৰ্লাৰ গৈ আহোঁ, থ্ৰেডিং কৰোঁ।"

নমিতাই বৰুৱাৰ জেতুকাৰ পাতৰ পেকেটটো এৰি অহা বুলি খং কৰি গা ধুই মাছৰ আঞ্জাখন ৰান্ধিলে। দেওবাৰে ঘৰৰ কামৰ সংখ্যা বেছি। সেয়ে দুপৰীয়াৰ ভাত খাওতে খাওতে প্ৰায় তিনি মানেই বাজে।

"দেউতা, মা আহা ভাত সাজিছোঁ।" বন্দিতাৰ চিঞৰত আহি দেউতাক মাক ডাইনিং টেবুলত ভাত খাবলৈ বহিল। আমাৰ প্ৰায় সকলো মানুহেই শাকেৰে ভাত সানি শুকানকৈ খাই ভাল পায়। তাৰ পিছতহে অন্য আঞ্জাৰে ভাত খোৱা কাৰ্যটো আগবাঢ়ে।

" মাজনী, তুমি ৰন্ধা শাকেৰেই আজিৰ জুতি আৰম্ভ কৰোঁ? নে কি কোৱা?" বৰুৱাই ঘৈণীয়েকৰ ফালে তলমুৱাকৈ চাই খঙৰ প্ৰকোপৰ উমান ল'বলৈ চেষ্টা কৰিলে।

"উহ কি শাক এইখন ? তিতা নে কেহা একো ধৰিব নোৱাৰি। জিভাখন কিবা বিকটাই গৈছে। হে ৰা খাই চোৱাচোন খাই চোৱা।" বৰুৱাই তীব্ৰ অসন্তুষ্টিৰে ঘৈণীয়েকক ক'লে।

নমিতাই হাতেৰে শাকখিনি উঠাই শুঙি চালে। মাছৰ মুৰ ভাঙি ভাজি দিয়া বাবে গোন্ধটো ভালেই ওলাইছে। হ'লেও মুখত দিবলৈ সন্দেহ কৰি হাতত শাকখিনি পুনৰ ঠালত থৈ দিলে। মনতে ভাৱিলে আঙুলি লাগি থকা শাকখিনি টেষ্ট কৰি চাম বুলি ভাৱোতেই দেখে যে আঙুলিৰ আগবোৰ জেতুকাবুলীয়া ৰঙা হৈ পৰিছে।

"ও খা শাকভাজি। এইজনীয়ে শাক ভাজিবলৈহে শিকি আহিলে। শাক যে চিনিও পাব লাগে সেইটো শিকিবলৈ নোৱাৰিলি? খুতুৰা শাক বুলি জেতুকাৰ পাতখিনিহে ভাজিলি।

# চিন্তা শক্তিক কৰ্মলৈ ৰূপান্তৰিত কৰাৰ প্ৰক্ৰিয়া

■ নন্দেশ্বৰ মিলি

মানুহ হৈছে চিন্তাশীল জীৱ। পৃথিৱীৰ আন জীৱ-জন্তুৰ তুলনাত মানুহক 'জীৱশ্ৰেষ্ঠ' বুলি কোৱাৰ মূল কাৰণেই হৈছে—তেওঁৰ চিন্তা কৰাৰ ক্ষমতা। মানুহে কেৱল বাচি থকাৰ বাবেই জীৱন-যাপন নকৰে, তেওঁ চিন্তা কৰে, বিশ্লেষণ কৰে, নতুন পথ বিচাৰে আৰু নিজৰ লক্ষ্য পূৰণৰ বাবে কৰ্মত আত্মনিয়োগ কৰে। সেয়েহে কোৱা হয়—'চিন্তাই মানুহক মহান কৰে, কিন্তু কৰ্মই সেই মহানতাক বাস্তৱ ৰূপ দিয়ে।'

চিন্তা শক্তি হৈছে মানুহৰ অন্তৰৰ সৃষ্টিশীল শক্তি। এই শক্তিয়ে মানুহক নতুন ধাৰণা, নতুন কল্পনা আৰু নতুন উদ্ভাৱনৰ পথ দেখুৱায়। চিন্তা শক্তিয়ে মানুহক বিভিন্ন দিশত ন-ৰূপত আগবাঢ়ি যাবলৈ উদ্‌গনি যোগায়। মানুহে অকল এটা বাট বা পথকে খামুচি ধৰি বহি থকা জীৱ নহয়, তেওঁলোকে বিভিন্ন পৰিস্থিতিত নিজকে খাপ খুৱাই ল'বলৈ বা সমস্যাৰ সমাধান কৰিবলৈ নেৰানেপেৰা প্ৰচেষ্টাত লাগি থাকে। কিন্তু কেৱল চিন্তা কৰিলেই সফলতা নাহে। চিন্তাক যদি কৰ্মলৈ ৰূপান্তৰিত কৰিব নোৱাৰি, তেন্তে সেই চিন্তা কেৱল কল্পনাতেই সীমাবদ্ধ হৈ থাকে। সেয়েহে চিন্তা শক্তিক সঠিক কৰ্মত পৰিণত কৰাটোৱেই হৈছে সফল জীৱনৰ মূল চাবিকাঠি। প্ৰথমে, মানুহৰ মনত কোনো লক্ষ্য বা উদ্দেশ্য জন্ম লয়। এই লক্ষ্যই চিন্তাৰ আৰম্ভণি কৰে। উদাহৰণস্বৰূপে, এজন শিক্ষাৰ্থীয়ে যদি সমাজত এজন সফল চিকিৎসক, শিক্ষক, বিজ্ঞানী বা সমাজসেৱক হোৱাৰ সপোন দেখে, তেন্তে সেই সপোনেই তেওঁৰ চিন্তাৰ ভিত্তি গঢ়ি তোলে। কিন্তু কেৱল সপোন দেখিলে সফলতা নাহে। সেই লক্ষ্য পূৰণৰ বাবে অধ্যৱসায়, সময় ব্যৱস্থাপনা, নিয়মীয়া অধ্যয়ন আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন হয়। অৰ্থাৎ চিন্তাই যাত্ৰাৰ আৰম্ভণি কৰে, কিন্তু কৰ্মই সেই যাত্ৰাক সফলতাৰ গন্তব্যত উপনীত কৰে।

চিন্তা শক্তিক কৰ্মলৈ ৰূপান্তৰিত কৰাৰ বাবে আত্মবিশ্বাস এক অতি গুৰুত্বপূৰ্ণ উপাদান। যিজনৰ নিজৰ ওপৰত বিশ্বাস থাকে, তেওঁ নিজৰ চিন্তাক বাস্তৱত ৰূপ দিবলৈ সাহস পায়। ইতিহাসত বহু মহান ব্যক্তি আছে, যিসকলে নিজৰ চিন্তাক কৰ্মৰ জৰিয়তে বিশ্ববাসীৰ আগত উদাহৰণ হিচাপে প্ৰতিষ্ঠা কৰিছে। থমাছ আলভা এডিছনে বৈদ্যুতিক বাল্ব উদ্ভাৱনৰ আগতে হাজাৰবাৰ বিফল হৈছিল। কিন্তু তেওঁৰ চিন্তা আৰু অধ্যৱসায় থমকি যোৱা নাছিল। ফলস্বৰূপে তেওঁৰ কৰ্মই সমগ্ৰ বিশ্বক আলোকিত কৰিলে। একেদৰে মহাত্মা গান্ধীৰ অহিংসাৰ চিন্তাধাৰাই কৰ্মৰ ৰূপ লৈ ভাৰতৰ স্বাধীনতা আন্দোলনক নতুন দিশ দিছিল।

চিন্তা শক্তিক কৰ্মলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত শৃংখলা আৰু অধ্যৱসায়ৰো বিশেষ ভূমিকা আছে। বহু মানুহে ভাল চিন্তা কৰে, কিন্তু অলসতা, ভয় বা আত্মবিশ্বাসৰ অভাৱৰ বাবে সেই চিন্তাক বাস্তৱত ৰূপ দিব নোৱাৰে। ফলত বহু সম্ভাৱনা অপূৰ্ণ হৈ থাকে। সেয়েহে সফলতা লাভ কৰিবলৈ হ'লে চিন্তাৰ সৈতে নিয়মীয়া কৰ্ম, অধ্যৱসায় আৰু ধৈৰ্যৰ সমন্বয় অতি প্ৰয়োজন। 'আজিৰ কাম কালিলৈকে পেলাই নথ'বা'—এই নীতিয়ে মানুহক কৰ্মমুখী জীৱন গঢ়িবলৈ সহায় কৰে।

চিন্তা শক্তিক কৰ্মলৈ ৰূপান্তৰিত কৰাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে—সঠিক পৰিকল্পনা। যিকোনো কাম আৰম্ভ কৰাৰ আগতে যদি সুস্পষ্ট পৰিকল্পনা কৰা হয়, তেন্তে সেই কাম সফল হোৱাৰ সম্ভাৱনা



বৃদ্ধি পায়। এজন কৃষকে যেনেকৈ বীজ সিঁচাৰ আগতে মাটি প্ৰস্তুত কৰে, ঠিক তেনেদৰে মানুহেও নিজৰ লক্ষ্য পূৰণৰ আগতে চিন্তাক সুসংগঠিত কৰি কৰ্মপদ্ধতি তৈয়াৰ কৰিব লাগে। পৰিকল্পনা নাথাকিলে বহু সময়ত মানুহ বিভ্ৰান্ত হয় আৰু লক্ষ্যৰ পৰা আঁতৰি যায়।

আধুনিক যুগত বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, শিল্প—প্ৰতিটো ক্ষেত্ৰতেই চিন্তা শক্তিৰ ভূমিকা অপৰিসীম। এজন বিজ্ঞানীয়ে নতুন উদ্ভাৱনৰ কথা ভাবে, এজন সাহিত্যিকে সমাজৰ বাস্তৱতাক শব্দৰ ৰূপ দিয়ে, এজন শিল্পীয়ে কল্পনাক ছবিত প্ৰকাশ কৰে। এই সকলো ক্ষেত্ৰতেই চিন্তাই কৰ্মৰ ৰূপ লৈ সমাজক আগবঢ়াই নিয়ে। সেয়েহে চিন্তা হৈছে উন্নয়নৰ বীজ আৰু কৰ্ম হৈছে সেই বীজৰ ফলধৰা গছ।

আজিৰ ডিজিটেল যুগত যুৱসমাজৰ মাজত অসংখ্য সৃষ্টিশীল চিন্তা জন্ম লৈছে। বহু যুৱকে নতুন উদ্যোগ, অনলাইন শিক্ষা, বিজ্ঞান-প্ৰযুক্তি, সমাজসেৱা আদিৰ জৰিয়তে নিজৰ চিন্তাক বাস্তৱ ৰূপ দিবলৈ চেষ্টা কৰিছে। কোনোবাই মোবাইল এপ তৈয়াৰ কৰিছে, কোনোবাই অনলাইনৰ ব্যৱসায় আৰম্ভ কৰিছে, আন কোনোবাই সমাজৰ দুৰ্বল লোকসকলৰ সহায়ৰ বাবে স্বেচ্ছাসেৱী কামত জড়িত হৈছে। এইবোৰেই দেখুৱায় যে ইতিবাচক চিন্তাক যদি কৰ্মলৈ ৰূপান্তৰিত কৰা যায়, তেন্তে ব্যক্তি আৰু সমাজ দুয়োটাই লাভান্বিত হয়।

সামাজিক ক্ষেত্ৰতো চিন্তা শক্তিক কৰ্মলৈ ৰূপান্তৰিত কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। সমাজৰ দৰিদ্ৰতা, নিৰক্ষৰতা, নিবনুৱা সমস্যা, কুসংস্কাৰ, নিচাজাতীয় সামগ্ৰীৰ অপব্যৱহাৰ আদি সমস্যাবোৰৰ সমাধানৰ বাবে কেৱল আলোচনাই যথেষ্ট নহয়, বাস্তৱ পদক্ষেপৰো প্ৰয়োজন। যুৱসমাজে যদি ইতিবাচক চিন্তাক সমাজসেৱামূলক কৰ্মত ৰূপান্তৰিত কৰে, তেন্তে সমাজত ইতিবাচক পৰিৱৰ্তন সম্ভৱ। বিদ্যালয় স্থাপন, গছ পুলি ৰোপণ অভিযান, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান, শিক্ষা সচেতনতা কাৰ্যসূচী আদি সমাজকল্যাণমূলক কামবোৰ চিন্তাক কৰ্মলৈ ৰূপান্তৰিত কৰাৰ সুন্দৰ উদাহৰণ। তদুপৰি, ব্যৰ্থতাক ভয় নকৰাটোও অত্যন্ত জৰুৰী। বহু সময়ত মানুহে প্ৰথম প্ৰচেষ্টাত সফল নহয়। কিন্তু ব্যৰ্থতা মানেই শেষ নহয়, ই হৈছে সফলতাৰ নতুন শিক্ষা। যিজনে ব্যৰ্থতাৰ পৰা শিক্ষা লৈ পুনৰ চেষ্টা কৰে, সেইজনেই জীৱনত আগবাঢ়ি যায়। নদীৰ সোঁতে যেনেকৈ বাধা অতিক্ৰম কৰি আগবাঢ়ে, তেনেদৰে দৃঢ় মনোবল থকা মানুহেও সমস্যাক জয় কৰি নিজৰ লক্ষ্যত উপনীত হয়। শিক্ষাইও চিন্তা শক্তিক কৰ্মলৈ ৰূপান্তৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষাই মানুহৰ জ্ঞান বৃদ্ধি কৰে, যুক্তিবোধ জাগ্ৰত কৰে আৰু সঠিক-ভুল বিচাৰ কৰাৰ ক্ষমতা দিয়ে। শিক্ষিত মানুহে নিজৰ চিন্তাক অধিক সুসংগঠিতভাৱে সমাজৰ মংগলৰ বাবে ব্যৱহাৰ কৰিব পাৰে। সেয়েহে শিক্ষা হৈছে চিন্তা আৰু কৰ্মৰ মাজত সেতুবন্ধন গঢ়া এক শক্তিশালী মাধ্যম।

শেষত ক'ব পাৰি যে চিন্তা শক্তি মানুহৰ জীৱনৰ এক অমূল্য সম্পদ। কিন্তু সেই চিন্তাক যদি কৰ্মৰ ৰূপ দিয়া নহয়, তেন্তে তাৰ কোনো বাস্তৱ মূল্য নাথাকে। সফলতা, উন্নতি আৰু সমাজ গঠনৰ মূল ভিত্তি হৈছে চিন্তা আৰু কৰ্মৰ সমন্বয়। সেয়েহে প্ৰতিজন মানুহে ইতিবাচক চিন্তা গঢ়ি তুলি সেই চিন্তাক বাস্তৱ কৰ্মত ৰূপান্তৰিত কৰাৰ চেষ্টা কৰিব লাগে। তেতিয়াহে ব্যক্তি জীৱন, সমাজ আৰু জাতি সকলো ক্ষেত্ৰতে উন্নতি, শান্তি আৰু সফলতাৰ নতুন দিগন্ত উন্মোচিত হ'ব।

*ফোন ঃ ৮৬৩৮৮-৮১৯৫৩*

# বৈধব্য জীৱন সমাজৰ বাবে অমংগলজনক নেকি ?

■ ৰঞ্জিত শইকীয়া

ভাৰতীয় সভ্যতা-সংস্কৃতিত নাৰীৰ মৰ্যাদাক উচ্চ আসন দিয়া হৈছিল। ইতিহাসত পুৰুষৰ সমান্তৰালকৈ নাৰীয়েও বিভিন্ন ক্ষেত্ৰত অগ্ৰস্থান লোৱা অনেক দৃষ্টান্ত বিদ্যমান। অসমীয়া সমাজ-সংস্কৃতিতো নাৰীয়ে অতীজৰে পৰা বৰণীয় স্থান অধিকাৰ কৰি আহিছে। আধুনিক বিশ্বতো বিভিন্ন ক্ষেত্ৰত নাৰী-পুৰুষৰ প্ৰভেদ একেবাৰে নোহোৱা হৈ পৰিছে। আনকি বহু ক্ষেত্ৰত নাৰীৰ স্থান আৰু অৱদান পুৰুষৰ তুলনাত বহু ঈৰ্ষণীয়। ক্ৰীড়া, ৰাজনীতিৰ পৰা মহাকাশলৈকে নাৰীশক্তিৰ অপ্ৰতিৰোধ্য যাত্ৰাই অনন্য অভিলেখ গঢ়িছে। আনহাতে, সাংসাৰিক জীৱনত নাৰীৰ ত্যাগ আৰু অৱদান অসাধাৰণ। সন্তান এটি গৰ্ভত ধাৰণ কৰাৰ পৰা সন্তানটিৰ স্বাস্থ্য, শিক্ষা-দীক্ষাৰে সুশিক্ষিত কৰি সমাজত সু-প্ৰতিষ্ঠিত হোৱালৈকে নাৰী এগৰাকীয়ে যিমানখিনি ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীয়া হয় সেয়া ভাষাৰে বৰ্ণনাতীত। গৃহ এখনৰ মূল চালিকাশক্তিস্বৰূপ নাৰী এগৰাকীয়ে বহু সময়ত সন্তান-পৰিয়ালৰ স্বাৰ্থতে নিজৰ শৰীৰ-মনৰ সুখ-সৌন্দৰ্যও পৰিত্যাগ কৰিবলগীয়া হয়। কিন্তু আশ্চৰ্যকৰ কথাটো হ'ল নাৰী এগৰাকীৰ জীৱনৰ এই সৰ্বোচ্চ ত্যাগ আৰু অৱদানক যেন আজিও পুৰুষৰ মাধ্যমেৰে পৰিমাপ কৰি অৱমাননা কৰা হয়। এগৰাকী বিবাহিত নাৰীয়ে দুৰ্ভাগ্যজনকভাৱে স্বামীক হেৰুওৱাৰ পিছত যেন তেওঁৰ মান্যতা আৰু পৱিত্ৰতা নোহোৱা হৈ যায়। স্বামীহাৰা হোৱাৰ বাবেই সমাজৰ বহু ক্ষেত্ৰত প্ৰাপ্য মৰ্যাদাৰ পৰা বঞ্চিত হ'বলগীয়া হয় বিধৱা নাৰী এগৰাকী। যিগৰাকী নাৰীয়ে যিজন সন্তানৰ প্ৰতিপালনৰ বাবেই নিজৰ জীৱনৰ সৰ্বস্ব ত্যাগ কৰিবলগীয়া হয় সেইগৰাকী নাৰীয়ে স্বামীৰ বিয়োগৰ বাবেই নিজৰ সন্তানগৰাকীৰ বিবাহৰ দৰে মাংগলিক অনুষ্ঠানসমূহত অগ্ৰস্থান লোৱাত বহু ক্ষেত্ৰত বাৰণ কৰাৰ দৰে অতি অমানৱীয় পৰম্পৰা আজিও অসমীয়া সমাজত বিদ্যমান। এনে ধৰণৰ অত্যন্ত বৈষম্যমূলক পৰম্পৰা আধুনিক চিন্তাৰে সমৃদ্ধ সমাজত অনুসৰণ কৰা উচিতনে? প্ৰকৃতিৰ নিয়ম অনুসৰি আমাৰ সকলোৰে মৃত্যু অৱশ্যম্ভাৱী। সেয়েহে স্বামীৰ বিয়োগৰ বাবেই নাৰী এগৰাকীক সমাজৰ মাংগলিক অনুষ্ঠানসমূহত অংশগ্ৰহণৰ পৰা বঞ্চিত কৰাৰ দৰে চৰম অমানৱীয় পৰম্পৰাবোৰ পৰিত্যাগ কৰাৰ সময় সমাগত। আনহাতে, স্বামীৰ বিয়োগৰ পিছত নাৰী এগৰাকীক কেৱল বগা সাজৰ মাজত আবদ্ধ হৈ থাকিবলৈ দিয়া ৰীতিটোও আমাৰ দৃষ্টিৰে গ্ৰহণযোগ্য নহয়। স্বামীৰ প্ৰতি প্ৰকৃত ভক্তি হৃদয়তহে থাকে। পোছাকত নহয়। কম বয়সতে স্বামীক হেৰুৱাবলগীয়া হোৱা নাৰী এগৰাকীয়ে স্বাভাৱিকতে বহু ক্ষেত্ৰত সন্তুলন ৰক্ষা কৰাটো জটিল হৈ পৰে। তাতে আকৌ ওৰেটো জীৱন কেৱল বগা সাজৰ মাজত আবদ্ধ কৰি ৰাখি নাৰীগৰাকীৰ যন্ত্ৰণাক অধিক গভীৰ আৰু স্থায়ী হৈ থাকিবলৈ দিয়াটো কিমানদূৰ বাৰু ন্যায়সংগত? ঊনবিংশ শতিকাতে ব্ৰিটিছ ভাইচৰয় উইলিয়াম বেণ্টিংকে ভাৰতবৰ্ষত বাল্যবিবাহ, সতীদাহ প্ৰথা বৰ্জনৰ বাবে উদ্যোগ লৈ আধুনিক চিন্তাধাৰাৰ আহবান জনাইছিল। কিন্তু আজিৰ উত্তৰ আধুনিক যুগতো নাৰীৰ ক্ষেত্ৰত অনেক বৈষম্যমূলক আৰু অমানৱীয় ৰীতি-নীতি আৰোপিত হৈ থকাটো নিশ্চয়কৈ যুগোপযোগী নহয়। যিখন সমাজত পত্নী এগৰাকীৰ বিয়োগ হোৱাৰ পিছত স্বামীগৰাকীৰ পোছাক-পৰিচ্ছদ অথবা সামাজিক ৰীতি-নীতিৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তনৰ পৰম্পৰা পৰিলক্ষিত নহয় তেনে ক্ষেত্ৰত একেখন সমাজতে স্বামীৰ বিয়োগৰ বাবেই দুৰ্ভগীয়া নাৰী এগৰাকীৰ ক্ষেত্ৰত অমানৱীয় পৰম্পৰা কিছুমান অনুসৰণ কৰাটোও সমীচীন নহয়। তদ্ৰূপ বিবাহিত নাৰী এগৰাকীয়ে পৰিধান কৰা শিৰৰ পৱিত্ৰ সেন্দুৰকণো বিবাহিতা নাৰীৰে প্ৰতীক হোৱা উচিত। কেৱল সধৱা মহিলাৰ বাবেহে সেন্দূৰ পৰিধান কৰাৰ পৰম্পৰাও পৰিৱৰ্তন হোৱাটো বাঞ্ছনীয়। জ্ঞানপীঠ বঁটা বিজয়িনী মহীয়সী নাৰী মামণি ৰয়ছম গোস্বামীয়ে স্বামীৰ বিয়োগৰ পিছতো স্বামীৰ আহ্বানক্ৰমে সেন্দূৰ পৰিধান কৰিছিল। একেদৰে আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সুযোগ্য পত্নী গৰিমা শইকীয়া গাৰ্গেও স্বামীৰ অকাল বিয়োগৰ পিছতো সেন্দূৰ পৰিধান কৰি এক সাহসী আৰু আদৰণীয় পৰম্পৰাগত নিদৰ্শন দাঙি ধৰিছে। একবিংশ শতিকাৰ আধুনিক চিন্তাধাৰাৰ যুগত ভাৰতীয় তথা অসমীয়া সভ্যতা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধশীল হৈয়ো কেতবোৰ বৈষম্যমূলক সামাজিক ৰীতি-নীতিৰ ক্ষেত্ৰত মানৱীয় সংস্কাৰৰ প্ৰয়োজন হৈ পৰিছে।

*ফোন ঃ ৮৬৩৮৩-৮৮৫০১*

# সোণাৰুৰ সোণ-হালধীয়া পুৰা-আবেলিৰ...

■ স্মৃতিৰেখা গগৈ



শীত আৰু বসন্তৰ শেষত এতিয়া যে বাৰিষাৰ সময়। কাচিয়লি ৰ'দে সোণাৰুক আদৰাৰ সময়। চৌপাশে এতিয়া মাথোঁ হালধীয়াৰ আভাস। সেউজীয়া ৰিহা আৰু হালধীয়া বুটাৰে বতাহত দোলে হালধীয়া থোক, যেন চঞ্চল গাভৰুৰ কাণৰহে দোল। হালি জালি মৃদু বতাহত সোণাৰুৰ হালধীয়া ৰং সানি প্ৰকৃতিও আজি ৰঙীন। প্ৰকৃতিত চলিছে এতিয়া সোণাৰুৰ মেলা, চলিছে হালধীয়া প্ৰেমৰ কাব্যগাথা। সোণাৰুৰ স'তে এই প্ৰেমৰ বসন্তও বতাহত এক হৈ মিলি উৰি যায় সোণাৰুৰ হালধীয়া আবিৰত। সোণাৰুৰে এআকাশ সেউজীয়া সুৰভিৰে উপচাই থৈ যায় হৃদয়ৰ নিৰন্তৰ পৰিসীমা।

এজাক বৰষুণৰ পৰশত জীপাল হৈ পৰা মোৰ ল'ৰালিৰ নঙলামুখৰ সোণাৰুজোপা। জীপাল হৈ পৰে সাচি থোৱা সোণোৱালী সপোনৰ গাথা। আবেলিৰ মতলীয়া বতাহজাকত উৰি আহে সোণাৰু ফুলিয়া মিঠা গোন্ধ। হাজাৰটা সোণাৰু ফুলত প্ৰস্ফুটিত হয় মোৰ হাজাৰটা স্বপ্ন। এই চহৰৰ অবকাশ বিহিন গধুলিবোৰত একোঠালি এন্ধাৰ উদ্‌যাপিত হয় ভাগৰুৱা হুমুনিয়াহবোৰৰ স'তে, নিচা লগা হালধীয়া ফুলবোৰৰ সতে ভেৰ দুপৰীয়া সূৰ্যৰ প্ৰখৰ ৰ'দত সোণাৰুবোৰ গলিছে, জুই জ্বলিছে হালধীয়া জুই। ৰক্তাক্ত বুকুৰ জুই। সেউজীয়া পাতত বচা হালধীয়া হালধীয়া। তাৰে কিছু মুঠি মুঠিকৈ হালধীয়াবোৰ চটিয়াই নিজকে সুখী কৰাৰ সপোন ৰচোঁ।

গ্ৰীষ্ম-বৰ্ষাৰ স্পৰ্শধন্য হৈ নামি অহা সেউজ প্ৰতিশ্ৰুতিক সাৰথি কৰি মোৰ বুকুতো সোণাৰু ফুলে। মৰমত সি লহপহকৈ বাঢ়ে আৰু অভিমানত হৃদয়ৰ ভাগৰটোৱাৰা কৰে। বিশ্বাসৰ টোপোলা এটা কঢ়িয়াই মেলি দিয়ে এখন সোণোৱালী আচল। সেউজীয়াৰ মাজত বুটা বচা হালধীয়া, নাম যাৰ সোণাৰু। হালধীয়া সৰাপাত, শুকান বতাহত চৰাইৰ পাখি হৈ উৰি পৰে লঠঙা ডালত। দুপৰৰ কপৌটিয়েও ৰুণ দিয়ে হেপেহুৱা জীৱনৰ মাদকতাত। জীৱনে কোঁহমেলে সেউজীয়া কুহিঁপাতৰ আৰে আৰে। জনশ্ৰুতিবোৰৰ হাতত হাত ধৰি বহি পৰিছো সোণাৰুজোপাৰ তলত, বা লৈছো দেহত, মনৰ অশান্ত ভাব দূৰ কৰিবৰ। সোঁৱৰণীবোৰে যে আচল টানি ধৰে। স্মৃতিবোৰে শূল হৈ বিন্ধে।

সোণাৰুৰ হালধীয়াই আমাক এবাৰলৈ হ'লেও হালধীয়া হ'বলৈ শিকাই। সেয়ে কিজানি প্ৰেমৰ ৰঙচুৱাবোৰ সময়ৰ সোঁতত হালধীয়া বসন পিন্ধিও মানুহৰ মন ৰঙীয়াল হয়। হালধীয়াৰ মেলাত ভ্ৰমি ফুৰে প্ৰকৃতিৰ সোণালী হাঁহিৰ ছবি। ফুল হালধীয়াই আমাক শিকাই যায় জীৱনলে পোহৰ সকলো সময়তে দেখুৱাই নাহে কেতিয়াবা ই নিৰবেও সৌন্দৰ্য প্ৰদান কৰি জীৱনক অধিক সাহসী কৰি তুলে। নিঃশব্দে সৰু সৰু সুখবোৰে আমাৰ মন পথাৰ শান্ত কৰি তোলে।

*ফোন ঃ ৭০৮৬০-৫৬৪০০*

# এজাৰ ফুলা বতৰৰ প্ৰকৃতি আৰু ৰূপ

■ হৃদয় ডেকা

প্ৰকৃতিয়ে কাৰো বাধা নামানে। প্ৰকৃতিয়ে অপ্ৰতিৰোধ্যভাবে নিজৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখে। ঋতু পৰিবৰ্তনৰ লগে লগে প্ৰকৃতিয়ে নিজা তুলিকাৰে নানা ৰঙীন ছবি আঁকি সুকোমল হৃদয়বোৰ কেতিয়াবা সুখেৰে কেতিয়াবা বেজাৰেৰে আৱৰি পেলাই। কুলি-কেতেকীৰ শুৱলা গীতত, ঢোলৰ চাপৰত, পেপাৰ লহৰত, নাচনীৰ কোমল হাতৰ জেতুকাৰ পৰশত, কপৌ, নাহৰ, তগৰ ফুলৰ সুবাসত প্ৰকৃতিয়ে নতুন ৰূপ লৈ বসন্তক আদৰিলে আৰু গুচি গ'ল। থাকি গ'ল মাথোন কিছুমান উম সনা স্মৃতি। গ্ৰীষ্ম ঋতুৰ আগমনৰ লগে লগে প্ৰকৃতিয়ে সংগোপনে নতুন সাজেৰে এজাৰ, কৃষ্ণচূড়া, ৰাধাচূড়া আৰু সোণাৰুই গোলপীয়া, বেঙুনীয়া আৰু হালধীয়া শাৰী পিন্ধি প্ৰকৃতিৰ ৰূপ দুগুণ বঢ়াই পৃথিৱীক জাতিষ্কাৰ কৰি তুলিলে। এজাৰ, কৃষ্ণচূড়া আৰু ৰাধাচূড়াৰ বিনন্দীয়া ৰূপে কৃষকসকলক বাৰিষাৰ আগমনৰ জাননী দি মনটো বেজাৰেৰে উপচাই পেলালে। সেয়েহে চাগৈ অসমৰ বিখ্যাত গায়ক খগেন মহন্তই গান জুৰিছিল-

এজাৰ ফুলা দেখি
বেজাৰ কিয় কৰ,
কিয় মনে মাৰি থাক
মোৰ দেহি ঐ
আছেনে মোলৈ তোলৈ
যিটো মোৰ চিত ...

এই কালজয়ী গীত ফাঁকিয়ে সকলোৰে মনত এক সুকীয়া আৱেগ আৰু স্মৃতি জগাই তোলে। ধৰালৈ প্ৰথম বৰষুণ যাক নামি আহি ধৰণী জীপাল কৰি নানাৰঙী ফুল ফুলি নীলা আকাশখন বেঙুনীয়া আৰু গুলপীয়া কৰি পৃথিৱীৰ বিনন্দীয়া সৌন্দৰ্যই পশু-পক্ষী, জীৱ-জন্তু, মানুহ সকলোৰে মন-প্ৰাণ কাঢ়িছে এতিয়া... কিয়নো এয়া যে এজাৰ ফুলৰ বতৰ। চৌদিশে এতিয়া কেৱল ফুল আৰু ফুলৰ সুবাস বিয়পিছে। পখিলাই পাখি মেলি উলাহতে প্ৰাণ ঢালি নাচিছে। ভোমোৰা, মৌ-মাখিয়ে হেঁপাহ পলুৱাই গুণ-গুণাই মৌ পান কৰিছে। সেই সুবাসত বিভোৰ হৈ কবিৰ কাপৰ চিয়াঁহীৰে প্ৰাণ পাই উঠিছে নৱ-নৱ সৃষ্টিৰ সফুঁৰা। প্ৰাণৰ শিল্পী গৰাকীয়েও নিজৰ তুলিকাৰে প্ৰাণ ঢালি আঁকিছে এজাৰ, কৃষ্ণচূড়াৰ হাঁহিৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্য। গীতিকাৰে মনৰ বেজাৰত মনৰ অৱসাদ আঁতৰাবলৈ গীত ৰচনা কৰি গায়কক সুকোমল কণ্ঠৰে নিগৰাইছে এতিয়া এজাৰ, কৃষ্ণচূড়াৰ বেজাৰৰ কথা। প্ৰকৃতিপ্ৰেমীকো হালি-জালি নাচি ফুলি থকা এজাৰ-কৃষ্ণচূড়াৰ মনোমোহা দৃশ্যই হাত বাউলি মাতিছে। প্ৰেমিক-প্ৰেমিকাই হাতে হাত ধৰি কৃষ্ণচূড়াৰ তলত প্ৰাণ ঢালি সপোনৰ কথা পাতিছে। স্মৃতিবোৰ সজীৱ কৰি ৰাখিবলৈ সকলোৰে নামী-দামী ম'বাইলৰ কেমেৰাত আবদ্ধ কৰিছে এজাৰ, কৃষ্ণচূড়াৰ হাঁহি থকা প্ৰতিচ্ছবি অথবা ৰঙৰ লগত ৰং মিলাই উঠা ছেলফি। বাটৰ বাটৰুৱাই আকৌ মনৰ বেজাৰতে সৰি থকা এজাৰ, কৃষ্ণচূড়াৰ তলত ক্ষন্তেক অপেক্ষা কৰি সেই ফুলৰ সুবাসত সুবাসিত হৈ এপাহ-দুপাহকৈ বুটলিছে এজাৰ ফুলৰ পাহি আৰু সেই ফুলৰ অনাবিল প্ৰশান্তিয়ে দৃষ্টি আকৰ্ষণ কৰিছে সকলোৰে। আহকচোন আমিও সেই বিনন্দীয়া সৌন্দৰ্য উপভোগ কৰি প্ৰকৃতিৰ মাজত বিলীন হৈ যাওঁ...। ফোন ঃ ৯১০১৯-৫৭৫৭০

# ডিপ্ৰেছন আৰু যুৱ প্ৰজন্ম



■ জাহ্নৱী বৰা

আজিৰ যুৱ প্ৰজন্মৰ মাজত আমি সচৰাচৰ শুনিবলৈ পোৱা এটা বৰ বিশেষ শব্দ হৈছে 'ডিপ্ৰেছন' যাৰ চিকাৰ জ্ঞাত অথবা অজ্ঞাতভাবে বহু লোক হৈ আহিছে। বিশেষকৈ আজিৰ যুৱ প্ৰজন্মৰ এই বিশেষ শব্দটোৰ সৈতে সম্পৰ্ক দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ মূলতে হৈছে মানসিক স্বাস্থ্য। আমি আমাৰ শাৰীৰিক স্বাস্থ্যৰ প্ৰতি সদা সচেতন কিন্তু ব্যস্ততা পূৰ্ণ যান্ত্ৰিক জীৱন শৈলীক সামৰি আমিও যেন একো একোটা যন্ত্ৰ হৈ পৰিছোঁ আৰু মানসিক স্বাস্থ্যৰ ওপৰত একেবাৰেই ধ্যান নিদিয়া হৈছোঁ যাৰ ফলস্বৰূপে আমি দিনে দিনে ডিপ্ৰেচন নামৰ এক মাৰাত্মক ৰোগৰ চিকাৰ হৈ গৈ আছোঁ। আমি নিজক প্ৰাধান্য দিয়াৰ বিপৰীতে আনৰ ভাল লগা বেয়া লগাবোৰৰ ওপৰত বেছি গুৰুত্ব দিছোঁ যাৰ ফলত কেতিয়াবা আমি পাহৰি যাওঁ নিজেই কুশলে আছোঁ নে নাই। এই যান্ত্ৰিক পৃথিৱীৰ সৈতে সমানে খোজ মিলাবলৈ গৈ টকাৰ পাছত দৌৰোতে আমি পাহৰি পেলাই ছোঁ আমাৰ মানসিক শান্তিক।

আজিৰ তাৰিখত আমি যদি বিচাৰ কৰিবলৈ যাওঁ আত্মহত্যাৰ হাৰ তেন্তে আমি আচম্বিত হৈ পৰিব পৰাকৈ ই দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে আৰু ইয়াৰ ভিতৰত কিন্তু চাকৰি কৰা ব্যক্তিৰ পৰিমাণ বেছি। অৰ্থাৎ আমি ইয়াৰ পৰা বিচাৰ কৰিব পাৰোঁ যে টকাই সুখ কিনিব পাৰিলেও কিন্তু মানসিক শান্তি ক্ৰয় কৰিব নোৱাৰে।

আৰু আমাৰ আটাইতকৈ ডাঙৰ ভুল এটা হৈছে যে ডিপ্ৰেছন নামৰ ৰোগ বিধক আমি তেনেই সামান্য হিচাপে লোৱাটো। অন্য ৰোগৰ দৰে এই ৰোগৰ কোনো প্ৰত্যক্ষ চিকিৎসা নাই যদিও এই ৰোগক যদি আমি অৱহেলা কৰোঁ ই গৈ মগজুৰ বিকৃতি পৰ্যন্ত কৰিব পাৰে, এজন সুস্থ ব্যক্তিক মানসিক বিকাৰগ্ৰস্ত কৰি তুলিব পাৰে। গতিকে এই বিষয়ে সকলো সচেতন হোৱা উচিত। বিশেষকৈ অভিভাৱকসকল অধিক সচেতন হোৱা উচিত। যদি সন্তানে কিবা কাৰণে অকলশৰে থাকিবলৈ লয় বা মানুহৰ পৰা আঁতৰি থাকিব বিচাৰে অথবা কম কথা পতা যেন পৰিলক্ষিত হয় তেতিয়া সন্তানটোক অলপ দিন ভালদৰে পৰ্যবেক্ষণ কৰি মানসিক ৰোগ বিশেষজ্ঞৰ লগত আলোচনা কৰাৰ প্ৰয়োজন। ডিপ্ৰেছন আচলতে এক ধেমালি নহয়। ইয়াৰ পৰৱৰ্তী পৰ্যায় কিন্তু অতি ভয়াবহ। ডিপ্ৰেচনে যেতিয়া এঞ্জাইটিৰ ৰূপ ল'ব তেতিয়া মানসিক ৰোগৰ পৰা ক্ৰমে শৰীৰৰ ৰোগলৈ ই স্থানান্তৰিত হ'ব গতিকে এই বিষয়ত আমি সচেতন হোৱা উচিত। আমি এটা কথা মনত ৰাখিব লাগিব যে কেৱল মানসিক বিকাৰগ্ৰস্ত লোকহে মনোৰোগ বিশেষজ্ঞৰ ওচৰলৈ নাযায়। ৰোগৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে যেনেদৰে আমাক সৰুতে প্ৰতিষেধক প্ৰদান কৰিছিল ঠিক তেনেদৰেই ৰোগলৈ পৰিৱৰ্তিত হোৱাৰ পূৰ্বে আৰম্ভণিতেই ইয়াৰ বিৰুদ্ধে প্ৰতিষেধক লোৱাৰ হেতু লগতে কেনেদৰে এই পৰ্যায়ৰ পৰা ওলাই আহিব পাৰি তাৰ বাবে সঠিক পথ বাছনি কৰাৰ কাৰণে আমি এজন বিশেষজ্ঞৰ লগত আলোচনা কৰাটো খুবেই জৰুৰী। মনত ৰাখিব 'এটা সুস্থ মনেহে এখন সুস্থ সমাজ গঢ় দিয়াত সহায় কৰে।'

*ফোন ঃ ৯৭০৭২-৫০৯৩৪*

# ম'বাইল-ইন্টাৰনেটত আসক্ত একাংশ কলেজীয়া শিক্ষাৰ্থী

■ খৰ্গেশ্বৰ দাস



সাম্প্ৰতিক সময়ত একাংশ যুৱক -যুৱতী তথা বিশেষকৈ কলেজীয়া শিক্ষাৰ্থীসকলৰ অত্যন্ত প্ৰয়োজনীয় আহিলা হিচাপে ব্যৱহাৰ কৰে ম'বাইল ফোন আৰু ইণ্টাৰনেট সেৱা। আনহাতে ম'বাইল ফোনৰ ইন্টাৰনেট ব্যৱস্থা যদি এক ছেকেণ্ডও নাইকিয়া হৈছে তেন্তে ইয়াতো বহু অসুবিধাৰ সন্মুখীনে দেখা দিছে তেওঁলোকৰ মাজত। এক কথাত কবলৈ গ'লে ম'বাইল ফোন আৰু ইন্টাৰনেট ব্যৱস্থা শিক্ষাৰ্থী সকলৰ লগতে মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ হিচাপে থিয় দিছে সামাজিক মাধ্যমৰ ব্যৱস্থাপনাত বৰ্তমানৰ সময়ত।

সঁচাকৈ ম'বাইল ফোন আৰু ইন্টাৰনেটৰ আসক্তিয়ে আজি একাংশ কলেজীয়া শিক্ষাৰ্থীৰ ভৱিষ্যত জীৱন এক গভীৰ সংকটৰ দিশলৈ ধাৱমান হৈছে বা বিপন্ন কৰি তুলিছে এই কথা চিৰন্তন সত্য। এনে ধৰণৰ প্ৰযুক্তিগত নিচাত আসক্ত হৈ জীৱনৰ শৈক্ষিক, মানসিক আৰু শাৰীৰিকভাৱে পংঙ্গু হৈছে বহু অধ্যয়নৰত যুৱক-যুৱতী তথা কলেজীয়া শিক্ষাৰ্থী এই কথা ক'বই লাগিব। ম'বাইল ফোন আৰু ইণ্টাৰনেটৰ আসক্তিয়ে বিশেষকৈ নানা ধৰণৰ ভিডিঅ' যেনে ৰীল-ইনষ্টাগ্ৰাম আৰু ইউটিউবৰ চুটি চুটি ভিডিঅ'বোৰে একো একোজন কলেজীয়া বা পঢ়ি থকা শিক্ষাৰ্থীৰ মন মগজুত তাৎক্ষণিকেভাৱে উত্তেজনা সৃষ্টি কৰি অমানিষা নামি পৰিছে জীৱনলৈ। য'ত শিক্ষাৰ্থীয়ে ঘণ্টাৰ পিছত ঘণ্টা ধৰি সময় নষ্ট কৰি ম'বাইল ফোনত ব্যস্ত থাকে। কেতিয়াবা সচৰে দেখা পোৱা যায় সৰু সৰু ল'ৰা-ছোৱালী বা কলেজীয়া শিক্ষাৰ্থীসকলে অনলাইন গেমত আসক্ত হোৱা। এই জুৱা ভিত্তিক অনলাইন গেমসমূহৰ আসক্তিৰ ফলত বহু শিক্ষাৰ্থীয়ে পঢ়া-শুনাৰ পৰা সম্পূৰ্ণ বিৰত থকা পৰিলক্ষিত হয়। অন্যহাতে, সামাজিক মাধ্যমৰ যি ছচিয়েল মিডিয়া মঞ্চ ইয়াত আকৌ লাইক, কমেন্ট আৰু ফ'লক্সাৰ্ছ এটা লাভ কৰাৰ বাবেও প্ৰতিযোগিতাত নামি পৰি বহু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বাস্তৱ জীৱনতকৈ অনলাইনত বেছি গুৰুত্ব দি জীয়াই থাকিবলৈ বাধ্য কৰা দেখা যায়। এনেবোৰ ভয়াবহ পৰিণামশৈক্ষিক খহনীয়াৰ বাবে কেতিয়াবা কেতিয়াবা শ্ৰেণীকোঠাত যি মনোযোগৰ অভাৱ ঘটে ঠিক একেদৰে ঘৰত গভীৰ অধ্যয়ন কৰাৰ ক্ষমতা হ্ৰাস পায়; যাৰ ফলত পৰীক্ষাৰ ফলাফল বেয়া হয়। এই দৃশ্য মাজে-সময়ে দেখা পোৱা যায় আমাৰ মানৱ সমাজ ব্যৱস্থাত। মানসিক বিকাৰগ্ৰস্ত হোৱাৰ ফলত ম'বাইল ফোন যদি এক মিনিট হাতত নাথাকে তেন্তে অতিমাত্ৰা খং উঠা, নিসংগতাত ভোগা আৰু আনৰ সৈতে তুলনা কৰি মানসিক অৱসাদ (Depression)ত পৰা আদি অন্যান্য কিছু ব্যক্তিক্ৰমি নিদৰ্শন দেখিবলৈ পোৱা যায়। শাৰীৰিক আৰু মানসিক সমস্যাত ভুগি বহুতে নিশালৈকে ম'বাইল ফোনৰ ব্যৱহাৰ কৰাৰ ফলত অনিদ্ৰা, চকুৰ দৃষ্টিশক্তি হ্ৰাস পোৱাৰ লগতে শৰীৰৰ ওজন বৃদ্ধি,স্মৃতি শক্তি হ্ৰাস পোৱা আদি সমস্যাই দেখা দিয়ে। একাংশ কলেজীয়া শিক্ষাৰ্থীয়ে সামাজিক বিচ্ছিন্নতাৰ পৰা কিছু হ'লেও পৰিয়াল আৰু সহপাঠীৰ পৰা আঁতৰত থাকি কেৱল আৰু কেৱল ঘৰৰ কোঠা এটাৰ ভিতৰতে ম'বাইল ফোনত আৱদ্ধ হৈ থকাৰ বাবে তেওঁলোকৰ সামাজিক দক্ষতা বহু পৰিমাণে লোপ পোৱাৰ সন্মুখীন হৈছে। উল্লেখ যোগ্য যে - পঢ়াৰ সময় নষ্ট কৰি ম'বাইল ফোন আৰু ইন্টাৰনেট সেৱাৰ অতি মাত্ৰা ব্যৱহাৰৰ পৰা বিৰত থকা অত্যন্ত শ্ৰেয় হ'ব যে একো একোজন কলেজীয়া শিক্ষাৰ্থীয়ে ম'বাইলত 'আ্যাপ টাইমাৰ' ব্যৱহাৰ কৰি ছচিয়েল মিডিয়াৰ ব্যৱহাৰ দিনে অন্ততঃ ৰ ঘণ্টাতকৈ অতি কম সময় অতিবাহিত কৰিব লাগে আৰু নিজৰ লক্ষ্যত উপনীত হ'ব লাগে। সপ্তাহত মাত্ৰ এটা দিন বা দিনটোৰ এটা নিৰ্দিষ্ট সময় বাছনি কৰি নিজৰ পঢ়া টেবুলত অন্যতা শোৱাৰ সময়ত ম'বাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণ দূৰত ৰাখিব লাগে। নিজৰ কিতাপ পঢ়া, সহপাঠীৰ সৈতে খেলপথাৰত খেল-ধেমালি কৰা বা অন্য কোনো নতুন সৃষ্টিশীল কামত নিজকে ব্যস্ত ৰাখি বিশেষকৈ ম'বাইল ইন্টাৰনেটৰ পৰা বিৰত থাকিব লাগে। এতেকে আগন্তুক দিনত নৱ প্ৰজন্মৰ প্ৰতিভাবাকী কলেজীয়া শিক্ষাৰ্থীয়ে নিজকে সুৰক্ষিত ৰাখি ম'বাইল ইন্টাৰনেটৰ অতি মাত্ৰা ব্যৱহাৰৰ পৰা বিৰত থাকি নিজৰ লগতে সমাজখনক কেনেদৰে আগুৱাই লৈ যাব পাৰে এই হ'ব লক্ষণীয়।

পণ্ডিতঘাট,কাৰ্বি আংলং (অসম)

# অনুভৱ ৰঙা বেলি, নীলা আকাশ

পুৱাতে যেতিয়া বেলিটো পূব আকাশত উজ্জ্বলি উঠে পৰিৱেশটো কিমান যে সুন্দৰ হৈ পৰে, সেই সুন্দৰতাৰখিনিৰ মাজত যেতিয়া সোমাই পৰা হয় পৃথিৱীখন বহুত বেছি ভাললগা হৈ পৰে। ৰঙা বেলিটোৱে চৌদিশ ৰঙীন কৰি তোলাৰ লগে লগে আকাশখনো নীলা হৈ পৰে। আকাশখনে নীলা সাজযোৰ পিন্ধি ৰঙা বেলিৰ সৈতে একাত্ম হ'ব খোজা দৃশ্যটোত থাকে অনন্য এক মাদকতা। যি মাদকতাই দিব পাৰে প্ৰাপ্তিৰ প্ৰাচুৰ্য। বোৱাই দিব পাৰে অনাবিল ৰঙৰ নিজৰা।

আমাৰ মনৰ ভাললগা বহু খিনি দিশ বতৰৰ ওপৰত নিৰ্ভৰ কৰে। বিছনাৰ পৰা নামিয়ে প্ৰথমে আমাৰ চকু পৰে বতৰ কেনে হ'ব তাক প্ৰত্যক্ষ কৰোঁ, কাৰণ আমি কিছুমান কাম বতৰ ভাল থাকিলেহে কৰিব পাৰোঁ, যেনেকৈ এখন তাঁত লগাব বিচাৰিলে প্ৰথমে আমি বতৰটো চাওঁ, ভাল বতৰ হ'লেহে তাঁতখন চলাই কৰি হ'বগৈ, বৰষুণৰ বতৰত বা গোমা বতৰত তাঁতখন লগালে বহুত অসুবিধা হ'ব, গতিকে বতৰৰ ওপৰত আমাৰ বহুখিনি কৰ্ম



নিৰ্ভৰশীল, ঠিক তেনেকৈ মনৰ ভাললগা বেয়া লগা বহু কথাও নিৰ্ভৰ কৰে বতৰৰ ওপৰত। যেতিয়া আকাশৰ চপৰা চপৰ মেঘবোৰ উৰি গৈ ফটফটীয়া এখন আকাশ দেখা পাওঁ কাম কৰা আগ্ৰহ বাঢ়ে আৰু মনটোও মুকলিমুৰীয়া অনুভৱ হয়। প্ৰকৃতিৰ অনাবিল ৰঙৰ মাজত সোমাই পৰিলে মনটোও ৰঙীন হৈ পৰে। প্ৰকৃতিৰ সেউজী কোমল গীতবোৰ শুনিলে সংঘাত সংঘৰ্ষজনিত দিশবোৰ পাহৰি এচেৰেঙা ৰ'দৰ ৰঙীণ আভা পাব পাৰি।

■ দুলুমণি দেৱী

ফোন ঃ ৯৬৭৮১-৬৪৯৭৪

# ধৰ্ম মানুহে সৃষ্টি কৰিছিল, ধৰ্মই মানুহক নহয়

■ উৎপল ডেকা

যিদিনা এই পৃথিৱীৰ পোহৰত প্ৰথমবাৰৰ বাবে চকু মেলিছিলো সেয়া আছিল এখন মানুহৰ পৃথিৱী। মৰমৰ কিৰিলি, আদৰণি উৰুলী আৰু উষ্ম আলিংগণৰ পৃথিৱী। লাহে লাহে দিনবোৰ বাগৰিল। আপোন-পৰ জনা হ'লো। আমাৰ সিহঁতক বুজা হ'লো । গাৰ ৰং চিনা হ'লো । এই সকলোতকৈ ওপৰৰ আৰু এটা গুৰুত্বপূৰ্ণ কথা জানিলো, সেয়া হ'ল ধৰ্মৰ বিভেদ। উপজিয়েই দেখা বিশাল পৃথিৱীখন ক্ৰমাৎ সংকুচিত হৈ আহিল চকুৰ সমুখতে।

পৃথিৱীত মানুহৰ উৎপত্তিৰ বুৰঞ্জী চাব গ'লে প্ৰায় যাঠি লাখ বছৰ আগলৈ যাব লাগিব। বান্দৰসদৃশ প্ৰাণীৰ পৰা পৰিৱৰ্তনৰ পথেৰে আহি প্ৰায় দহ লাখ বছৰ ধৰি চলা শাৰীৰিক আৰু মানসিক বিকাশৰ ফলস্বৰূপে মানুহে জুই আৰু নানা ধৰণৰ আহিলা ব্যৱহাৰ কৰিব পৰা হ'ল। আজিৰ পৰা প্ৰায় চাৰিৰ পৰা তিনি লাখ বছৰৰ আগতে আধুনিক মানৱৰ (Homosepiens) উৎপত্তি হয় আফ্ৰিকা মহাদেশত। তাৰ পিছত প্ৰায় চাৰি লাখৰ পৰা পাঁচ লাখ বছৰ আগৰ পৰা আধুনিক মানৱ আফ্ৰিকাৰ পৰা ওলাই এছিয়া, ইউৰোপ আদি মহাদেশলৈ বিয়পি পৰে আৰু তাত থকা পূৰ্বৰ মানৱ প্ৰজাতিসমূহৰ ঠাই দখল কৰি লয়। বৰ্তমান আমি আমাৰ পূৰ্বপুৰুষ Hominis Tribes ৰ একমাত্ৰ জীৱিত সদস্য। আমাৰ পূৰ্বতে এই Tribe ৰ Ardipithecus, Australopithecus আদি সদস্যসকল এই পৃথিৱীৰ পৰা নিঃচিহ্ন হৈ গৈছে। আমাৰ ঠিক আগে আগে Neanderthalsসকল এই পৃথিৱীত বাস কৰিছিল। মানুহৰ উৎপত্তিৰ বহু হাজাৰ বছৰৰ পিছতহে পৃথিৱীত ধৰ্মৰ উৎপত্তি হোৱাৰ আভাস পোৱা যায় । পৃথিৱীত প্ৰচীনতম্ ধৰ্ম বুলি মানি লোৱা হিন্দু ধৰ্ম বা সনাতন ধৰ্ম ভাৰতীয় উপ-মহাদেশত লৌহ যুগৰ (Iron Age) পৰা গঢ় ল'বলৈ লয়। ইয়াৰ যোগসূত্ৰ কিছুমান প্ৰাক্ - ঐতিহাসিক যুগলৈ পোৱা যায় (Bronze age ৰ সিন্ধুসভ্যতা) খ্ৰীষ্টপূৰ্ব ১৭৫০ ৰ পৰা প্ৰচলিত এই হিন্দু ধৰ্ম বেদৰ ৰচনাৰ পূৰ্বৰ সময়ছোৱাত ভাৰতীয় উপ-মহাদেশত প্ৰচলিত আছিল। খ্ৰীষ্টপূৰ্ব ১৯০০ৰ পৰা ১৪০০ লৈ বৈদিক হিন্দু ধৰ্মৰ উৎপত্তি হৈ প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰে।

খ্ৰীষ্টপূৰ্ব ৮০০ৰ পৰা ২০০লৈ এই সময়ছোৱাত হিন্দু ধৰ্মৰ লগতে জৈন আৰু বুদ্ধ ধৰ্মৰো প্ৰচলন আৰম্ভ হয় । এই সময়ছোৱাত হিন্দু, জৈন আৰু বুদ্ধ তিনিওটা ধৰ্মৰ সকলো প্ৰকাৰৰ বিকাশ ঘটে আৰু লগতে পৃথিৱীৰ বিভিন্ন ঠাইলৈ প্ৰসাৰ ঘটে ।

খ্ৰীঃপূঃ ২০০০ ৰ পৰা ১৫০০ বছৰ আগৰ পৰা জুডাইজম বা ইহুদী ধৰ্ম পৃথিৱীত প্ৰচলিত আছে । মূলতঃ মধ্যপ্ৰাচ্যৰ ইজৰাইলত খ্ৰীঃপূঃ ৬০০ মানত এই ধৰ্মই পূৰ্ণতা লাভ কৰে ।

যীচুখ্ৰীষ্টৰ জন্মৰ লগে লগে পৃথিৱীত খ্ৰীষ্টাব্দ গণনা আৰম্ভ হয় আৰু খ্ৰীষ্টান ধৰ্মৰ অভ্যুত্থান হয়। পৃথিৱীৰ সকলোতকৈ বেছি প্ৰচলিত ধৰ্মই হৈছে খ্ৰীষ্টান ধৰ্ম । ইছলাম ধৰ্মক বিশ্বত আটাইতকৈ নতুন ধৰ্ম হিচাপে জনা যায় আৰু খ্ৰীষ্টাব্দ সপ্তম শতিকাতহে ইয়াৰ প্ৰাৰ্দুভাৱ হয় । তথাপি বিশ্বত খ্ৰীষ্টান ধৰ্মৰ পিছত ইছলাম ধৰ্ম দ্বিতীয় সবাতোকৈ প্ৰচলিত ধৰ্ম ।

মানুহৰ উৎপৰিৱৰ্তন, শাৰীৰিক আৰু বৌদ্ধিক অগ্ৰসৰতাৰ সমান্তৰালকৈ নানা ধৰণৰ বিশ্বাস, সামাজিক আচৰণৰ নিয়ম, এক নেদেখা শক্তিৰ ওপৰত নিৰ্ভৰশীলতা আদিও গঢ় লৈ আহিছিল। সামাজিক প্ৰাণী হিচাপে মানুহে যেতিয়া অঘৰী জীৱন এৰি গোট হিচাপে বাস কৰিবলৈ আৰম্ভ কৰিলে তেতিয়াই জীৱনৰ ধাৰণৰ নিয়ম কিছুমান সৃষ্টি হ'ল। ঠাই ভেদে, গোট ভেদে আৰু সদস্যসকলৰ বৌদ্ধিক চিন্তা ধাৰাই এই মাৰ্গসমূহক এক সুশৃংখল জীৱন - যাপনৰ পথ হিচাপে গঢ় দি ল'লে ।কালৰ সোঁতত এই পথ সমূহেই ধৰ্ম হিচাপে পৃথিৱীত প্ৰচাৰ লাভ কৰিলে।

ধৰ্মই মানুহক সৃষ্টি কৰা নাছিল মানুহে ধৰ্ম সৃষ্টি কৰিছিল। এটা সুস্থ জীৱন - যাপনৰ পথ হিচাপে বিভিন্ন সময়ত ভিন্নজন ধৰ্ম গুৰুৱে ভিন্ন ভিন্ন ধৰ্ম প্ৰৱৰ্তন কৰিছিল। সকলো ধৰ্মৰ মূল মন্ত্ৰ এটাই আছিল - এটা সুস্থ জীৱন অতিবাহিত কৰা । কোনো ধৰ্ম গ্ৰন্থতেই মানৱ সমাজত বিভাজন আনিব পৰা কোনো কথা লিখা হোৱা নাছিল। আন ধৰ্মৰ লোক বা আন ধৰ্মক নীচ বোলা হোৱা নাছিল। কিন্তু যুগ যুগ ধৰি এই সুন্দৰ উপদেশ সমূহৰ বিভিন্ন অপব্যাখ্যা হৈ থাকিল আৰু আমিও নিজৰ স্বাৰ্থত এই ব্যাখ্যা গ্ৰহণ কৰি গলো। কালক্ৰমত এই ধৰ্মই মানুহৰ মাজত ভেদা - ভেদ আনি দিলে। আমি পাহৰি গ'লো আমাৰ উৎপত্তি কেনেকৈ কৰ পৰা হৈছিল। ধৰ্মৰ পোছাকযোৰেই বিভক্ত কৰি পেলালে সকলোকে। পাহৰি পেলালো আমাৰ তেজৰ বৰণ যে সকলোৰে ৰঙাই। প্ৰযুক্তিবিদ্যাৰ লগে লগে মানুহবোৰ আধুনিক হ'ল । আধুনিক হ'ল জীৱনশৈলী, মাথোঁ সলনি নহ'ল ধৰ্মৰ নামত পিন্ধাই যোৱা আমাৰ সাজযোৰ। জন্ম হোৱাৰ পিছতেই আমাক একোযোৰ সাজ পিন্ধাই দিয়া হয় যাক আমি কওঁ ধৰ্মৰ সাজ। মই ৰহিম, তুমি ৰাম। বিভক্ত কৰি দিয়া হয় তুমি মুছলমান, মই হিন্দু বুলি। চন্দ্ৰলৈ গৈছো, মঙ্গললৈ গৈছো কিন্তু ঘূৰি ঘূৰি আহি আকৌ ওলমি ৰৈছো মই হিন্দু তুমি মুছলমানত। উচ্চ শিক্ষাৰে শিক্ষিত হৈয়ো আমি আমাক সলনি কৰিব পৰা নাই। মানি ল'ব পৰা নাই যে আমি বান্দৰৰ পৰাই অহা। আমাৰ পূৰ্বপুৰুষে দি থৈ যোৱা শিক্ষাই আমিও উত্তৰপুৰুষলৈ দি যাম আৰু এই জাত-পাতৰ পৰম্পৰা এনেকৈয়ে চলি থাকিব ক্ৰমান্বয়ে এটা পীৰিৰ পৰা আন এটা পীৰিলৈ। এতিয়াও সমাজত বেছি ভাগ পাৰিবাৰিক অশান্তিৰ মূলতে আছে জাতি বা ধৰ্ম বহিৰ্ভূত বিবাহ। এতিয়াও পৰিয়ালৰ মানুহে ঘৰৰ সন্মান ৰক্ষাৰ্থে নিজৰ সন্তানক হত্যা কৰে(honour killing)।

এইখিনিতেই এটা কথা মন কৰিবলগীয়া যে সমাজৰ কিছু স্তৰৰ লোকে কিন্তু এই কথাবোৰক কোনো গুৰুত্ব নিদিয়ে। তেওঁলোক হয় খুব চহকী অথবা একেবাৰে দুখীয়া। জাতি ধৰ্মৰ পিছত লাগি থকাৰ সময় তেওঁলোকৰ নাই। আমি মাজৰ মানুহখিনিয়েহে এই প্ৰথাসমূহ অতি আন্তৰিকতাৰে জীয়াই ৰাখিছোঁ।

গতিকে সময় থাকোঁতেই সকলোৱে যদি আমাৰ দৃষ্টিভংগী সলনি নকৰোঁ আৰু চকু মুদি আমি দেখি-শুনি অহা খিনিয়েই আমাৰ সন্তানক দি থাকো তেন্তে এই বীজাণুবোৰ আমাৰ মাজত সদায় জীয়াই থাকিব। ধৰ্মীয় বিশ্বাসক একান্তই ব্যক্তিগত এটা বিষয় হিচাপে ৰাখি আমাৰ সামাজিক জীৱন ইয়াৰ প্ৰভাৱৰ পৰা মুক্ত ৰাখি চলিব পাৰিলেহে ধৰ্মৰ আচল উদ্দেশ্য সফল হ'ব। ধৰ্মক আমাৰ পৰিচয়ৰ ধ্বজাবাহক হ'বলৈ নিদি নিজকে মানুহ হিচাপে চিনাকি দিবলৈ যেতিয়া পাৰিম তেতিয়াই মানুহৰ মাজৰ দেৱালবোৰ ভাঙি পৰিব আৰু পৃথিৱীখন সঁচা অৰ্থত এখন বিশ্ব গাঁও হৈ পৰিব।

# জীৱনত হাঁহিবা কেতিয়া ? যন্ত্ৰণাৰ পিছত, নে সুখত

প্ৰবন্ধ



■ প্ৰণতি বৰুৱা

জোনাক নিশা শিশু এজনে ফৰকাল আকাশৰ অগণন তৰা গণি শেষ কৰি দিম বুলি কোৱা কথাৰ নিচিনাই হৈছে জীৱনৰ সংজ্ঞা। জীৱনৰ সংজ্ঞা বিচাৰি সঠিক সংজ্ঞাত উপনীত হোৱাটো ঠিক আকাশৰ তৰা গণনাৰ নিচিনা! সুখ, আনন্দ ধন ঐশ্বৰ্যৰে পৰিপূৰ্ণ জীৱন! নে দুখ, যন্ত্ৰণা, হতাশা, বিষাদ আৰু দৰিদ্ৰতাই পিষ্ট কৰা জীৱন! নে দুখ -সুখ, প্ৰাপ্তি-অপ্ৰাপ্তি , হৰ্ষ-বিষাদৰে মায়াৰ মাজত আবদ্ধ হৈ থকাটোৱেই জীৱন! এয়া এক উত্তৰবিহীন প্ৰশ্ন।

মানুহৰ আবেগ,অনুভূতি, বিবেকপূৰ্ণ মগজু এটা থকাৰ বাবে মানুহক জীৱ শ্ৰেষ্ঠ বুলি কোৱা হয়। বহু জনমৰ পুণ্যৰ ফলত মানৱ জীৱন লাভ কৰা বুলি জনবিশ্বাস আছে । মানুহে জন্মৰ লগে লগে মৃত্যুৰ সংকেতো যে লৈ আহে, সেই চিৰন্তন সত্যটো পাহৰি যায় । জীৱনটো সফল কৰাৰ বাবে নিজৰ কৰ্ম কুশলতাৰে, শৃংখলাৰে জীৱনটো গঢ় দিব লাগে আৰু ক্লান্তিৰ মাজেৰে জীৱনটো পৰ্যবেক্ষণ কৰিব লাগে। যাৰ জীৱনত পৰাজয় হোৱাৰ পিছতো বিজয়ী হোৱাৰ দুৰ্বাৰ হেঁপাহ থাকে, তেনে মানুহে জীৱন যুদ্ধখন সাহসেৰে চলাই নিব পাৰে।

জীৱনটো হৈছে এক সুন্দৰ যাত্ৰা। যাৰ আন এটা নাম সংগ্ৰাম। কোনোৱে নিজৰ শাৰীৰিক স্বাস্থ্যৰ লগত সংগ্ৰাম কৰে, কোনোৱে আকৌ সংগ্ৰাম কৰে নিজৰ লগত, কোনোৱে আৰ্থিকভাৱে সংগ্ৰাম কৰে আৰু কোনোৱে সংগ্ৰাম কৰে নিজৰ সম্পৰ্কৰ সৈতে। জীৱনৰ অৰ্থ বিচৰাই হৈছে জীৱনৰ সংগ্ৰাম। সংগ্ৰামৰ উদ্দেশ্য বিচাৰি উলিওৱাটোৱে হৈছে জীৱনৰ মূল লক্ষ্য।

সুখ-দুখ হৈছে মানৱ জীৱনৰ অংশ । যন্ত্ৰণাৰ আন এটা নাম হৈছে জীৱন। পৰিস্থিতিত বাধ্য হৈ মানুহে বিভিন্ন ধৰণৰ ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলগা হয়। যিয়ে এই সকলো ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ তীব্ৰ মানসিকতাৰে জীৱন যুঁজত নিজকে প্ৰতিদ্বন্দ্বী হিচাবে প্ৰতিষ্ঠিত কৰিব পাৰে, তেওঁহে জীৱন যুদ্ধৰ প্ৰকৃত সৈনিক। জীৱনটো সুন্দৰকৈ গঢ়িব লাগিলে বিপৰ্যয়সমূহৰ পৰা শক্তি, প্ৰতিটো পৰাজয়ৰ পৰা সাহস আৰু বাধা-বিঘিনি অতিক্ৰম কৰি জীৱনত হাৰ নমনাকৈ আগ্ৰহেৰে আগবাঢ়ি যাব পৰাটোৱেই জীৱন।

জীৱনত যান্ত্ৰণা এক স্বাভাৱিক অংশ। যন্ত্ৰণা অবিহনে জীৱনৰ আনন্দ, শান্তি আৰু প্ৰাপ্তিৰ কোনো মূল্য নাথাকে। যন্ত্ৰণাই মানুহক শক্তিশালী কৰি তোলে। নাদৰ পানী যিমান দলৈকে খান্দি গ'লেও সেই নাদৰ পানী কেনেকুৱা হ'ব বুজিব নোৱাৰি, ঠিক তেনেকৈ যন্ত্ৰণা অবিহনে জীৱনৰ সুখ অনুভৱ কৰিব নোৱাৰি। যন্ত্ৰণাই মানুহক মেৰুদণ্ড লৰাব নোৱাৰে যদিহে মানুহ এজন শাৰীৰিক আৰু মানসিকভাৱে অধিক শক্তিশালী আৰু সাহসী হয়। সাহসী আৰু শক্তিশালী মানুহক যন্ত্ৰণাই চেপিব পাৰে, খুন্দিব পাৰে কিন্তু নি:শেষ কৰিব নোৱাৰে। জীয়াই থকাৰ প্ৰৱণতাই মানুহক যন্ত্ৰণাৰ পৰা মুক্ত কৰে।

যন্ত্ৰণাৰ মাজত লুকাই থকা শিক্ষা, অভিজ্ঞতা আৰু প্ৰতিফলনবোৰো জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ। মানুহৰ জীৱনটো মিঠাতেলৰ চাকিগছিৰ নিচিনা। যিমানে বতাহে স্পৰ্শ কৰিবলৈ চেষ্টা নকৰক কিয় , যদি তেল অটুট থাকে, শলিতা শকত হয়, আৰ-বেৰ দিব পৰা যায়, তেন্তে চাকিগছি জ্বলি থকাৰ নিচিনা মানুহৰ জীৱনৰ বেলিকাও ইচ্ছাশক্তিৰ শলিতাক দৃঢ়তাৰ তেলেৰে ডুবাই ৰাখিব পাৰিলে যিমানেই সংঘাত বা যন্ত্ৰণাই হেঁচি নধৰক কিয়, জীৱনক বিধ্বস্ত কৰিব নোৱাৰে। হাঁহিৰ নিজা কোনো ভাষা নাই। হাঁহি-কান্দোন মানুহৰ চিৰলগৰী। জীৱনত হাঁহি এটা অতি গুৰুত্বপূৰ্ণ অংশ, যিটোৱে আমাক সুখী,স্বচ্ছ আৰু ইতিবাচক কৰি তোলে। হাঁহি মনৰ বাবে বৰ উপকাৰী। হাঁহিয়ে মানসিক চাপ, দুচিন্তা, বিষাদ আদি আঁতৰ কৰাত সহায় কৰে। মানুহৰ দুখ-যন্ত্ৰণাক গতি দিবলে হাঁহিয়ে মানুহৰ জীৱনৰ সৰ্বোৎকৃষ্ট মহৌষধ। বিজ্ঞানীসকলৰ মতে কান্দোনে যেনেকৈ মানসিক চাপৰ সৃষ্টি কৰি বিষাক্ত হ'ৰমনবোৰ নাশ কৰে, ঠিক তেনেকৈ হাঁহিয়ে মানুহৰ মন আৰু শৰীৰ সুস্থ কৰি ৰাখে। সুখৰ হাঁহি চিৰ যুগমীয়া। সকলো যন্ত্ৰণাক প্ৰত্যাহ্বান জনাই সাহসেৰে যন্ত্ৰণাক জ্বলন্ত জুইত বিসৰ্জন দি হাঁহিব পৰাজনেই জীৱন যুদ্ধৰ শ্ৰেষ্ঠ নায়ক।

**ফোন ঃ ৯৩৬৫৫১০৬৯৮**



# এযোৰ চকু

■ *দেলোৱাৰ হুচেইন*

(এক)

এযোৰ চকুত— কৃষ্ণচূড়াৰ ৰঙাখিনি প্ৰেম হৈ উৰে — কবিতাৰ শব্দবোৰ নক্ষত্ৰ হৈ জিলিকে — শৰতে উমলে শেৱালীৰ সুগন্ধি সুৰভিৰে — আহিনৰ স্নিগ্ধ কোমল আবেলিয়ে— বালিমাহী চৰাই হৈ উৰে— মিঠা মিঠা সপোনবোৰে ভাহি ফুৰে— ৰাতিৰ মায়াৱী আকাশত— অনামী সুখৰ জোৱাৰভাটা আহে — গাভৰু বসন্তত— প্ৰেয়সীৰ দুপাট্টা টনা নিলাজী ফাগুনত— আনকি গ্ৰীষ্মৰ প্ৰখৰ ৰ'দতো— চকুযোৰত জীয়াই থকাৰ হেঁপাহ জাগে লক্ষ কোটি বছৰ লৈকে— মৃত্যুৰ পৰৱৰ্তী সময়তো।

(দুই)

চকুযোৰত— কঁহুৱাকোমল আৱেগৰ নীলা নীলা সমুদ্ৰৰ ঢৌ — বৰ্ষণমুখৰ কোনো এটি সতেজ সন্ধিয়াৰ আমেজ — মোৰ কল্পনাৰ স্ৰোতস্বিনী নদী— প্ৰেমৰ যাউতিযুগীয়া স্মৃতি— ক'লা ক'লা দুটি ফুটুকীয়া পখিলা— থমথমকৈ উৰি থাকে— পাহাৰীয়া নিজৰাৰৰ গান গাই— নান্দনিক বৰষাৰ নূপুৰ পিন্ধি— চকুযোৰত মায়া আছে—আছে নিজকে বিলিন কৰাৰ ঐশ্বৰিক মহা শক্তি— নিজকে সৃষ্টি কৰাৰ অমোঘ বাণী।

(তিনি)

মই স্ৰষ্টাক কোনোদিন দেখা নাই— কিন্তু মৰ্ত্যলোকত সেই চকুযোৰ দেখিছো— কাজলসনা চকুযোৰত প্ৰজ্ঞাৰ পোহৰ— পৃথিৱীৰ সমস্ত সৌন্দৰ্য উপচি পৰা— স্বৰ্গীয় সুখৰ নীলাঞ্জনা— আত্মাৰ শান্তিৰ দূত— যেন স্ৰষ্টাৰ আন এটা ৰূপ— কি নিখুঁত সৃষ্টি— অপূৰ্ব— অভিভূত।

(চাৰি)

মই পাপিষ্ঠ— মোক ক্ষমা কৰিবা ঈশ্বৰ— তোমাৰ প্ৰাৰ্থনাৰ সময়তো ভাবিছো— সেইযোৰ চকুৰ বিষয়ে— উজ্জ্বলৰ পৰা উজ্জ্বলতম ৰূপত ভাহিছে চকুযোৰ— মোৰ ৰক্তবিন্দুৰ সিৰাই সিৰাই মিহলি হৈ আছে চকুযোৰ— বিনাদ্বিধাই মঙ্গল কামনা কৰিছো সেই চকুযুৰিৰ— শয়নে-সপোনে— নিৰ্জনে— আজিও মোৰ ধ্যানে-জ্ঞানে চকুযুৰি বিদ্যামান— হয়তো এই গতি হ'ব নিৰৱধি।

(পাঁচ)

চকুযোৰ তোমাৰ— চকুযোৰ এমুঠি সখিয়তী ৰ'দৰ— চকুযোৰ ভালপোৱাৰ— চকুযোৰ বিশ্বাসৰ— চকুযোৰ নিৰিবিলি সন্ধিয়াৰ— চকুযোৰ তৰাফুলে শুৱনি কৰা জোনবাইৰ— চকুযোৰ হৃদয়ৰ স্পন্দনগীতৰ— চকুযোৰ দূৰ দিগন্তৰ নীলাভ আকাশৰ— চকুযোৰ তোমাক নোকোৱা কাব্য কথাৰ— চকুযোৰ মোৰ কবি কল্পনাৰ।

প্ৰবন্ধ

## তামুলপুৰৰ প্ৰগতিশীল কৃষক অমৰ শীল

# কৃষি ক্ষেত্ৰৰ এক উজ্জ্বল নক্ষত্ৰ

■ ৰজনী বৰ্মন

এবছৰ নহয়, দুবছৰ নহয়। সুদীৰ্ঘ তিনি দশকৰো অধিক সময় কেৱল কৃষি কাৰ্যৰ সতে জড়িত থাকি সাম্প্ৰতিক সময়ত নিজকে এগৰাকী প্ৰগতিশীল কৃষক হিচাপে চিনাকি দিবলৈ সমৰ্থ হৈছে তামুলপুৰ জিলাৰ অন্তৰ্গত বৰলীয়াপাৰ গাঁওৰ অমৰ শীলে। কৃষি কাৰ্যৰ জৰিয়তে অমৰ শীলে স্বাৱলম্বীতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰাৰ লগতে আন দহজনৰ বাবে অমৰ শীল হৈ পৰিছে আদৰ্শৰ সপ্ৰতিভ চানেকি। বৰলীয়াপাৰ গাঁওৰ বাসিন্দা প্ৰয়াত ধীৰেন শীল আৰু মায়াৰাণী শীলৰ সন্তান অমৰ শীলে বিগত ১৯৯২ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চশিক্ষা লাভৰ আশা সমুলি বাদ দিয়ে। জনা শুনা হোৱাৰে পৰা কৃষি কাৰ্যৰ প্ৰতি থকা প্ৰগাঢ় ৰাপ আৰু জীৱনৰ ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ বাসনাৰে তেওঁ কৃষি কাৰ্যৰ সতে আত্মনিয়োগ কৰে। প্ৰথমাবস্থাত তেওঁ মাত্ৰ সাত কঠা মাটিত ফুলকবি, ওলকবি, বন্ধাকবি, বিলাহী, বেঙেনা আদিৰ খেতি কৰি তেওঁৰ স্বপ্নৰ কৃষি কাৰ্যৰ আৰম্ভণি কৰে। বিভিন্ন ঘাট প্ৰতিঘাট নেওচি গাঁওৰ বোকাপানী গছকি ডাঙৰ দীঘল হোৱা অমৰ শীলে তেতিয়াৰে পৰাই আৰু পিছলি ঘূৰি চোৱা নাই। দ্বিতীয় বছৰত অমৰ শীলে তেওঁৰ কৃষি কাৰ্যৰ পৰিসৰ সম্প্ৰসাৰণ কৰি ১৪ বিঘা মাটিত বিভিন্ন ধৰণৰ খেতি কৰে। নিতৌ ন ন চিন্তাৰ উন্মেষ ঘটাই তেওঁ ২০১৪ চনত আন খেতিৰ লগতে ৰজনীগন্ধা আৰু ষ্ট্ৰবেৰীৰ খেতি কৰে । পৰৱৰ্তী সময়ত তেওঁ পৰীক্ষামূলকভাৱে মাচৰুমৰ খেতি কৰে। প্ৰথম দুই তিনি বছৰ তেওঁ সফলতাৰ মুখ দেখা নাছিল। বাৰে বাৰে বিফল হোৱা বাবে তেওঁ নিজকে সম্পৰীক্ষা কৰি চালে আৰু ক্ৰমশঃ তেওঁ সফলতাৰ মুখ দেখিলে। অধিক জ্ঞান আহৰণৰ বাবে তেওঁ কৃষি বিভাগ, কৃষি বিজ্ঞান কেন্দ্ৰ আদিত মাচৰুমৰ খেতিৰ ওপৰত প্ৰশিক্ষণ গ্ৰহণ কৰে । সম্প্ৰতি তেওঁ মাচৰুমৰ খেতিৰ পৰা আশাব্যঞ্জক ধন লাভ কৰিবলৈ সমৰ্থ হৈছে আৰু মাচৰুমৰ খেতিক তেওঁ তেওঁৰ অন্তৰাত্মাত থাপিত কৰিছে। তেওঁ উৎপাদন কৰা মাচৰুম তামুলপুৰ, কুমাৰীকাটা, গোৰেশ্বৰ আদিৰ উপৰি প্ৰতিদিনে চুবুৰীয়া ভূটান ৰাষ্ট্ৰত বিক্ৰী কৰি আহিছে। তেওঁ নিজে মাচৰুমৰ খেতি কৰাৰ উপৰি তেওঁৰ অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত হৈ ২৫-৩০গৰাকী কৃষকে এই খেতিৰ সতে জড়িত হৈ জীৱন জীৱিকাৰ পথ বিচাৰি পাইছে। অমৰ শীলে নিজৰ মাটিতে স্থাপন কৰি লৈছে মাচৰুম ইউনিট আৰু স্পন ইউনিট। শেহতীয়াভাৱে তেওঁ মাচৰুম খেতিৰ প্ৰশিক্ষক হিচাপে অসমৰ ভিন্ন প্ৰান্তৰ লগতে বহিঃৰাজ্যতো প্ৰশিক্ষণ প্ৰদান কৰি সুনাম অৰ্জন কৰিছে। সম্প্ৰতি এগৰাকী প্ৰগতিশীল কৃষকৰ উপৰি অমৰ শীলে মাচৰুম খেতিৰ এগৰাকী সুদক্ষ সমল ব্যক্তি হিচাপে খ্যাতি অৰ্জন কৰিছে। অমৰ শীলৰ এই যাত্ৰাত সহযোগিতা আগবঢ়াইছে তেওঁৰ পত্নী ক্ষান্ত শীল , পুত্ৰ কন্যা ক্ৰমে নিকুঞ্জশীল আৰু ৰীতা শীলে। অমৰ শীলৰ এই যাত্ৰাত পূৰ্ণ সহযোগিতা আগবঢ়াইছে তামুলপুৰ মহকুমা কৃষি বিভাগে। অতি সম্প্ৰতি মাচৰুমক মুখ্য খেতি হিচাপে লৈ বিভিন্নধৰণৰ শাক পাচলি, ফল মূল, ষ্ট্ৰবেৰী আদিৰ খেতি অতি পৰিশীলিত ৰূপত কৰি তেওঁ



নিজৰ জীৱন জীৱিকা চলাই নিয়াৰ উপৰি অঞ্চলটোত বহুতৰ বাবে আদৰ্শ হৈ জিলিকি উঠিছে। (তামুলপুৰ)

# মাৰফৎ- এ ফৰগটেন টিউন

হিমাংশু ৰণজন ভূঞা

অভিনয় আৰু চৰিত্ৰ ৰূপায়ণৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে জ্যেষ্ঠ শিল্পী অৰুণ নাথ আৰু মৃদুলা বৰুৱাই তেওঁলোকৰ চৰিত্ৰৰ মানসিক সংঘাত, অসহায়তা আৰু অৱদমিত হেঁপাহক অতি নিখুঁত, গভীৰ আৰু প্ৰাকৃতিকভাৱে ফুটাই তুলিছে। চৰিত্ৰ দুটাৰ মাজেৰে পৰিচালকদ্বয়ে সমাজৰ এক নিৰ্মম সত্যক প্ৰতিফলিত কৰিছে, য'ত বৃদ্ধ বয়সৰ মানুহৰ ইচ্ছা-অনিচ্ছাক সমাজে সাধাৰণতে কোনো গুৰুত্ব নিদিয়ে...





সাম্প্ৰতিক সময়ৰ অসমীয়া চলচ্চিত্ৰ জগতত চুটি ছবি নিৰ্মাণৰ প্ৰক্ৰিয়াই এক নতুন, প্ৰণালীবদ্ধ আৰু বৌদ্ধিক ধাৰাৰ সূচনা কৰিবলৈ সক্ষম হৈছে, যিয়ে দৰ্শকৰ মননশীলতাক এক সুকীয়া আৰু গভীৰ মাত্ৰা প্ৰদান কৰিছে। সাধাৰণতে এখন চুটিছবিত অতি সীমিত সময়ৰ ভিতৰতে এটা নিৰ্দিষ্ট, পৰিষ্কাৰ আৰু শক্তিশালী বাৰ্তা দৰ্শকলৈ প্ৰেৰণ কৰাৰ এক গুৰুতৰ দায়িত্ব লুকাই থাকে, যিটো পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰতকৈ বহু পৰিমাণে কঠিন আৰু প্ৰত্যাহ্বানজনক বিষয় হিচাপে পৰিগণিত হয়। কিয়নো কম সময়ৰ ভিতৰত চৰিত্ৰৰ বিকাশ, কাহিনীৰ উপস্থাপন আৰু মূল বিষয়বস্তুৰ সঠিক বিশ্লেষণ কৰিবলৈ পৰিচালকক এক সুতীক্ষ্ণ দৃষ্টিভংগীৰ প্ৰয়োজন হয়। এনে এক পটভূমিতেই নিৰ্মিত এখন উল্লেখযোগ্য, বাস্তৱসন্মত অসমীয়া চুটিছবি হৈছে 'মাৰফৎ (এ ফৰগটেন টিউন)'।
অৰিন্দম বৰুৱা আৰু ইন্দ্ৰনীল গায়নৰ যুটীয়া পৰিচালনা আৰু সংলাপেৰে নিৰ্মিত এই নাট্যধৰ্মী ছবিখনে মাত্ৰ এঘাৰ মিনিট পঁয়ত্ৰিশ ছেকেণ্ডৰ এক চমু সময়সীমাৰ ভিতৰতে মানৱ জীৱনৰ এক অত্যন্ত গভীৰ মনস্তাত্ত্বিক আৰু সামাজিক বিষয় অত্যন্ত পোনপটীয়াভাৱে উপস্থাপন কৰিছে। দুলীয়াজানৰ পানচৈ প্ৰডাকশ্যনছৰ বেনাৰত ৰীতা বৰুৱাৰ প্ৰযোজনাত নিৰ্মিত এই ছবিখনৰ মূল ভাষা হৈছে অসমীয়া যদিও ৰাজ্যৰ বাহিৰৰ দৰ্শকৰ সুবিধাৰ্থে অতি সুন্দৰভাৱে ইংৰাজী উপশীৰ্ষকৰো ব্যৱস্থা ৰখা হৈছে। পৰিচালকদ্বয়ে সমাজৰ কঠোৰ নীতি-নিয়ম আৰু ব্যক্তিৰ স্বতন্ত্ৰতাৰ মাজৰ নিৰন্তৰ সংঘাতক অত্যন্ত সুতীক্ষ্ণভাৱে বিশ্লেষণ কৰিছে। ছবিখনৰ কাহিনীটো প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ইন্দ্ৰনীল গায়নৰ মূল কাহিনী আৰু ইন্দ্ৰনীল গায়ন, অৰিন্দম বৰুৱা তথা প্লাৱিতা গগৈৰ যুটীয়া চিত্ৰনাট্যই এক শক্তিশালী আৰু গধুৰ ভেটি প্ৰদান কৰিছে। ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে অসমীয়া চলচ্চিত্ৰ জগতৰ দুগৰাকী জ্যেষ্ঠ শিল্পী অৰুণ নাথ আৰু মৃদুলা বৰুৱাই। জীৱনৰ বিয়লি বেলাত উপনীত হোৱা দুজন ব্যক্তিৰ মনস্তত্ত্বক ইমান সৰল, পোনপটীয়া আৰু যুক্তিগতভাৱে উপস্থাপন কৰাটো চলচ্চিত্ৰ পৰিচালনাৰ দিশৰ পৰা সঁচাকৈয়ে এক বলিষ্ঠ আৰু নিৰ্ভীক পদক্ষেপ হিচাপে চিহ্নিত হৈছে।

ছবিখনৰ মূল বিষয়বস্তু আৰু কাহিনীভাগে দৰ্শকৰ মনত এক গভীৰ, যুক্তিসংগত আৰু বাস্তৱসন্মত প্ৰশ্নৰ অৱতাৰণা কৰে, যিয়ে সমাজৰ দ্বাৰা নিৰ্ধাৰিত মানৱীয় সম্পৰ্কৰ প্ৰকৃত সংজ্ঞা আৰু ইয়াৰ সীমাবদ্ধতাক পুনৰ বিচাৰ কৰিবলৈ বাধ্য কৰায়। এখন নিস্তব্ধ আৰু শান্ত চহৰৰ পটভূমিতে কাহিনীৰ সূত্ৰপাত ঘটে, য'ত বয়সৰ ভৰত অৱনত দুজন বৃদ্ধ ব্যক্তিয়ে দৈৱক্ৰমে এক অকল্পনীয় আৰু অপ্ৰত্যাশিত সম্পৰ্ক গঢ়ি তোলে। এই নতুন আৰু অপ্ৰত্যাশিত সম্পৰ্কটোৱে তেওঁলোকৰ মনৰ দ কুঠৰিত বহুদিন ধৰি পুত গৈ থকা হেঁপাহ আৰু বাসনাৱলীক পুনৰ জগাই তোলে, যিয়ে তেওঁলোকে অতদিনে মানি অহা জীৱনধাৰণৰ প্ৰণালীক প্ৰশ্ন কৰিবলৈ বাধ্য কৰায়। কাহিনীটোৰ গভীৰতা প্ৰকাশ কৰিবলৈ গৈ পৰিচালকে অতি স্পষ্টভাৱে ব্যক্ত কৰিছে যে ঋতু আহে আৰু যায়, তথাপিও আমি কিছুমান ক্ষণস্থায়ী মুহূৰ্তক জোৰেৰে খামুচি ধৰি থাকোঁ। আমি জীৱনৰ সৰু সৰু টুকুৰাবোৰক সযতনে ৰাখোঁ, কিন্তু প্ৰকৃততে এই অস্তিত্বৰ অৰ্থ কি, সেই বিষয়ে ছবিখনে দৰ্শকক যুক্তিৰে চিন্তা কৰিবলৈ এক নিৰ্মম তাড়না দিয়ে। এয়া কেৱল এখন সাধাৰণ কাহিনীচিত্ৰ নহয়, বৰঞ্চ ই বৃদ্ধ বয়সৰ মানসিক স্থিতি, নিসংগতা আৰু সমাজৰ কঠোৰ পৰিসীমাৰ মাজত আৱদ্ধ মানুহৰ এক মনস্তাত্ত্বিক মূল্যায়ন। এটা সুদীৰ্ঘ জীৱন কেৱল কৰ্তব্য আৰু সমাজৰ নীতি-নিয়ম মানি চলোঁতেই অতিবাহিত কৰাৰ পাছত, যেতিয়া অতীতৰ পুৰণি স্মৃতিবোৰ লাহে লাহে মনলৈ আহে, তেতিয়া তেওঁলোকে কৰ্তব্য আৰু সমাজৰ প্ৰত্যাশাৰ দ্বাৰা নিৰ্ধাৰিত কঠিন সিদ্ধান্তবোৰৰ পুনৰীলংঘনৰ সন্মুখীন হ'বলগীয়া হয়। এফালে জীৱনৰ শেষ বয়সত লাভ কৰা এক মধুৰ সংগ আৰু আনফালে সমাজৰ কঠোৰ সমালোচনাৰ ভয়— এই দুয়োটাৰ মাজত আৱদ্ধ হৈ চৰিত্ৰ দুটাই এক গুৰুতৰ মানসিক যুদ্ধত লিপ্ত হ'বলগীয়া হৈছে। তেওঁলোকে এই নতুনকৈ পোৱা স্বাধীনতা আৰু আত্মসন্তুষ্টিক মুকলিকৈ আঁকোৱালি ল'ব নে সমাজৰ ভয়ত আকৌ এবাৰ সেই পৰিচিত আৰু নিৰ্ধাৰিত সীমাৰ ভিতৰতে আৱদ্ধ হৈ ৰ'ব, সেয়া এক অতি গুৰুত্বপূৰ্ণ আৰু জটিল প্ৰশ্ন হিচাপে থিয় দিছে। এই মনস্তাত্ত্বিক সংঘাতক কোনো ধৰণৰ অতিৰিক্ত




নাটকীয়তা বা আৱেগিক উচ্ছ্বাস নোহোৱাকৈ অত্যন্ত যুক্তিসংগত, পোনপটীয়া আৰু বাস্তৱিকভাৱে উপস্থাপন কৰা হৈছে, য'ত প্ৰতিটো সিদ্ধান্তৰ আঁৰত লুকাই থকা সমাজৰ ভণ্ডামিক উদঙাই দিয়া হৈছে।

অভিনয় আৰু চৰিত্ৰ ৰূপায়ণৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে জ্যেষ্ঠ শিল্পী অৰুণ নাথ আৰু মৃদুলা বৰুৱাই তেওঁলোকৰ চৰিত্ৰৰ মানসিক সংঘাত, অসহায়তা আৰু অৱদমিত হেঁপাহক অতি নিখুঁত, গভীৰ আৰু প্ৰাকৃতিকভাৱে ফুটাই তুলিছে। চৰিত্ৰ দুটাৰ মাজেৰে পৰিচালকদ্বয়ে সমাজৰ এক নিৰ্মম সত্যক প্ৰতিফলিত কৰিছে, য'ত বৃদ্ধ বয়সৰ মানুহৰ ইচ্ছা-অনিচ্ছাক সমাজে সাধাৰণতে কোনো গুৰুত্ব নিদিয়ে। সমাজৰ দৃষ্টিত বাৰ্ধক্য মানেই যেন সকলো ধৰণৰ ব্যক্তিগত হেঁপাহ আৰু আকাংক্ষাৰ পৰিসমাপ্তি, তেনে এক অলিখিত নিয়মৰ বিৰুদ্ধে চৰিত্ৰ দুটাই মনৰ ভিতৰতে যি এক নীৰৱ বিদ্ৰোহৰ সূচনা কৰিছে, সেয়া শিল্পী দুগৰাকীৰ নিপুণ অভিনয়ৰ জৰিয়তে অতি সাৱলীলভাৱে প্ৰকাশ পাইছে। তেওঁলোকৰ চকুৰ দৃষ্টি, শৰীৰৰ ভাষা আৰু মুখমণ্ডলৰ সূক্ষ্ম অভিব্যক্তিয়ে বহু সময়ত মুখৰ সংলাপতকৈয়ো বেছি কথা কৈ যায়, যিয়ে ছবিখনৰ বাস্তৱসন্মত দিশটোক অধিক মজবুত আৰু শক্তিশালী কৰি তুলিছে। পৰিচালকৰ ভাষ্য অনুসৰি এই ছবিখনত দুজন বৃদ্ধ লোকৰ কাহিনী কোৱা হৈছে য'ত সমাজৰ সীমাৱদ্ধতাৰ মাজত তেওঁলোকৰ পছন্দ, আত্মসন্তুষ্টি আৰু আকাংক্ষাবোৰক লৈ নিৰন্তৰ প্ৰশ্ন আৰু চিন্তা কৰা হৈছে। সমাজৰ নিৰ্ধাৰিত নিয়মে যেতিয়া মানুহৰ ব্যক্তিগত শান্তিক কাঢ়ি নিয়ে, তেতিয়া মানুহে কেনেদৰে এক নিৰ্বাক আৰু মানসিক যন্ত্ৰণাৰ মাজেৰে দিন পাৰ কৰিবলগীয়া হয়, তাৰ এক সুতীক্ষ্ণ আৰু নিৰপেক্ষ বিশ্লেষণ এই চলচ্চিত্ৰখনত দেখিবলৈ পোৱা যায়। দৰ্শকক আৱেগিকভাৱে প্ৰভাৱিত বা ব্লেকমেইল কৰাৰ পৰিৱৰ্তে, কাহিনীটোৱে এক নিৰ্মম বাস্তৱৰ মুখামুখি কৰায়, য'ত মানুহৰ প্ৰতিটো পৰৱৰ্তী পদক্ষেপৰ আঁৰত লুকাই থাকে ভয়, সংকোচ আৰু সমাজৰ প্ৰতি থকা এক অহেতুক দায়ৱদ্ধতা। চৰিত্ৰ দুটাই নিজৰ বাবে জীয়াই থকাৰ অধিকাৰ বিচাৰি হাহাকাৰ কৰা নাই, বৰঞ্চ তেওঁলোকে পৰিস্থিতিৰ সৈতে এক যুক্তিসংগত বুজাবুজি কৰিবলৈহে চেষ্টা কৰিছে। এই সমগ্ৰ প্ৰক্ৰিয়াটোক পৰিচালকে অত্যন্ত নিৰ্লিপ্ত আৰু নিৰপেক্ষভাৱে কেমেৰাৰ সন্মুখলৈ আনিছে, য'ত কোনো চৰিত্ৰকেই শুদ্ধ বা ভুল বুলি প্ৰমাণ কৰাৰ সলনি পৰিস্থিতিৰ বলিষ্ঠ বিশ্লেষণতহে গুৰুত্ব আৰোপ কৰা হৈছে।

চলচ্চিত্ৰ নিৰ্মাণৰ কাৰিকৰী দিশবোৰৰ মূল্যায়ন কৰিলে দেখা যায় যে 'মাৰফৎ'ৰ প্ৰতিটো বিভাগেই অতি পেছাদাৰী, নিপুণ আৰু সুশৃংখলভাৱে নিজৰ দায়িত্ব পালন কৰিছে। কাৰিকৰী দিশত গুঞ্জন মহন্তৰ দৃশ্যগ্ৰহণ, সম্পাদনা আৰু ৰং-সংযোজন ছবিখনৰ অন্যতম সবল আৰু গুৰুত্বপূৰ্ণ দিশ হিচাপে পৰিগণিত হৈছে। তেওঁৰ কেমেৰাৰ ফ্ৰেমবোৰে চৰিত্ৰ দুটাৰ মানসিক অৱস্থা, তেওঁলোকৰ মাজৰ দূৰত্ব আৰু তেওঁলোকৰ চৌপাশৰ নিস্তব্ধতাক অতি বাস্তৱিকভাৱে তুলি ধৰাৰ লগতে সম্পাদনাৰ ক্ষেত্ৰতো কাহিনীৰ গতি অটুট ৰাখি এক নিৰৱচ্ছিন্ন প্ৰৱাহ সৃষ্টি কৰিছে। দৃশ্যগ্ৰহণত ব্যৱহাৰ কৰা পোহৰ আৰু ছাঁৰ খেলনে চৰিত্ৰৰ মানসিক আন্ধাৰ আৰু পোহৰক প্ৰতীকী ৰূপত প্ৰকাশ কৰিছে। আনহাতে, ব্লছম হাজৰিকাৰ শব্দ ৰূপাংকন আৰু মিশ্ৰণ তথা দৰ্জয় তামাঙৰ আৱহ সংগীতে ছবিখনৰ বিষয়বস্তুৰ গাম্ভীৰ্য বহু পৰিমাণে বৃদ্ধি কৰাত সহায় কৰিছে। শব্দৰ সঠিক, পৰিমিত আৰু বাস্তৱসন্মত ব্যৱহাৰে সংলাপবোৰৰ মাজত থকা নীৰৱতাকো এক সুকীয়া অৰ্থ প্ৰদান কৰিছে, যিটো এনে ধৰণৰ গধুৰ মনস্তাত্ত্বিক ছবিৰ বাবে অতি আৱশ্যকীয় আছিল। সহকাৰী পৰিচালক আৰু প্ৰযোজনা নিয়ন্ত্ৰক হিচাপে ইন্দ্ৰজিৎ কলিতাই ছবিখনৰ নিৰ্মাণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিছে আৰু প্ৰকাশ্ৰী লস্কৰৰ প্ৰডাকশ্যন ষ্টিলছ তথা কুণাল বৰাৰ পষ্টাৰ ডিজাইনে ছবিখনৰ মূল বিষয়বস্তুৰ সৈতে সংগতি ৰাখি বাহ্যিক দিশটোক এক আকৰ্ষণীয় আৰু অৰ্থপূৰ্ণ ৰূপ প্ৰদান কৰিছে। ইতিমধ্যে এই ছবিখনে ইয়াৰ উন্নত মানদণ্ড আৰু নিৰপেক্ষ উপস্থাপনৰ বাবে কেইবাখনো সন্মানীয় চলচ্চিত্ৰ মহোৎসৱত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। কলকাতাত অনুষ্ঠিত হোৱা একাদশ বেংগল ইণ্টাৰনেশ্যনেল ছৰ্ট ফিল্ম ফেষ্টিভেল, তামিলনাডুৰ আথভিকবৰুণী ইণ্টাৰনেশ্যনেল ফিল্ম ফেষ্টিভেল, গুৱাহাটীৰ নৰ্থ ইষ্ট ইণ্টাৰনেশ্যনেল ডকুমেণ্টৰী এণ্ড ফিল্ম ফেষ্টিভেল আৰু নৱম চাউথ এছিয়ান ছৰ্ট ফিল্ম ফেষ্টিভেলত ছবিখন সন্মানেৰে প্ৰদৰ্শিত হোৱাটোৱে ইয়াৰ বিষয়বস্তুৰ সৰ্বজনীন গুৰুত্ব প্ৰতিপন্ন কৰে। এই সাফল্যই এক ডাঙৰ যুক্তিক প্ৰতিষ্ঠা কৰে যে নিৰপেক্ষ আৰু বাস্তৱসন্মত কাহিনীৰে নিৰ্মিত এখন সুপৰিকল্পিত ছবি কেৱল এখন নিৰ্দিষ্ট সমাজতে আৱদ্ধ নাথাকি বিশ্বজুৰি সমাদৰ লাভ কৰিব পাৰে। দৰ্শকক কোনো নিৰ্দিষ্ট বাৰ্তা জোৰকৈ জাপি নিদি এক আৱেগবৰ্জিত বিশ্লেষণেৰে সমাজৰ নগ্ন বাস্তৱক উদঙাই দিয়াই হৈছে 'মাৰফৎ'ৰ প্ৰধান সাৰ্থকতা, যিয়ে ছবিখনক সমসাময়িক চলচ্চিত্ৰৰ ইতিহাসত এক মৰ্যাদাপূৰ্ণ আৰু বৌদ্ধিক স্থান প্ৰদান কৰিবলৈ সক্ষম হৈছে।

ফোন ঃ ৯৮৬৪০০০২৬০

## আৰোহণ আৰ্টিষ্ট গীল্ডৰ ২৬ তম্ বাৰ্ষিক বিশেষ অনুষ্ঠান ব'হাগ সামৰণি

# অসমৰ প্ৰতিভাধৰ ব্যক্তিলৈ 'আৰোহণ বঁটা' প্ৰদান





**জনকল্যাণ বাৰ্তাৰ সেৱা, গুৱাহাটী ঃ** যোৱা ৩০ মে'ত শনিবাৰে অসমৰ আগশাৰীৰ শিক্ষা - সাহিত্য - সমাজ -সাংস্কৃতিক অনুষ্ঠান 'আৰোহণ আৰ্টিষ্ট গীল্ড'ৰ ২৬ তম্ ব'হাগ সামৰণি অনুষ্ঠানটি গুৱাহাটীৰ উজানবজাৰস্থিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত ৰাজ্যৰ ভিন ভিন ক্ষেত্ৰৰ ২২জন প্ৰতিভাধৰ তথা বিশিষ্ট ব্যক্তিক 'আৰোহণ বঁটা' প্ৰদান কৰা হয়। দিনৰ ১২ বজাত অনুষ্ঠিত কৰা মূল সভা আৰু বঁটা প্ৰদান অনুষ্ঠানটি আনুষ্ঠানিকভাৱে বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ বিশিষ্ট শিল্পী মানস শৰ্মা আৰু অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত উত্তৰ গুৱাহাটীৰ বিশিষ্ট শিল্পী তথা জনকল্যাণ বাৰ্তাৰ সম্পাদক কুমুদ নাথে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। আৰোহণ আৰ্টিষ্ট গীল্ডৰ সভাপতি তথা কণ্ঠ শিল্পী, সদৌ অসম সাংবাদিক সন্থাৰ কামৰূপ জিলা সমিতিৰ সভাপতি ড° দিলীপ নাথে আঁত ধৰা অনুষ্ঠানটোত সভাপতি নাথে উদ্দেশ্য বাখ্যাত কয়- অসমৰ শিক্ষা - সমাজ - সাংস্কৃতিক - সাহিত্য আৰু অন্যান্য ক্ষেত্ৰত যি সকলে একাগ্ৰচিত্তে নিজৰ নিজৰ ঠাইত নিৰবিচ্ছিন্নভাৱে কাম কৰি আছে, তেওঁলোকক আমি অনুসন্ধান কৰি নিজৰ কৰ্মৰাজীক সন্মান আৰু প্ৰেৰণা, উৎসাহ দিয়াৰ মানসেৰে জুৰিৰ দ্বাৰা নিৰ্বাচিত কৰি আৰোহণ বঁটা প্ৰদান কৰি আহিছোঁ। সভাত মুখ্য অতিথি হিচাপে বিশিষ্ঠ শিল্পী তথা চিকিৎসক ডাঃ অঞ্জন জ্যোতি চৌধুৰী, সন্মানীয় অতিথি হিচাপে অসম সাহিত্য সভাৰ গুৱাহাটী মহানগৰ জিলাৰ সভাপতি, নাট্যকাৰ, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰফুল্ল বৰ্মন, সদৌ অসম সাংবাদিক সন্থাৰ মুখ্য উপদেষ্টা তথা সাহিত্যিক মনোৰঞ্জন ভট্টাচাৰ্য ,সদৌ অসম নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক গিৰিধৰ ৰয়, বিশিষ্ট অতিথি হিচাপে বিশিষ্ট শিল্পী তথা সাংস্কৃতিক কৰ্মী চন্দ্ৰ পুৰৰ ড° নৱজোতি শইকীয়া, গোৱালপাৰা জিলাৰ আগিয়াৰ বিশিষ্ট সমাজ কৰ্মী ৰাজীৱ শৰ্মা, গুৱাহাটী লখৰা নালাপাৰাৰ বিশিষ্ট শিল্পী তথা সমাজ কৰ্মী ভোলাৰাম ক্ৰ নিমন্ত্ৰিত অতিথি হিচাপে বিশিষ্ট শিল্পী তথা ৰাষ্ট্ৰীয় বঁটা প্ৰাপক মিৰ্জাৰ হেমন্ত দাস আৰু ৰেষ্ট পয়েন্ট আৰ্ট এণ্ড ডেঞ্চ একাডেমীৰ অধ্যক্ষ ক্ষিৰোজ মেধি আৰু পাঠশালাৰ বিশিষ্ট সমাজ কৰ্মী ব্ৰজেন কলিতা উপস্থিত থাকে। উক্ত অনুষ্ঠানত গোৱালপাৰা জিলাৰ হাবৰা ঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মন্টু কুমাৰ দাস, কামৰূপ জিলাৰ অন্তৰ্গত পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিত্যানন্দ কলিতা আৰু বৰস্বৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মুনীন্দ্ৰ ভৰালীক আৰোহণ শিক্ষা ৰত্ন বঁটা, কামৰূপ জিলাৰ দগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পবিত্ৰ কুমাৰ আৰু ওদালগুৰি জিলাৰ কলাইগাঁৱত অৱস্থিত ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল প্ৰসাদ শৰ্মাক আৰোহণ শৈক্ষিক সমন্বয় বঁটা, দৰং জিলাৰ ছিপাঝাৰৰ বিশিষ্ট সমাজ কৰ্মী বিনোদ চহৰীয়াক আৰোহণ সামাজিক সমন্বয় বঁটা আৰু বিশিষ্ট সমাজ - সাংস্কৃতিক কৰ্মী নিপন নাথক আৰোহণ সমাজ হিতৈষী বঁটা, নাম খোলাৰ বিশিষ্ট সাংবাদিক দ্বীপেন ডেকাক আৰোহণ গ্ৰাম্য সাংবাদিকতা বটা, নলবাৰী জিলাৰ বৰনদ্দীৰ বিশিষ্ট শিল্পী তথা সাংস্কৃতিক কৰ্মী মৃদুল কুমাৰ ডেকাক অসম শিল্পী প্ৰাণ বঁটা কামৰূপ জিলাৰ কমলপুৰ মহৰীয়াৰ ডাঃ পুলিন কুমাৰক আৰোহণ সাংস্কৃতিক সমন্বয় বঁটা, কামৰূপ জিলাৰ ৰঙিয়া চেপতিৰ ৰাজেন্দ্ৰ শৰ্মাক আৰু ৰঙিয়া মহখলিৰ তপন চন্দ্ৰ কলিতাক আৰোহণ কৃতি শিক্ষক বঁটা আৰু কাৰ্বি আংলং জিলাৰ বোকাজানৰ ডাঃ দ্বীপ জ্যোতি শয়ামক আৰোহণ স্বাস্থ্য সমন্বয় বঁটাৰ লগতে গুৱাহাটী বেলতলাৰ জীৱন শইকীয়ালৈ আৰোহণ সাহিত্য বঁটা, গোৱালপাৰা জিলাৰ মৰনৈৰ বিশিষ্ট শিল্পী তথা শিক্ষক ৰূপক কলিতাক আৰোহণ শিল্পী বঁটা আৰু বিশিষ্ট সমাজ কৰ্মী হৰমোহন কলিতাক আৰোহণ সামাজিক সমন্বয় বঁটা, গুৱাহাটী পানবজাৰ লাখটকীয়াৰ বিশিষ্টা সমাজ কৰ্মী চাজিৰা বেগমক আৰোহণ সমাজ সেৱীকা বঁটা প্ৰদান কৰাৰ উপৰিও উক্ত অনুষ্ঠানতে শিল্পী- সাহিত্যিক-সাংবাদিক সুৰক্ষা মঞ্চ,অসমৰ তৰফৰ পৰা শোণিতপুৰ জিলাৰ চিৰাজুলী নিবাসী বিশিষ্ট শিল্পী তথা অভিনেতা, সাংবাদিক সুজিৎ কটকীক অসম জন হিতৈষী বঁটা, কামৰূপ জিলাৰ হাজো পানী পাৰাৰ বিজয় বৰনক আৰোহণ শিল্পী বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত শিশু শিল্পী বনস্মিতা নাথৰ শিশু নৃত্য আৰু ৰেষ্ট পইন্ট আৰ্ট এণ্ড ডেঞ্চ স্কুলৰ তৰফৰ পৰা বিশেষভাৱে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। শেষত অনুষ্ঠানত বাৰে ৰহনীয়া গীত-মাত আৰু নৃত্যৰ অনুষ্ঠানেৰে সফল সামৰণি পৰে।



## আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত জিলিকিল ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মাৰ অসমীয়া চুটি ছবি 'অগ্নিস্নাতা'




সকলো গুৰুত্বপূৰ্ণ কাহিনীৰ দৰে আৰম্ভ হৈছিল নীৰৱে, কোনো ঘোষণা অবিহনে। মিতব্যয়িতাৰে নিৰ্মিত, কিন্তু অটল বিশ্বাসেৰে সৃষ্ট, ২৫ মিনিট দৈৰ্ঘ্যৰ এখন চুটি অসমীয়া চলচ্চিত্ৰই। স্মিতা বৰ্মনৰ দ্বাৰা পৰিচালিত আৰু বিশিষ্ট চিকিৎসক ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মাৰ দ্বাৰা প্ৰযোজিত 'অগ্নিস্নাতা' নামৰ চুটি ছবিখনে ইণ্ডিয়ান পেনোৰামা আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ ২০২৫-২৬ শ্ৰেষ্ঠ অনুপ্ৰেৰণামূলক চুটি ছবি (মানবীয় সাহস, আঞ্চলিক) বিভাগত বটা লাভ কৰিছে। লগতে নতুন দিল্লীত অনুষ্ঠিত ষোড়শ দাদা চাহেব ফাল্কে চলচ্চিত্ৰ মহোৎসৱত চাৰ্টিফিকেট অৱ এক্সিলেন্স লাভ কৰিছে। ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মাৰ চুটিগল্প সংকলন 'মন বিৰণাৰ জুইৰ' 'অগ্নিদগ্ধা' নামৰ গল্পটোৰ আধাৰত চিত্ৰনাট্য ৰচনা কৰিছে প্ৰভাত গোস্বামী, নিমানন্দ দাস আৰু পৰিচালিকা স্মিতা বৰ্মনে নিজেই মূল গল্পৰ আৱেগিক আৰু বিষয়গত সাৰবস্তুক ভিত্তি হিচাপে লৈ। উল্লেখ্য যে 'অগ্নিস্নাতা'ৰ মূলতে আছে সামাজিক সচেতনতাৰ এক শক্তিশালী দলিল। যিটো নাটকৰ ছদ্মবেশত উপস্থাপিত। ছবিখনে অগ্নিদগ্ধৰোগীৰ সংকটক কেন্দ্ৰ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁলোকে কেনেকৈ জীয়াই থাকে, চিকিৎসা লাভ কৰিবলৈ কি সমস্যাৰ সন্মুখীন হয় আৰু সচেতনতাৰ অভাৱে কেনেকৈ প্ৰকৃত মানবীয় মূল্য আদায় কৰে। ছবিখনৰ প্ৰযোজক ডাঃ শৰ্মাই ইয়াৰ অন্তৰালত থকা জৰুৰী সামাজিক প্ৰয়োজনীতাৰ কথাও উল্লেখ কৰিছে। আনহাতে ছবিখনত অভিনয় কৰা নবীন-প্ৰবীণ অভিনেতা-অভিনেত্ৰীসকল আছিল ক্ৰমে-ভ্ৰান্তি মেধি, হিমাদ্ৰি দেৱী, পঙ্কজ মহন্ত, ডাঃ ভূপেন্দ্ৰ প্ৰসাদ শৰ্মা, অনামিকা শৰ্মা বৰদলৈ, শেৱালী নেওগ, অনিতা চক্ৰবৰ্তী, প্ৰাঞ্জল প্ৰতীম কলিতা, ডাঃ দীপক শৰ্মা, ডাঃ কবিতা চাংমা চৌধুৰী, ডাঃ অপৰাজিত বৰ্মন, তৃষ্ণা কলিতা, ডেইজি নাথ, সৃষ্টি শৰ্মা, জেচিমা বেগম, পুতুলী কলিতা, ললিতা বুংবেন, বুদ্ধি ভট্টৰয় আৰু ৰজনী ৰংপিয়ে। ছবিখনৰ চিত্ৰগ্ৰহণ কৰিছে প্ৰবীণ বসুমতাৰীয়ে, সহযোগী ধীৰাজ, ৰূপসজ্জা বাবলু ৰাজৰ, সহকাৰী নিতুল ঠেংগাল, প্ৰযোজনা সহকাৰী অভিজিত শইকীয়া, ডাবিং পপী মহন্ত, সম্পাদনা মৃন্ময় অনামিক ফুকন আৰু ধ্ৰুৱজ্যোতি বৰা, ভি এফ এ' অভিজিত সন্দিকৈ, গ্ৰাফিক্স ৰাহুল আমিন, শব্দ ৰূপাংকৰণ আৰু মিশ্ৰণ ভূপেশ শইকীয়া, আবহ সংগীত ভূপেশ শইকীয়া আৰু দেবজিত ব্ৰহ্ম, শীৰ্ষ গীতৰ শিল্পী শতৰূপা দেৱী, গীতিকাৰ ভূপেশ শইকীয়া, সহকাৰী পৰিচালক প্ৰাণজিত প্ৰীতম কলিতা। তেনেদৰে ছবিখন নিৰ্মাণত বিশেষ সহযোগিতা আগবঢ়াইছে বিশিষ্ট চিকিৎসক আৰু গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালৰ মুখ্য পৰিচালন সঞ্চালক ডাঃ হিতেশ বৰুৱাই। ছবিখনৰ পৰিচালিকা স্মিতা বৰ্মনে অগ্নিদগ্ধ আঘাতৰ চিকিৎসাগত, সামাজিক আৰু পাৰিবাৰিক জটিলতাক সৰলীকৰণ নকৰি, সহানুভূতি, সংবেদনশীলতা আৰু স্পষ্টতাৰে উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছে।

# কামৰূপ জিলাত ৰাষ্ট্ৰীয় ঘাইপথ সুৰক্ষা, যান-বাহন নিয়ন্ত্ৰণ আদিৰ বাবে প্ৰামাণিক কাৰ্যকৰী পদ্ধতি এছঅপি জাৰি

**জনকল্যাণ বাৰ্তাৰ সেৱা, কামৰূপ, আমিনগাঁও ঃ** উচ্চতম ন্যায়ালয়ৰ Suo Motu Writ Petition (Civil) No. 9/2025-ত জাৰি কৰা নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় ঘাইপথৰ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰা, যান-বাহন চলাচল সুশৃংখল কৰা নিশ্চিত কৰাৰ উদ্দেশ্যে কামৰূপ জিলা প্ৰশাসনে এখন প্ৰামাণিক কাৰ্যকৰী পদ্ধতি (Standard Operating Procedure - SOP) জাৰি কৰিছে। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জাৰি কৰা এই SOP তৎকালীনভাৱে বলবৎ হ'ব। ইয়াৰ মূল উদ্দেশ্য হৈছে ৰাষ্ট্ৰীয় ঘাইপথৰ সুৰক্ষা নিশ্চিত কৰা, অবৈধ দখল আৰু অনুমতিহীন বাণিজ্যিক কাৰ্যকলাপ ৰোধ কৰা, অবৈধ পাৰ্কিং নিয়ন্ত্ৰণ কৰা আৰু সংশ্লিষ্ট বিভাগসমূহৰ মাজত সমন্বিত ব্যৱস্থা গঢ়ি তোলা। উল্লেখ্য যে কামৰূপ জিলাৰ মাজেৰে পাৰ হোৱা ৰাষ্ট্ৰীয় ঘাইপথ-২৭ (NH-২৭) আৰু অন্যান্য ঘোষিত ঘাইপথসমূহ যাত্ৰীবাহী, মালবাহী আৰু বাণিজ্যিক বাহনৰ ব্যাপক চলাচলৰ বাবে অতি গুৰুত্বপূৰ্ণ। এই SOP-ৰ জৰিয়তে পথ সুৰক্ষা, যান-বাহন শৃংখলা আৰু জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা অধিক সুদৃঢ় কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। SOP অনুসৰি জিলা প্ৰশাসন, জিলা আৰক্ষী, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (NHAI), ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম (NHIDCL), পৰিবহণ বিভাগ, লোক নিৰ্মাণ (পথ) বিভাগ আৰু স্থানীয় স্ব-শাসিত প্ৰতিষ্ঠানসমূহৰ মাজত এক সমন্বিত ব্যৱস্থা গঠন কৰা হৈছে। যান-বাহন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত SOP অনুসৰি কোনো ভাৰী বাহন, বাণিজ্যিক বাহন, মালবাহী ট্ৰাক, ট্ৰেইলাৰ বা পৰিবহণ বাহন ৰাষ্ট্ৰীয় ঘাইপথৰ চলাচল পথ বা পথৰ কাষত পাৰ্কিং বা স্থগিত কৰিব নোৱাৰিব। কেৱল নিৰ্ধাৰিত লে-বাই, অনুমোদিত পাৰ্কিং স্থান আৰু অনুমোদিত পথৰ কাষৰ সুবিধা কেন্দ্ৰসমূহতহে বাহন ৰখাব পাৰিব। এই ক্ষেত্ৰত আৰক্ষী আৰু পৰিবহণ বিভাগক নিয়মীয়া ঘাইপথ টহল আৰু বিশেষ অভিযান চলাবলৈ নিৰ্দেশ দিয়া হৈছে। এই নিয়ম উলংঘনৰ ক্ষেত্ৰত ই-চালান ব্যৱস্থা, GPS-সক্ষম আলোকচিত্ৰ, CCTV আৰু Advanced Traffic Management System (ATMS)-ৰ সহায়ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লগতে টহলদাৰী দলসমূহে সকলো প্ৰয়োগমূলক ব্যৱস্থাৰ ডিজিটেল আৰু লিখিত নথি সংৰক্ষণ কৰিব। SOP অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ Right of Way (ROW) এলেকাৰ ভিতৰত কোনো অনুমতিহীন ধাবা, খাদ্য বিপণী, অস্থায়ী শেড, পাৰ্কিং ষ্টেণ্ড, বিক্ৰী কেন্দ্ৰ, বাণিজ্যিক প্ৰতিষ্ঠান অথবা অন্য কোনো ধৰণৰ স্থাপনা স্থাপন কৰিব নোৱাৰিব। অবৈধ দখল চিনাক্তকৰণ আৰু উচ্ছেদৰ বাবে সংশ্লিষ্ট চক্ৰ বিষয়াসকলক NHAI, NHIDCL, PWRD আৰু আৰক্ষী বিভাগৰ সহযোগত নিয়মীয়া পৰিদৰ্শন আৰু সমীক্ষা চলাই ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলা প্ৰশাসনে সকলো বাহন চালক, পৰিবহণ সংস্থা, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু সাধাৰণ ৰাইজক ৰাষ্ট্ৰীয় ঘাইপথসমূহ সুৰক্ষিত আৰু যানজঁটমুক্ত কৰি ৰখাৰ স্বাৰ্থত প্ৰশাসনৰ সৈতে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

## পাঞ্জাৱত আপৰ জয় যাত্ৰা অব্যাহত....



আম আদমি পাৰ্টীক নিঃশেষ কৰিবলৈ যথপৰ চেষ্টা চলোৱা বিজেপিয়ে এইবাৰ পাঞ্জাৱৰ নগৰ নিগমৰ নিৰ্বাচনত বাৰুকৈয়ে মুখ থেকেচা খালে.... !

প্ৰথমে আপৰ মুখ্য নেতা সকলক বিনা কাৰণত, বিনা দোষত দোষী সাব্যস্ত কৰি জেলত ভৰাই দিল্লী জয় কৰিলে ! আপ মূল নেতাসকলে যাতে অনাগত দিনবোৰত নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰে তাৰ বাবেও প্ৰচেষ্টা চলায় মুখ থেকেচা খালে, আম আদমি পাৰ্টীৰ Registration বাতিল কৰিবলৈ নিৰ্বাচন আয়োগতো অভিযোগ দাখিল কৰিলে....

আনকি আম আদমি পাৰ্টীৰ সাত গৰাকীকৈ ৰাজ্যসভাৰ সাংসদক নিজৰ দলত যোগদান কৰালে....

কিয় আৰু কিহৰ ইমান ভয় আপকলৈ ?

গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই আপক 'চুপাৰি জিতনা পাৰ্টী' বুলি কৈ তুচ্ছ তাচ্ছিল্যসূচক মন্তব্য কৰিছিল, পিছে সেই পাৰ্টীটোকলৈ বিজেপিৰ ইমান কিহৰ ভয় ?

হেজাৰ চেষ্টা কৰিও আপৰ জয় যাত্ৰা ৰুদ্ধ কৰিব নোৱাৰিলে বিজেপিয়ে, আজি পাঞ্জাৱৰ জনতাই আপৰ ওপৰত ৰখা ভৰসা আৰু আস্থাই তাৰেই প্ৰমাণ কৰিছে......

**মনিৰুজ জামান**
ৰাজ্যিক সাধাৰণ সম্পাদক (সংগঠন) আপ যুৱ শক্তি, অসম

## ডিব্ৰুগড়ত ৰাজনু বড়া সোঁৱৰণী টি টুৱেণ্টি ক্ৰিকেট

# বিজয়ী ক্ৰিকেট ক্লাৱ অৱ ডিব্ৰুগড় দলক নগদ ২৫ হাজাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ জালান আউটডৰ ষ্টেডিয়ামত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই আয়োজন কৰা ৰাজনু বড়া সোঁৱৰণী প্ৰাইজমানি টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত ক্ৰিকেট ক্লাৱ অৱ ডিব্ৰুগড় (চি চি ডি) বিজয়ী হয়। আজি অনুষ্ঠিত হোৱা ফাইনেল খেলখনত চিচিডিয়ে ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰক ৬ উইকেটত পৰাস্ত কৰে। পুৱা ডিব্ৰুগড় ক্ৰিকেট কোচিং চেণ্টাৰে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২০ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক জায়ান য়াছিন আহমেদে সৰ্বাধিক ৩৫ ৰাণ , আজ্জাদ জলিলে ২৩ ৰাণ আৰু ৰাছিম বাব্বৰে ১৯ ৰাণ কৰে। চিচিডিৰ অধিনায়ক গুঞ্জন জ্যোতি ডেকাই ৩ টা উইকেট লাভ কৰে। ইয়াৰ পিছতে চিচিডিয়ে বেট কৰিবলৈ আহি গুঞ্জনৰ ৪৩ ৰাণ আৰু সম্ভৱ আগৰৱালাৰ অপৰাজিত ৪২ ৰাণৰ সহায়ত ১৮.১ অভাৰত ৪ উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। গুঞ্জন জ্যোতি ডেকাক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটিং, চাবুৱা নমস্য দলৰ স্পীনাৰ দীপক গোহাঁইক শ্ৰেষ্ঠ বলাৰ, কোচিং চেণ্টাৰৰ ৰাছিম বাব্বৰক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ, গুঞ্জন জ্যোতি ডেকাক ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে পুৰস্কৃত কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়া, প্ৰাক্তন ৰাজ্যিক ক্ৰিকেটাৰ নীলম বৰুৱা আৰু অজিত হাজৰিকা, ট্ৰফীৰ দাতা ঋতুপৰ্ণ বড়া, জিলা ক্ৰীড়া সন্থাৰ কাৰ্য্যকৰী সভাপতি মানস জ্যোতি দত্ত আৰু কোষাধ্যক্ষ প্ৰণৱ সোনোৱাল উপস্থিত থাকি বঁটা সমূহ প্ৰদান কৰে। বিজয়ী দলে ট্ৰফীসহ নগদ ২৫ হেজাৰ টকা আৰু বিজিত দলে ট্ৰফীসহ নগদ ১৫ হেজাৰ টকা লাভ কৰে।

## ৰামধেনু শৈক্ষিক ন্যাস, বংশৰৰ উদ্যোগত প্ৰথম বাৰ্ষিক গিৰিবালা দাস সোঁৱৰণী কুইজ প্ৰতিযোগিতা

**জনকল্যাণ বাৰ্তাৰ সেৱা, ৰমেন ভৰালী,বংশৰ ঃ** কামৰূপ জিলাৰ ৰামধেনু শৈক্ষিক ন্যাস, বংশৰৰ উদ্যোগত আৰু প্ৰত্যাশা জাতীয় বিদ্যালয়ৰ সহযোগত বিদ্যালয় প্ৰাংগণত যোৱা ৩১ মে'ত প্ৰথম বাৰ্ষিক গিৰিবালা দাস সোঁৱৰণী কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। কামৰূপ জিলা ভিত্তিত অনুষ্ঠিত হোৱা এইপ্ৰতিযোগিতাখনত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাৰ সমাগম হয় বুলি উদ্যোক্তা শ্ৰী জিন্টু দাসে জানিবলৈ দিয়ে ।প্ৰাৰম্ভিক দুটা আৰু মূখ্য তিনিটা ৰাউণ্ডৰ অন্তত প্ৰথম স্থান দখল কৰে কে.চি.কে. জাতীয় বিদ্যালয়, ক্ষেত্ৰিহাৰদিয়াৰ ছাত্ৰ কৌশিক কলিতা আৰু অংশুমণি কাশ্যপে, দ্বিতীয় স্থান দখল কৰে শংকৰদেৱ শিশু নিকেতন, সোণেশ্বৰৰ ছাত্ৰী চয়নিকা গোস্বামী আৰু ৰামানুজন পাব্লিক স্কুল, বাইহাটাৰ ছাত্ৰী ভাস্বতী শাণ্ডিল্যই আৰু তৃতীয় স্থান দখল কৰে গণেশ দাস হাইস্কুল, শুৱালকুছিৰ ছাত্ৰী পংচী দাস আৰু সৰ্ব্বাণী দাসে ।তাৰোপৰি, কে.চি.কে. জাতীয় বিদ্যালয়ৰ ছাত্ৰী বাৰ্বী বৈশ্য আৰু হিয়াশ্ৰী কলিতা, জল্টি দাস হাইস্কুলৰ মুন কলিতা আৰু জুবলী ভৰালী আৰু ৰামসৰস্বতী একাডেমীৰ আলমাছ আখতাৰ, ঈশান প্ৰহ্লাদ শৰ্মাই নিচুকনি বঁটা লাভ কৰে। কুইজ পৰিচালক হিচাপে উপস্থিত থাকে অসম ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° প্ৰণৱজ্যোতি শৰ্মা, বৈধ পৰিমাণ বিজ্ঞান বিভাগৰ গুৱাহাটীৰ পৰিদৰ্শক শ্ৰী প্ৰাঞ্জল দাস আৰু কামৰূপ (উত্তৰ পাৰ) জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক শ্ৰী পৰশমণি কলিতা ।বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰে ন্যাসৰ সভাপতি কুমুদ ঠাকুৰীয়া, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে জ্ঞানজ্যোতি জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰমোদ চন্দ্ৰ কলিতা, অৱসৰী প্ৰধান শিক্ষক মনোমোহন দাস, অৱসৰী আৰক্ষী বিষয়া ক্ষীৰোদ বৈশ্য, কৈলাশ দাস, শংকৰদেৱ শিশু বিদ্যা নিকেতন, পলশবাৰীৰ প্ৰধানাচাৰ্য মণ্টু গোস্বামী, শুৱালকুছি অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী অনিল কুমাৰ দাস। প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে অসমীয়া প্ৰতিদিন কাকতৰ জেষ্ঠ সাংবাদিক কনক বৈশ্য দেৱে। তেখেতে ভাষণত বৰ্তমান প্ৰতিযোগিতাৰ দিনত কুইজ প্ৰতিযোগিতাৰ প্ৰাসংগিতাৰ সম্পৰ্কত এক আলোকপাঠ কৰে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত এনেধৰণৰ অনুষ্ঠান এটি আয়োজন কৰাৰ বাবে উদ্যোক্তা সমিতিলৈ অভিভাৱক-অভিভাৱিকাসকলে কৃতজ্ঞতা জ্ঞাপন কৰে।

# কামৰূপত মানুহ-হাতী সংঘাত প্ৰতিৰোধৰ ব্যৱস্থা পৰ্যালোচনা

## জীৱন আৰু সম্পত্তিৰ ক্ষতি হ্ৰাস কৰাই মুখ্য লক্ষ্য

**জনকল্যাণ বাৰ্তাৰ সেৱা, কামৰূপ, আমিনগাঁও ঃ** কামৰূপ জিলাৰ পলাশবাৰী আৰু বকো-ছয়গাঁও সহ-জিলাৰ অন্তৰ্গত অঞ্চলসমূহত বৃদ্ধি পোৱা মানুহ-হাতী সংঘাতৰ ঘটনাসমূহৰ পৰিপ্ৰেক্ষিতত আজি আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ বিশেষ মুখ্য সচিব এম. কে. যাদৱৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত পলাশবাৰীৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য উপস্থিত থাকে। লগতে নিম্ন অসম সামাজিক বনানীকৰণ চক্ৰৰ ভাৰপ্ৰাপ্ত বন সংৰক্ষক ছানীদেও ইন্দ্ৰদেও চৌধুৰী, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জিত কুমাৰ দেৱ, পলাশবাৰী সম-জিলা আয়ুক্ত ভাস্কৰ জ্যোতি কলিতা, বকো-ছয়গাঁও সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভাৰদ্বাজ অতিৰিক্ত আৰক্ষী অধীক্ষক পুনম পেগু; চক্ৰ বিষয়াসকল, বন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকে। বৈঠকত মানুহ-হাতী সংঘাতপ্ৰৱণ অঞ্চলসমূহৰ বৰ্তমান



পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে হাতীৰ চলাচলৰ ফলত সংঘটিত শস্য নষ্ট, সম্পত্তিৰ ক্ষতি আৰু মানৱ জীৱনৰ ক্ষয়-ক্ষতি হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। আলোচনাত আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা অধিক শক্তিশালী কৰা, বন বিভাগ, জিলা প্ৰশাসন আৰু স্থানীয় জনসাধাৰণৰ মাজত সমন্বয় বৃদ্ধি কৰা, জনসচেতনতা বৃদ্ধিৰ লগতে হাতীৰ গতিবিধি নিৰীক্ষণৰ বাবে প্ৰযুক্তিনিৰ্ভৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰিও মানুহ-হাতী সংঘাতত ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে ক্ষতিপূৰণ প্ৰদান আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থা অধিক ফলপ্ৰসূ কৰাৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত আদৰণি ভাষণ ৰাখি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে মানুহ-হাতী সংঘাতৰ ফলত হোৱা জীৱন আৰু সম্পত্তিৰ ক্ষতি সম্ভৱপৰিমাণে হ্ৰাস কৰাটোৱেই জিলা প্ৰশাসনৰ মুখ্য লক্ষ্য। তেওঁ লগতে জনায় যে সংঘাতপ্ৰৱণ অঞ্চলসমূহত হাতীৰ অনুপ্ৰৱেশ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ছ'লাৰ ফেন্সিং স্থাপন আৰু পৰ্যবেক্ষণ টাৱাৰ (Watch Tower) নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। সভাত বিশেষ মুখ্য সচিব এম. কে. যাদৱে এই সমস্যা সমাধানৰ বাবে সকলো বিভাগ, স্থানীয় জনসাধাৰণ আৰু অন্যান্য অংশীদাৰৰ সমন্বিত আৰু সুদীৰ্ঘম্যাদী পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে স্থানীয় ৰাইজৰ সুৰক্ষা নিশ্চিত কৰাৰ সমান্তৰালভাৱে বন্যপ্ৰাণী সংৰক্ষণ আৰু প্ৰাকৃতিক বাসস্থান ৰক্ষাও সমানে গুৰুত্বপূৰ্ণ। বৈঠকত অংশগ্ৰহণকাৰীসকলে মানুহ আৰু হাতীৰ মাজত শান্তিপূৰ্ণ সহাৱস্থান নিশ্চিত কৰাৰ লক্ষ্যৰে অধিক জনসম্পৃক্ততা, বৈজ্ঞানিক ব্যৱস্থাপনা আৰু আন্তঃবিভাগীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত মত প্ৰকাশ কৰে।

# ভালপাও তোমাক

■ ত্ৰৈলোক্য নীল ডেকা

ভালপাও তোমাক
একদম চিধা কথা

চুইংগাম চোবাই চোবাই,
তিনিআলিৰ কেঁকুৰীত দিয়া,
এইটো এটা প্ৰস্তাৱ নহয়,
এয়া মোৰ হৃদয়ৰ শ্বাস্বত সত্য।

ভালপাওঁ তোমাক
একদম চিধা কথা।



চিগাৰেট হুপি ধোৱা উৰুৱাই,
এয়া তোমাক লৈ কৰা কল্পনা নহয়,
হৃদয়ৰ নিভৃত কোণত গজালি মেলা,
তুমি নামৰ ভালপোৱাৰ বটবৃক্ষ।

নালাগে তোমাৰ সন্মতি,
নালাগে তোমাৰ সঁহাৰি,
নালাগে তুমি ক'ব ভালপাওঁ বুলি,
তোমাক ভালপাওঁ যেতিয়া,
ভালপোৱাৰে আৰম্ভণি,
ভালপোৱাতে সামৰিম।।

ফোন ঃ ৯১২৭৩৬১৩৫১

# নীৰৱতা

■ তিলোত্তমা দাস নাথ

কেতিয়াবা শব্দৰ বোজাই
কোঙা কৰি তোলে,
চকু পানীবোৰ শুকাই শিল হৈ পৰে
বুজাই ক'বলৈ ভাষাবোৰ হেৰাই যায়
চাৰিওপিনে কেৱলমাত্ৰ নিৰৱতা।
হৃদয়ত খোপনি পুতে স্মৃতিবোৰে।
ৰাতিবোৰ বৰ গধুৰ লাগে
টোপনিয়ে পলাই পত্ৰং দিয়ে
ইকাতি-সিকাতিত বিছনাখনেও
ভৰ সহিব নোৱাৰে অনুভৱহে কৰোঁ।
চিলমিল টোপনিত শব্দবোৰে
মনৰ মাজত ভুমুকি মাৰে।
শব্দবোৰে বৰ কষ্ট দিয়ে
যেতিয়া বোবা হৈ পৰো।
সাৰ পাই দেখোঁ কেৱল শূন্য।



# জীৱনৰ ভাষা

■ মীনা বৰুঠিয়াল

জীৱন মানে মাথোঁ নিশা নহয়,
আছে পুৱাৰ কোমল পোহৰ।
দুখৰ মাজতো কেতিয়াবা
মিঠা হাঁহিৰ সুৰেৰে ভৰে মনটো।



কলমেৰে লিখোঁ যি অনুভৱ,
সেয়া কেৱল শব্দ নহয়
মোৰ অন্তৰৰ নীৰৱ কান্দোন,
আৰু আশাৰ সৰু এটা জোনাক।

হাৰ নামানো এই পথত মই,
যদিও বতাহে বাধা দিয়ে।
কাৰণ মোৰ সপোনবোৰে
এতিয়াও আকাশ স্পৰ্শ কৰিবলৈ চায়।
যদি পঢ়া এই কবিতা,
বুজিবা—
এয়া কেৱল লিখনি নহয়,
এয়া মোৰ জীৱনৰ ভাষা।

ফোন ঃ ৯৩৯৫৩৫১৬৯০

# ৰাঙলী আজি আইৰ মুগা সাজ

■ অবিনাশ হাজৰিকা




ৰাঙলী আজি আইৰ মুগা সাজ,
জুইৰ আঙঠাত বিলীন হ'ল এটা সুৰ
কিমান যে সপোন আছিল ন তোৰ
কিন্তু...
কিন্তু নিমিষতে অহা এজাক ধুমুহাই
শেষ কৰি দিলে সকলো সপোন।
ৰাঙলী হৈ গ'ল আজি
আইৰ সেই মুগা সাজযোৰ।
কণ্ঠৰ সুভাসেৰে বিলীন যদিও
আজি তই নিমাত অ'...
দুহাতৰ জেতুকাৰ ৰঙা ৰংবোৰৰ দৰে
দেহৰ তেজেৰে মেৰিয়াই পেলালে তোক অ'...
আজি এই ব'হাগৰ আনন্দ যেন নিথৰ।
ভাস্কৰজ্যোতি বিহু দলৰ যেন
এটুকুৰা অংশ এৰাই গ'ল।
নেগেৰা নামৰ সেই নামতি
নিশামণি আজি জোনবাই দেশত।
আজি তোৰ সেই তেজৰ চেকুৰাবোৰ
ভেকেতা ভেকেত গোন্ধাইছে।
আজি যেন সেই দেহটোত
কোনোবাই জুই লগাই দিছে।
প্ৰিয় সাজযোৰ আৰু প্ৰিয় বিহু গীতটোৰে
তোক আজি বিদায় দিছে।
জোনবাই দেশত আজি যেন
আনন্দ-উল্লাস,
সকলোৰে মৰমৰ নিশামণি গৈছে যে...।।

ফোন ঃ ৮৮১২০-৮৫১০৬

# এনেকৈয়ে এদিন

■ নীলাক্ষী শান্দিল্য

এখন নৈ বৈ আছে,
তাই এইপাৰে
সি সিপাৰে।
ইচ্ছা কৰিলে সাঁকো এডাল দি ল'ব পাৰে,
নিদিয়ে...
পচণ্ড অভিমান।



এখন নৈ বৈ আছে,
তাই এইপাৰে
সি সিপাৰে।
দুয়োকাষে ঘন সেউজীয়াৰ দলিচা,
দুয়ো বাগৰ দিয়ে
নিৰলে...নিশব্দে...।

তাই এইপাৰে
সি সিপাৰে
শীতৰ কুঁৱলীৰ বৰযুনত কঁপি,
ইটোৱে সিটোক চকুৰে খেপিয়াই।
মনিব নোৱাৰালৈকে চুকুত চকু থৈ উম লয়,
নৈখন বৈ যায়...বৰফ হৈ।

নৈ খন আকৌ বয়,
বসন্তৰ বেলিয়ে এজাক পখিলা এৰি দিয়ে,
পখিলাজাকে এডাল সাঁকো সাজে
অভিমান তেতিয়ালৈ গলি
নৈৰ নীলাত বিলীন হয়।

নৈখন বৈ আছে
তাই এইপাৰে
সিও এইপাৰে
ঘন সেউজীয়াৰ দলিচাত দুয়ো বাগৰ দিছে,
বসন্তৰ বেলিয়ে দুয়োকে আলফুলে চুইছে
সি উশাহ লৈছে...
আৰু তাই দেহত নিথৰ শীত মেৰিয়াই
তেতিয়াও অভিমানী হৈ শুই আছে।
নৈখন এতিয়াও বৈ আছে।

# জাতীয়তাবাদৰ ছাঁয়া আৰু নিৰৱ চকুলো

■ বাবু ডেকা (নয়ন)

এদিন মাটিৰ গভীৰতা খনি,
বিহাৰৰ নুনীয়াই আহিছিল সোৰোপা হাতেৰে।
ইটা ভাটাত জ্বলি জ্বলি, ৰিক্সাৰ চাকাত ঘূৰি ঘূৰি,
সপোন বুনিছিল আই অসমীৰ বুকুত।

তেওঁলোক আছিল দেশৰ নাগৰিক,
ভাষা বেলেগ, কিন্তু হৃদয় একে মাটিৰ।
কিন্তু আহিল উৎপাতৰ ঢৌ, আলফাৰ বোমা,
জাতীয়তাবাদৰ নামত বিদ্বেষৰ জুই।
নোহোৱা হ'ল নুনীয়া, উধাও হ'ল থেলাৰ চাকা,
খালী হৈ গ'ল অসমৰ খনি-ভাটা।



পাছত আহিল চুক্তিৰ কলম,
সদৌ অসম ছাত্ৰ সন্থাৰ স্বাক্ষৰ।
লাখ লাখ পূৰ্ব বংগীয়ৰ নামত নাগৰিকত্ব,
সন্দেহৰ ছাঁত ঢকা এটা নতুন ঢৌ।
বিহাৰীৰ ঠাই পুৰালে বাংলাদেশীয়ে,
দেশী নাগৰিকক খেদি বিদেশীক আদৰি ল'লে।

জাতীয়তাবাদৰ ভুল ব্যাখ্যাৰ ফল,
আজি অসম ডুবিছে অচিনাকি স্ৰোতত।
ভাষা, ভূমি, সংস্কৃতিৰ নামত যুঁজি,
শেষত হেৰুৱাই পেলালোঁ নিজৰেই ঘৰ।

আৰু আজি...
অসমীয়া ছোৱালীৰ চকুলোৰ ধাৰ,
নিতৌ লাঞ্ছনাৰ আঁতৰত বৈ যায়।
কেৰেলীয়া ৰাতি, ভয়ৰ ছাঁত ঢকা দিন,
মৰিয়া সপোনবোৰ আজি কাৰ হাতত?

কেৱল এটা কথা বাকী থাকিল-
যিদিনা জাতীয়তাবাদ সঁচা অৰ্থত জাগিব,
সেইদিনা বিদেশীৰ কৱল ভাঙিব,
আৰু অসমীয়াৰ আত্মসন্মান ঘূৰি আহিব।

নহ'লে এই বেদনাৰ কবিতা চলি থাকিব,
অসমৰ বুকুত, চিৰকাল চিৰদিন ।

ফোন ঃ ৯৩৬৫৯৩৬৮০৩

# প্ৰাৰ্থনাত

■ দৰ্শনা দাস

নালাগে মোক কোনেও একো সুধিবহি
কোন প্ৰভাততে ফুলি-ফুলি সৰি পৰা
ফুল মই চম্পাৱতী।

উদং হিয়াখনি মোৰ কোনে পুতি থ'লে তাত
তেজীমলা নহয় মই, মাটিমনোহৰ
ফুলা নাই ফুলা নাই ইয়াত।



এদিন তইয়ো যাবি মইয়ো যাম,
তৰা হ'লে লগ পাম, তৰাৰ দেশত।
হিয়াখনি মোৰ কোনে নিলে, কোনে নিলে,
পুতি থ'লে তাত।

কোনোও বিশ্বাস নকৰে, নকৰে মোক
যি শোভাৰে ফুলিলোঁ, ফুলিলো অতকাল ৰঙাজবা
লাগী অ', এলাগীৰ দোষে তোকো চুব চাবি

হিয়াখনি মোৰ কোনে পুতি থ'লে তাত,
কোনে নি পুতি থ'লে হিয়া মোৰ জীয়া
হে' ঈশ্বৰ, দোষ মোৰ নাই,
তথাপি নধৰো দায়, তথাপি নধৰো দায়।

ফোন ঃ ৮৮২২৬৫৭১৬১

# সমাধিত ফুলা জোনাক

■ ৰাতুল ৰোমিঅ' মৰাং

মাক তৰাৰ দেশলৈ উৰা মাৰিলে
নিঠৰ পৃথিৱী এখন থৈ
কণমানি পৰীজনী বহি ৰ'ল মাটিৰ মূৰ্তিটোৰ
কাষত
মউশাহৰ নাও বান্ধি থৈ সময়ৰ ঘাটত।

মানুহৰ সান্ত্বনাৰ বৰষুণ সৰে
কিন্তু তাই বুকুৰ মৰুভূমি তিয়াব নোৱাৰিলে
বাৰে বাৰে শিলৰ কপাল চুই চায়
উশাহ বিচাৰে, উম বিচাৰে— যি সূৰ্য নুমাল
আজি।

তাই তিনি বছৰীয়া পখিলাজনী হওঁতেই
মাৰ বুকুৰ নিজৰা লাহে লাহে শুকাল
কিডনীৰ মৰুত জীৱনৰ পানী কমিল,
গাখীৰৰ সোঁত মাজতে ছিঙিল।



ঔষধৰ পাহাৰে দম বান্ধিলে ঘৰত
টকাৰ জুইত পুৰিলে সপোন
পখিলা খেদাৰ বয়সত তাই
বগা কোট এটা সপোনত পিন্ধিলে
কবিতাৰ বেজীৰে সিলালে
কুমলীয়া বুকুৰ কেঁচা ঘা।

ৰোগৰ ছাঁ দিনে দিনে বাঢ়ি আহিল,
মাৰ চকুৰ তৰা ম্লান হৈ আহিল।
ডাক্তৰৰ ঘৰলৈ গ'লেই
তাই হৃদয়ৰ ঘড়ী বন্ধ হৈ ৰয় —
ঘূৰি নহালৈকে উশাহ গণি
মনটো থৰ লাগে।

প্ৰাৰ্থনাৰ চাকি জ্বলাই জ্বলাই
নিয়তিৰ ধুমুহাক ৰখাব খুজিলে
কিন্তু বিধাতাৰ কলমৰ এটা আঁচোৰত
মাৰ বুকুখন আকাশ হৈ গ'ল —
তৰা হৈ জ্বলিবলৈ।

সিদিনা বিশ্বাসৰ দেৱাল ভাঙি পৰিল
ইমানবোৰ বেজী, ইমানবোৰ দৰৱ
মিছা হৈ গ'ল নেকি সকলো বিধান?
আউল লগা অংক এটা হৈ ৰ'ল জীৱন।

বিদ্ৰোহৰ জুই জ্বলিল তাই বুকুত
ঔষধৰ টোপোলাবোৰ দলিয়াই দিলে মাটিৰ বুকুত
নিমাত কান্দোন এটা হৈ
বতাহত মিলি গল তাইৰ উচুপনি।

আজিও যায় তাই মাৰ সমাধিৰ বাৰীলৈ
শিলৰ বুকুত ৰুই থোৱা ফুলৰ পুলিত
চকুপানীৰে পানী দিয়ে।

কিজানি এদিন মা ফুল হৈ ফুলিব
গোলাপৰ পাহিত হাঁহিব মাৰ মুখ
শেৱালিৰ গোন্ধত উমাল হ'ব বতাহ।

সেই ফুলৰ মাজতেই বিচাৰিব তাই
হেৰোৱা সপোনৰ জালিকটা ৰ'দ
বগাকোট পিন্ধি দুখীয়াক বিলাই দিব
মাৰ এবুকু মৰম
যি মৃত্যুৱেও কাঢ়ি নিব নোৱাৰিলে।

ফোন ঃ ৯৩৬৫৭৭৫৮৩০

# মাজবাট বিদেশী ন্যায়ধীকৰণ আদালতত নিযুক্তি কেলেংকাৰী

## ■ নিৰ্বাচনৰ আচৰণ বিধিৰ বলবৎ হোৱাৰ সময়তেই নিযুক্তি

## ■ ন্যায়ধীশ ভূপেন চন্দ্ৰ পেগুক অব্যাহতিৰ দাবী

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** মাজবাট বিদেশী ন্যায়ধীকৰণ আদালত বৃহত অনিয়মেৰে পৰিচালিত হোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ মতে ২০২৬ বৰ্ষৰ অসম বিধানসভা নিৰ্বাচনৰ আচৰণ বিধি বলবত হৈ থকাৰ সময়তেই অতি গোপনে ধেমাজীৰ মানৱ দাও আৰু গীতা পেগুৱে মাজবাট বিদেশী ন্যায়ধীকৰণ আদালতত ন্যায়ধীশৰ ব্যক্তিগত চৰকাৰী সহায়ক ন'নপ্লেন আৰু ঠিকাভিত্তিক চাফাই কৰ্মী হিচাপে কৌশলগতভাৱে কাগজে কলমে নিযুক্তি লাভ কৰাত মাজবাটত চৰ্চাৰ বিষয়বস্তু হৈ পৰিছে। কোনো ধৰণৰ বিজ্ঞাপন নিদিয়াকৈ ন্যাধীশৰ ব্যক্তিগত সহায়ক আৰু চাফাই কৰ্মী পদত ধেমাজীৰ দুজনলোকক মাজবাট বিদেশী ন্যায়ধীকৰণ আদালতত ন্যায়ধীশ ভূপেন চন্দ্ৰ পেগুই নিযুক্তি দিছে। সচৰাচৰ চাফাই কৰ্মীৰ পদত অনুসূচিত জাতিৰ লোকক অগ্ৰাধিকাৰ দিব লাগে যদিও উক্ত নিযুক্তিৰ ক্ষেত্ৰত সেই নিয়ম প্ৰয়োগ নকৰি জনজাতি সম্প্ৰদায়ৰ লোকক পাঁচ হাজাৰ টকীয়া ঠিকাভিত্তিক চাফাই কৰ্মী হিচাপে ধেমাজীৰ মহিলা এগৰাকীক নিযুক্তি দিয়াত মাজবাটত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। কাৰ্যালয়ত উপস্থিত নোহোৱাকৈয়ে লোক দুজনে নিযুক্তি পালে, যোগদানো কৰিলে, নিয়মিত উপস্থিতও দেখুৱাইছে , দৰমহাৰ বিলো বনাইছে, দৰমহাও লাভ কৰিলে, কাগজে -কলমে নিযুক্তি পোৱা সহকৰ্মী দুজনক কাৰ্যালয়ৰ অন্যান্য লোকসকলে দেখা নাই। এইবোৰ সম্ভৱ হৈছে একমাত্ৰ ন্যায়ধীশ ভূপেন চন্দ্ৰ পেগুৰ বাবেই। ন্যায়ধীশ ভূপেন চন্দ্ৰ পেগুৰ ন ন কেলেংকাৰীৰ তথ্য এটা এটাকৈ পোহৰলৈ আহিবলৈ ধৰিছে। কেলেংকাৰীৰ বাবেই তেখেত ওডালগুৰি - জোনাই ৰ পিছতেই মাজবাট বিদেশী ন্যায়ধীকৰণ আদালতত ন্যায়ধীশ হিচাপে যোগদান কৰি প্ৰায় এবছৰ পশু চিকিতসালয় বিভাগৰ মাজবাটস্থিত চৰকাৰী অতিথিশালাটো তেখেতে বাসগৃহৰ লগতে আদালত হিচাপেও ব্যৱহাৰ কৰাত সৰ্বসাধাৰণ ভীষণ সমস্যাত পৰিছে। জানিব পৰা মতে তেখেতে চৰকাৰী অধিবক্তা অবিহনে নিজেই অতিথিশালাত কেছ সমূহ মীমাংসা কৰাত ভিতৰি ভিতৰি ক্ষোভিত হৈ পৰিছে সৰ্বসাধাৰণ। সৰ্বসাধাৰণে জানিবলৈ দিয়ামতে চালান বিহীনভাৱে জামিনৰ বাবদ সংগ্ৰহ কৰা দহ হাজাৰ টকা নৱনিযুক্ত ন্যায়ধীশৰ ব্যক্তিগত সহায়ক মানৱ দাওৰ পাছবুকেৰে সংগ্ৰহ কৰে ভূপেন চন্দ্ৰ পেগুই। যাৰ পৰিপ্ৰেক্ষিত অভিযুক্তই পৰৱৰ্তী সময়ত উক্ত টকাটো ওভতাই পাবলৈ হাতত কোনো তথ্যই নাথাকে। জামিনৰ ধন টেজাড়ী চালানেৰে বেংকত জমা কৰিলে চৰকাৰৰ ৰাজকোষত জমা হয়। কিন্তু ভূপেন পেগুৱে সেইটো নকৰি নৱনিযুক্ত ব্যক্তিগত সহায়ক মানৱ দাওৰ পাছবুকৰ জৰিয়তে সংগ্ৰহ কৰাত চৰকাৰৰ ৰাজকোষত উক্ত ধন জমা হয় নে নহয় সন্দেহ সৰ্বসাধাৰণৰ। অভিযুক্তৰ হৈ যি সকল লোক জামিন লবলৈ আগবাঢ়ি আহে তেখেত সকলৰ মাটিৰ নথি পত্ৰৰ পৰিৱৰ্তে মাটিৰ চৰকাৰী নিৰীক্ষৰ প্ৰমাণ পত্ৰ বিচাৰে ভূপেন চন্দ্ৰ পেগুৱে। মাজবাট বিদেশী ন্যায়ধীকৰণ আদালতত ন্যায়ধীশ ভূপেন চন্দ্ৰ পেগুই কৰি থকা খেলি মেলিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে সৰ্বসাধাৰণে।



# কাৰ্বি আংলঙৰ উদীয়মান যুৱ সাংবাদিক কবি খগেশ্বৰ দাসলৈ ২০২৬ বৰ্ষৰ 'সংবাদ সৌৰভ' বঁটা প্ৰদান

**জনসাধাৰণ বাৰ্তা, হাওৰাঘাট ঃ** পাহাৰীয়া জিলা কাৰ্বি আংলঙৰ উদীয়মান যুৱ সাংবাদিক,কবি তথা 'বিদ্যাঞ্জলি' আঁচনিৰ সেচ্ছাসেৱক ৰাজনৈতিক বিজ্ঞান শিক্ষক খগেশ্বৰ দাসক ২০২৬ বৰ্ষৰ 'সংবাদ সৌৰভ' বঁটা প্ৰদান কৰা হৈছে। ২৪ মে' ২০২৬, দেওবাৰে যোৰহাটৰ বিজ্ঞান কেন্দ্ৰৰ তাৰকাগৃহত 'দৈনিক সংবাদ' আৰু 'দিগদৰ্শন প্ৰকাশন গোষ্ঠীৰ যৌথ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ গ্ৰন্থ উন্মোচন আৰু বঁটা বিতৰণী সভাত তেওঁক এই সন্মান অৰ্পণ কৰে। নিষ্ঠা আৰু সততাৰে সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দাসে ইয়াৰ পূৰ্বেও 'আসাম ফ'কাচ'ৰ মঞ্চত 'যুৱ সাংবাদিক বঁটা' লাভ কৰিছিল। সংবাদ সেৱাৰ উপৰি তেওঁ অবৈতনিকভাৱে স্বেচ্ছাসেৱক ৰূপে শিক্ষকতা, সামাজিক কাম-কাজ আৰু সাহিত্য চৰ্চাৰ সৈতে নিবিড়ভাৱে জড়িত। আৰ্থিক নাটনিৰ বাবে বহু বাধাৰ সন্মুখীন হোৱা সত্ত্বেও নিজৰ প্ৰচেষ্টাৰে তেওঁ প্ৰথমখন কাব্য সংকলন 'বিদ্যাঞ্জলি' ওৰাংৰ ভিচিডিচিৰ প্ৰেক্ষাগৃহত প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল। জানিব পৰা মতে, দাসৰ দ্বিতীয়খন কাব্য সংকলন 'মোৰ কবিতা এদিন আকাশ চুব' অহা জুন মাহৰ শেষৰ ফালে প্ৰকাশ পাব।

# ২৯নং কমাৰগাঁও তিৱা স্বায়ত্ত পৰিষদত ব্যাপক দুৰ্নীতিৰ অভিযোগ

## ক্ষমতাৰ অপব্যৱহাৰ আৰু জনগণৰ ধন লুটপাতৰ গুৰুতৰ অভিযোগ উঠিছে

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** গোপন সূত্ৰৰ মতে, অজিত পাটৰে নিজৰ তিৱা-লালুং সমাজৰ গৰীব লোকসকলক বঞ্চিত কৰি অন্য সমাজৰ লোক আৰু নিজৰ আত্মীয়-স্বজনক সুবিধা দি জনগণৰ টকা নিজৰ স্বাৰ্থতব্যৱহাৰ কৰিছে। খেলপথাৰৰ নামত ১০লাখ টকাৰ লুট-কমাৰগাঁওৰ মাজমজিয়াত খেলপথাৰ নিৰ্মাণৰ নামত তিৱা স্বায়ত্ত পৰিষদৰ পৰা ১০ লাখ টকা মঞ্জুৰ কৰা হৈছিল। ঠিকাদাৰ হিচাপে জিতু দেউৰীক নিয়োগ কৰা হৈছিল যদিও আজিলৈকে সেই ঠাইত এটা টকাৰো কাম হোৱা নাই কিন্তু ইয়াৰ সম্পূৰ্ণ ধন গিলি পেলোৱা হৈছে বুলি অভিযোগ উঠিছে। এয়া কোনো সাধাৰণ ভুল নহয়, প্ৰকাশ্য লুটপাত বুলি স্থানীয় লোকে তীব্ৰ ক্ষোভপ্ৰকাশ কৰিছে। IBS প্ৰদানত চৰম অনিয়ম-IBS বিতৰণতো গুৰুতৰ অনিয়ম হোৱা বুলি অভিযোগ। নিজৰ তিৱা সম্প্ৰদায়ৰ গৰীব পৰিয়ালক বাদ দি অন্য সমাজৰ লোকক অধিক সুবিধা দিয়া হৈছে। উদাহৰণ ঃ লাওঁপানী গাঁওৰ এটা ভূএঞা পৰিয়ালক ৬টা IBS। লাওঁপানী গাঁওৰে এটা ডেকা পৰিয়ালক ৪টা IBS। লাওঁপানীৰ হাজৰিকা পৰিয়ালকো IBSৰ ধন আবণ্টন দিছে, অজিত পাটৰৰ কেৱল নিজৰ ব্যক্তিগত স্বাৰ্থৰ বাবে। আটাইতকৈ আলোচিত আৰু লাজজনক কথা হ'ল - কমাৰগাঁওৰ এঘৰ ধনী পৰিয়াল, অজিত পাটৰৰ শহুৰেকৰ ঘৰ, কিন্তু অজিত পাটৰে নিজৰ শহুৰেকৰ ৩টা IBS দিয়া হৈছে বুলি জানিবলৈ দিছে,ইয়াৰ বিপৰীতে কিন্তু অজিত পাটৰৰ নিজা গাঁওৰ বহুতো তিৱা পৰিয়ালে দৈনিক হাজিৰা কৰি কোনোমতে জীৱন নিৰ্বাহ কৰিছে, অথচ তেওঁলোকক একো সুবিধা দিয়া নহ'ল। আৰু এটা গুৰুতৰ অভিযোগ অজিত পাটৰ ৰ বিৰুদ্ধে, এজন ভূএঞা উপাধিৰ লোকে কামৰ ধন পাবলৈ আছিল। অজিত পাটৰে সেই ধন নিদি তেওঁৰ পৰিয়ালক ৬টা IBS আবণ্টন কৰি দি সেই ধন উঠাই লোৱাৰ ব্যৱস্থা কৰিছিল। তাৰে ৫টা কাম কৰা ধনৰ বিনিময়ত আৰু এটা IBSৰ ধন ভূএঞাক উপহাৰ হিচাপে দিয়া হৈছিল বুলি জনা গৈছে। পৰৱৰ্তী সময়ত ভূএঞাই এনে কাৰো কায্যৰ প্ৰতিবাদ কৰাত অজিত পাটৰে তেওঁক শাৰীৰিক আৰু মানসিকভাৱে অপদস্থ কৰি লাওঁপানী আৰক্ষী চকীত গটাই দিয়া হৈছিল বুলিও সূত্ৰই জনাইছে। কমাৰগাঁওৰ দুজন স্থানীয় লোকে তীব্ৰ ক্ষোভেৰে কৈছে যে, নিজে তিৱা-লালুং যুৱক হৈয়ো নিজৰ সমাজৰ গৰীব লোকৰ টকা লুট কৰি অন্য সমাজ আৰু আত্মীয়-স্বজনক সুবিধা দিয়াটো সম্পূৰ্ণ বিশ্বাসঘাতকতা। যদি এই অভিযোগসমূহ সত্য হয়, তেন্তে অজিত পাটৰ তিৱা স্বায়ত্ত পৰিষদৰ সদস্য হিচাপে থকাৰ কোনো নৈতিক অধিকাৰ নাই। তিৱা স্বায়ত্ত পৰিষদৰ উচ্চ কৰ্তৃপক্ষ, জনজাতি কল্যাণ বিভাগ আৰু আৰক্ষীয়ে তৎকালে তদন্ত আৰম্ভ কৰি দোষী প্ৰমাণিত হ'লে কঠোৰ শাস্তি দিয়া উচিত বুলি স্থানীয় লোকে মন্তব্য কৰিছে।জনগণৰ টকা জনগণৰ বাবেই খৰচ হ'ব লাগে - নেতাৰ পকেটত নহয়। দুৰ্নীতিৰ বিৰুদ্ধে তিৱা-লালুং সমাজে সংঘবদ্ধ হোৱাৰ সময় আহিছে। এই প্ৰতিবেদন গোপন সূত্ৰৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। সংশ্লিষ্ট বিভাগে তদন্ত কৰিলে প্ৰকৃত সত্য প্ৰকাশ পাব আৰু জোলোঙাৰ মেকুৰী ওলাই পৰিব।

# কামৰূপ জিলাত অনুসূচিত জাতি অনুসূচিত জনজাতি অত্যাচাৰ প্ৰতিৰোধ আইন

## ১৯৮৯ৰ অধীনত গঠিত জিলা নিৰীক্ষণ সমিতিৰ বৈঠক সম্পন্ন




**জনকল্যাণ বাৰ্তাৰ সেৱা, কামৰূপ, আমিনগাঁও ঃ** অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি (অত্যাচাৰ প্ৰতিৰোধ) আইন, ১৯৮৯ৰ অধীনত গঠিত জিলা স্তৰৰ সতৰ্কতা আৰু নিৰীক্ষণ সমিতি (DLV&MC)-ৰ এখন পৰ্যালোচনা বৈঠক আমিনগাঁও স্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত বকো-ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেছ আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য আৰু কামৰূপৰ জিলা আয়ুক্ত দেব কুমাৰ মিশ্ৰ উপস্থিত থাকে। বৈঠকত গৃহ পৰিদৰ্শনৰ স্থিতি, পৰিমাপ দক্ষতা, ABHAৰ স্থিতি, APAAR ID, পোষণ অভিযানৰ ২১ দিনৰ বাবে অংগনৱাড়ী কেন্দ্ৰসমূহৰ অৱস্থাৰ লগতে NIDA-ৰ আৰু RIDF-ৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ কামৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। বৈঠকত বিধায়কদ্বয়ে চলি থকা সকলো কাম সময়মতে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সংশ্লিষ্ট বিষয়াসকলক আঁচনি আৰু পদক্ষেপসমূহ সুচাৰুৰূপে ৰূপায়ণ আৰু নিয়মীয়াকৈ নিৰীক্ষণ নিশ্চিত কৰিবলৈ আহ্বান জনায়। বৈঠকত জিলা আয়ুক্ত দেব কুমাৰ মিশ্ৰই ভাষণ প্ৰদান কৰি সংশ্লিষ্ট সকলো বিভাগ আৰু বিষয়াসকলক আলোচিত বিষয়সমূহৰ ওপৰত সক্ৰিয়ভাৱে কাম কৰিবলৈ আহ্বান জনায় আৰু চৰকাৰী আঁচনি আৰু সেৱাসমূহৰ বিষয়ে অধিক জনসচেতনতা সৃষ্টিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। বৈঠকত কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত, জিলা সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্য, সকলো খণ্ড উন্নয়ন বিষয়াসকল, শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, জিলা প্ৰশাসনৰ বিষয়াসকলৰ লগতে কামৰূপ জিলাৰ অন্তৰ্গত বিধায়কসকলৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

## কামৰূপত বিশ্ব ধঁপাত বিৰোধী দিৱস পালন

# ধঁপাতমুক্ত সমাজ গঠনত জনসচেতনতা বৃদ্ধিৰ আহ্বান




**জনকল্যাণ বাৰ্তাৰ সেৱা, কামৰূপ, আমিনগাঁও ঃ** হাজোৰ দমদমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ব ধঁপাত বিৰোধী দিৱস-২০২৬ উপলক্ষে 'Unmasking the AppealÊ. Countering Nicotine and Tobacco Addiction' শীৰ্ষক বিষয়বস্তুৰে এক সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ, কামৰূপ আৰু জিলা স্বাস্থ্য সমিতি, কামৰূপৰ যৌথ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ উদ্দেশ্য আছিল ধঁপাত আৰু নিক'টিনজনিত আসক্তিৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা আৰু এখন সুস্থ, ধঁপাতমুক্ত সমাজ গঠনত সকলোকে উদ্বুদ্ধ কৰা। অনুষ্ঠানত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই মুখ্য অতিথি হিচাপে অনুষ্ঠানত উপস্থিত থাকি আয়ুক্ত গৰাকীয়ে কয় যে ধঁপাত সেৱনে ব্যক্তিৰ স্বাস্থ্যৰ লগতে পৰিয়াল আৰু সমাজৰ ওপৰত গভীৰ নেতিবাচক প্ৰভাৱ পেলায়। তেওঁ বিশেষকৈ যুৱ প্ৰজন্মক ধঁপাত, গুটখা, জৰ্দা, খৈনী আদি নিচাজাতীয় সামগ্ৰীৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে ধঁপাত নিয়ন্ত্ৰণ কেৱল চৰকাৰৰ দায়িত্ব নহয়, বৰং সমাজৰ প্ৰতিজন ব্যক্তিৰ সক্ৰিয় অংশগ্ৰহণেৰে এখন সুস্থ আৰু সুৰক্ষিত সমাজ গঠন সম্ভৱ। ইয়াৰ উপৰিও জিলা আয়ুক্ত গৰাকীয়ে শিক্ষাৰ্থীসকলক ধঁপাত সেৱন আৰু অন্যান্য ক্ষতিকাৰক নিচাজাতীয় অভ্যাসৰ পৰা দূৰত থাকিবলৈ আহ্বান জনায়। তেওঁ কয় যে এই ধৰণৰ অভ্যাসে কেৱল স্বাস্থ্যৰ ক্ষতি সাধন নকৰে, বৰং শিক্ষাৰ্থীসকলক তেওঁলোকৰ জীৱনৰ লক্ষ্য আৰু আকাংক্ষাৰ পৰা বিচ্যুত কৰাৰ সম্ভাৱনাও সৃষ্টি কৰে। আয়ুক্ত গৰাকীয়ে লগতে কয় যে নিজৰ পৰিৱেশ পৰিচ্ছন্ন আৰু সুস্থ কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ধঁপাতমুক্ত আৰু পৰিষ্কাৰ পৰিৱেশ গঢ়ি তোলাটো সকলো নাগৰিকৰ দায়িত্ব। সমল ব্যক্তি হিচাপে উপস্থিত থাকি অধ্যাপক তথা দায়িত্বপ্ৰাপ্ত বিষয়া, মুখ্য গৱেষক তথা প্ৰতিৰোধমূলক কৰ্কট ৰোগ বিভাগ, নেচনেল ট'বেকো কুইট লাইন চাৰ্ভিচেছ, ডাঃ ভুৱনেশ্বৰ বৰুৱা আঞ্চলিক কৰ্কট প্ৰতিষ্ঠান (BBCI)ৰ অধ্যাপিকা ডাঃ শ্ৰাৱণা মিশ্ৰ ভাগৱতীয়ে ধঁপাত সেৱনৰ ফলত হোৱা বিভিন্ন ধৰণৰ কৰ্কট ৰোগ, হৃদৰোগ আৰু অন্যান্য জটিল স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। লগতে ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচী, স্বাস্থ্য সেৱা সঞ্চালকালয়, অসমৰ ৰাজ্যিক পৰামৰ্শদাতা ডাঃ ৰমেশ ভট্টাচাৰ্যই ধঁপাত নিয়ন্ত্ৰণ আইন, ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচী আৰু ধঁপাত ত্যাগৰ বাবে উপলব্ধ সেৱাসমূহৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান গুৱাহাটীৰ সহযোগী অধ্যাপক ডাঃ ৰামদাস ৰানসিংয়ে স্বাস্থ্যসচেতনতা বৃদ্ধি আৰু জীৱনশৈলীৰ ইতিবাচক পৰিৱৰ্তনৰ জৰিয়তে ধঁপাতজনিত ৰোগ হ্ৰাস কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ অংশ হিচাপে কামৰূপ জিলা পথ সুৰক্ষা সমিতিৰ সহযোগত পথ সুৰক্ষা বিষয়ক এক সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। এই অধিৱেশনত কামৰূপৰ সহকাৰী আৰক্ষী অধীক্ষক দীপক শৰ্মা আৰু মটৰ যানবাহন পৰিদৰ্শক জয়সিং ৰংফাৰে পথ দুৰ্ঘটনা প্ৰতিৰোধ, যান-বাহন চলাচলৰ নিয়ম মানি চলা, হেলমেট আৰু ছিটবেল্ট ব্যৱহাৰ, মদ্যপান কৰি গাড়ী নচলোৱা আদি বিষয়ত উপস্থিত লোকসকলক অৱগত কৰে। অনুষ্ঠানত উপস্থিত সকলো অংশগ্ৰহণকাৰীয়ে ধঁপাতজাতীয় সামগ্ৰী ব্যৱহাৰ নকৰা আৰু ধঁপাত সেৱনকাৰী বন্ধু-বান্ধৱ তথা পৰিয়ালৰ সদস্যসকলক এই ক্ষতিকাৰক অভ্যাস ত্যাগ কৰিবলৈ ধঁপাত বিৰোধী শপত গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত বক্তাসকলে ধঁপাত সেৱনৰ ফলত বৃদ্ধি পোৱা স্বাস্থ্যজনিত বিপদসমূহৰ বিষয়ে আলোকপাত কৰি বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত ধঁপাত সেৱন ৰোধ কৰিবলৈ শিক্ষানুষ্ঠান, স্বাস্থ্য বিভাগ, সমাজৰ নেতৃবৃন্দ আৰু সাধাৰণ জনসাধাৰণৰ সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কামৰূপৰ জিলা প্ৰকল্প বিষয়া স্মিতা শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা সমগ্ৰ অনুষ্ঠানৰ আতঁ ধৰে স্বাস্থ্য বিভাগৰ কৰ্মচাৰী বিকাশজ্যোতি শৰ্মাই। উক্ত অনুষ্ঠানত জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ, কামৰূপৰ জিলা ন'ডেল বিষয়া ডাঃ অৰবিন্দ দাস, হাজো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এছ ডি এম এণ্ড এইচ অ' ডাঃ মাছুদ ইকবাল, দমদমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মা আৰু ৰাষ্ট্ৰীয় স্থাস্থ্য অভিযান মিছন কামৰূপৰ জিলা মিডিয়া বিশেষজ্ঞ নীলাক্ষী মেধীকে ধৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন চৰকাৰী বিভাগৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# কামৰূপ জিলাত নিৰ্বাচনী ব্যয়ৰ হিচাপ পৰীক্ষণ বৈঠক



**জনকল্যাণ বাৰ্তাৰ সেৱা, কামৰূপ, আমিনগাঁও ঃ** অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০২৬ৰ কামৰূপ জিলাৰ অন্তৰ্গত ছয়টা বিধানসভা সমষ্টিৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী আৰু তেওঁলোকৰ নিৰ্বাচনী অভিকৰ্তাসকলৰ নিৰ্বাচনী ব্যয়ৰ হিচাপ পৰীক্ষণ (Account Reconciliation) বৈঠক আজি আমিনগাঁৱৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্তি দিয়া ব্যয় পৰ্যৱেক্ষক (Expenditure Observer) উমেশ কুমাৰ আগৰৱাল আৰু কপিল কুমাৰ সিঙ উপস্থিত থাকে। ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি অনুষ্ঠিত এই বৈঠকত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী আৰু তেওঁলোকৰ নিৰ্বাচনী অভিকৰ্তাসকলে নিজৰ নিৰ্বাচনী ব্যয় পঞ্জীসমূহ ব্যয় নিৰীক্ষণ কোষে সংৰক্ষণ কৰি অহা ছেড' অবজাৰভেচন ৰেজিষ্টাৰ (Shadow Observation Register) আৰু ভিডিঅ' নজৰদাৰী দলৰ জৰিয়তে সংগৃহীত নথিপত্ৰৰ সৈতে মিলাই চায়। এই প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্বাচনী ব্যয়ৰ তথ্যসমূহ সঠিকভাৱে লিপিবদ্ধ হোৱাৰ লগতে ব্যয় নিৰীক্ষণ ব্যৱস্থাত অধিক স্বচ্ছতা আৰু জবাবদিহিতা নিশ্চিত কৰা হয়। ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ফলাফল ঘোষণাৰ পিছত ৩০ দিনৰ ভিতৰত, অৰ্থাৎ অহা ৪ জুন, ২০২৬ তাৰিখৰ ভিতৰত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলে নিজৰ নিৰ্বাচনী ব্যয়ৰ চূড়ান্ত হিচাপ দাখিল আৰু পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰিব লাগিব। বৈঠকত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত তথা নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ দায়িত্বপ্ৰাপ্ত বিষয়া মনিকা বৰগোহাঁই, নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ সৈতে জড়িত বিষয়াবৰ্গ আৰু অন্যান্য সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# অসম নেপালী সাহিত্য সভা ঢেকীয়াজুলি শাখাত ভানুজ্যোতি ভৱনৰ শব্দ বসন্ত উৎসৱত কৃষ্ণ প্ৰসাদ ভট্টৰাইৰ কবিতা পুথি উন্মোচন




**জনকল্যাণ বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি ঃ** অসম নেপালী সাহিত্য সভাৰ ঢেকীয়াজুলি শাখাৰ সৌজন্যত ১৭ মে'ৰবিবাৰে দিনজোৰা কাৰ্যক্ৰমণিকাৰে ভানুজ্যোতি সংঘৰ ঢেকীয়াজুলিস্থিত ভৱনত স্বৰচিত কবিতা পাঠৰ বিশেষ অনুষ্ঠান 'শব্দ বসন্ত উৎসৱ' পালন কৰা হয়। অসম নেপালী সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য দেৱৰাজ খতিৱড়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি মাল্যাৰ্পন কৰে বিশিষ্ট চাহ খেতিয়ক তিল বাহাদুৰ পকোৱালে। সভাত প্ৰায় বিশগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। সেই সকলৰ ভিতৰত ড° দেৱী প্ৰসাদ অধিকাৰী, কৃষ্ণ প্ৰসাদ ভট্টৰাই, দক্ষিণা দেৱী গজুৰেল, ৰামচন্দ্ৰ বস্নেত, ৰঞ্জন দাহাল, নবীন নেউপানে, ৰিজু দেৱী বস্নেত, সুশীলা ভট্টৰাই, টিকেন্দ্ৰ দাহাল অন্যতম। কবিতাৰ মাজে মাজে বৰছলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত বিষয় শিক্ষক হেমন্ত চামলাগাইৰ কণ্ঠ নিগৰি অহা গীতে উপস্থিত ৰাইজক মনোৰঞ্জন দিয়ে। উৎসৱৰ লগত সংগতি ৰাখি একেখন মঞ্চত ওৰাং কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত বিষয় শিক্ষক কৃষ্ণ প্ৰসাদ ভট্টৰাইৰ 'শ্ৰদ্ধাঞ্জলী সুৰসম্ৰাট ড° ভূপেন হাজৰিকালৈ' শীৰ্ষক কবিতা পুথি এখনো উন্মোচন কৰা হয়। ঢেকীয়াজুলি অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে গ্ৰন্থখন উন্মোচন কৰি কয় যে গ্ৰন্থই সাহিত্যৰ ভড়াল চহকী কৰে। কবিতা লিখি তাক গ্ৰন্থ আকাৰে পাঠকৰ মাজত এৰি দিয়া ইমান সহজ নহয়। এইবোৰ সম্ভৱ একমাত্ৰ সাধনাৰ বলত। সাধনা লাগিব, বিষয়বস্তুৰ ওপৰত দখল থাকিব লাগিব। গ্ৰন্থখনৰ প্ৰকাশক শিঙৰী ভঙামন্দিৰ অধিকাৰী প্ৰকাশনৰ স্বত্বাধিকাৰ অৱসৰ প্ৰাপ্ত বেংক বিষয়া ড° দেৱী প্ৰসাদ অধিকাৰীয়ে প্ৰকাশকৰ একাষাৰত লিখিছে - কবিয়ে ইমান দিনে নেপালী ভাষাত লিখা মেলা কৰিছিল যদিও এইবাৰ অসমীয়া ভাষাত কবিতা লিখি গ্ৰন্থ আকাৰে প্ৰকাশ কৰি ৰাইজৰ মাজলৈ উলিয়াই দিছে। গ্ৰন্থখনৰ কবিতা সমূহ প্ৰগতিশীল আৰু বাস্তৱবাদী হোৱা বাবে পঢুৱৈ সকলে সহজে আদৰি লব বুলি দৃঢ় বিশ্বাস। কবিয়ে নিজেই কৈছে - মোৰ কবিতা যদি ৰাইজে ভাল পাই তেন্তে মোৰ পৰিশ্ৰম সাৰ্থক হ'ব। গ্ৰন্থখনৰ অভিমত শিতানত ওৰাং কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰৱক্তা কুমুদ কুমাৰ শৰ্মাই লিখিছে-কবিতাবোৰৰ বেছি ভাগেই দেশপ্ৰেমমূলক, ক্ৰান্তিকাৰী আৰু আধ্যাত্মিকতাৰে পৰিপূৰ্ণ। অতিথিৰ কলমত ড° বৈয়জন্ত কেওঁটে লিখিছে-কবিৰ কবিতা সমূহ একুৰিয়ামৰ সোণালী মাছ। মেদবৰ্জিত নহ'লেও ব্যাধি মুক্ত। কবিতাবোৰ বিভিন্ন ৰূপালী আভাৰে সুসজ্জিত। সুৰজ চাপাগাইৰ হাতৰ প্ৰৰসত প্ৰাণ পাই উঠিছে গ্ৰন্থখনৰ সুন্দৰ বেটুপাত। সভাত উপস্থিত হৈ অৱসৰ প্ৰাপ্ত ৰাজহচক্ৰ বিষয়া নৰেশ্বৰ উপাধ্যায়, হিমসাগৰ উপাধ্যায়, হৰ্কবাহাদুৰ পকোৱাল, পুষ্পলাল উপাধ্যায়, ইন্দ্ৰ প্ৰসাদ ফয়েল, টিকাৰাম ভট্টৰাই, নীলকান্ত নেৰৱে বক্তব্য আগবঢ়ায়। ৰঞ্জন দাহালে আতঁধৰা অনুষ্ঠানটোৰ অসম সংগীতেৰে বিয়লি। বজাত সামৰণি পৰে।

# মধ্য প্ৰদেশত ইউচিচি কাৰ্যকৰী কৰা প্ৰক্ৰিয়া আৰম্ভ

কাঠামো গ্ৰহণ কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে দেশৰ তিনিখন ৰাজ্য উত্তৰাখণ্ড, গুজৰাট আৰু অসমত ইতিমধ্যে ইউনিফৰ্ম চিভিল কোড কাৰ্যকৰী কৰা হৈছে। তেওঁলোকৰ নেতৃত্ব অনুসৰণ কৰি মধ্যপ্ৰদেশ চৰকাৰে এতিয়া ৰাজ্যখনত একেধৰণৰ বিধান প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই প্ৰক্ৰিয়াটো সহজ কৰি তুলিবলৈ চৰকাৰে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট বিশেষজ্ঞৰে গঠিত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশৰ নেতৃত্বত গঠিত এই সমিতিখনে সমগ্ৰ মধ্যপ্ৰদেশৰ জিলা পৰিদৰ্শন কৰি বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ সদস্যকে ধৰি নাগৰিকৰ পৰা পৰামৰ্শ বিচাৰিব। ড° যাদৱে কয় যে চৰকাৰে আলোচনা, পৰামৰ্শ আৰু সহমতৰ জৰিয়তে ইউনিফৰ্ম চিভিল কোড কাৰ্যকৰী কৰাৰ মনস্থ কৰিছে। তেওঁ লগতে কয় যে সমাজৰ সকলো শ্ৰেণীৰ মাজত সমন্বয় আৰু ভাৰসাম্য সুনিশ্চিত কৰাৰ সমান্তৰালকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশনাত ৰাজ্য প্ৰশাসনে ক্ষিপ্ৰতাৰে আগবাঢ়িছে।সৰ্বাংগীণ উন্নয়নৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা পুনৰবাৰ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কল্যাণমুখী প্ৰশাসন সমাজৰ প্ৰতিটো শ্ৰেণীৰ মংগলৰ বাবে উৎসৰ্গিত হৈ আছে। তেওঁ লগতে এই কথাও দৃঢ়তাৰে কয় যে মধ্যপ্ৰদেশ ইউনিফৰ্ম চিভিল কোড ৰূপায়ণৰ বাবে দেশৰ আটাইতকৈ উপযুক্ত ৰাজ্যসমূহৰ ভিতৰত অন্যতম। মুখ্যমন্ত্ৰীয়ে আৰু অৱগত কৰে যে ৰাজ্য চৰকাৰে ইউনিফৰ্ম চিভিল কোডৰ বাবে এটা নিৰ্দিষ্ট ৱেবছাইট মুকলি কৰিছে, ফলত নাগৰিকসকলে প্ৰস্তাৱিত কাঠামোৰ ওপৰত নিজৰ পৰামৰ্শ, মতামত আৰু মতামত দাখিল কৰিব পাৰিব।

# মুখ্যমন্ত্ৰীলৈ আছুৰ পত্ৰঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়নৰ বাবে অসমত আন্তঃগাঁথনিৰ অভাৱ

সপ্তম আৰু অষ্টম ষাণ্মাসিকৰ পাঠদানৰ সময়ত ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। পূৰ্বৰ ছটা ষাণ্মাসিকৰ সমান্তৰালকৈ অতিৰিক্ত দুটা ষাণ্মাসিক বৃদ্ধি পোৱাৰ ফলত প্ৰতিটো বিভাগতে নতুন শ্ৰেণীকোঠাৰ প্ৰয়োজন হৈছে, যি আন্তঃগাঁথনি মহাবিদ্যালয়সমূহত এতিয়াও গঢ় লৈ উঠা নাই।আন্তঃগাঁথনিৰ লগতে তীব্ৰ শিক্ষকৰ অভাৱে পৰিস্থিতি অধিক শোচনীয় কৰি তুলিছে। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে চতুৰ্থ বৰ্ষত 'ডিগ্ৰী (অনাৰ্ছ)' বা 'ডিগ্ৰী (অনাৰ্ছ উইথ ৰিচাৰ্ছ)' প্ৰদানৰ কথা কৈছে যদিও গৱেষণাসহ ডিগ্ৰী প্ৰদান কৰিব পৰাকৈ মহাবিদ্যালয়সমূহৰ প্ৰতিটো বিভাগতে পৰ্যাপ্ত আৰু উপযুক্ত শিক্ষক নাই। চৰকাৰে প্ৰয়োজন অনুসৰি স্থায়ী পদ সৃষ্টি নকৰাৰ উপৰি ঠিকাভিত্তিক শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰাত পাঠদান প্ৰক্ৰিয়া একপ্ৰকাৰ অচল হৈ পৰিছে বুলি আছুৱে অভিযোগ কৰিছে। ইয়াৰ উপৰি, বিজ্ঞান শাখাৰ শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয় উন্নত মানৰ গৱেষণাগাৰৰো বেছিভাগ মহাবিদ্যালয়তে ব্যাপক অভাৱ। বিগত তিনি বছৰে চতুৰ্থ বৰ্ষৰ পাঠ্যক্ৰম ৰূপায়ণৰ কোনো স্পষ্ট নিৰ্দেশনা বা ৰূপৰেখা প্ৰস্তুত নোহোৱাত এতিয়া ৰাজ্যৰ বহু মহাবিদ্যালয়ে চতুৰ্থ বৰ্ষৰ পাঠদান কৰিবলৈ অপাৰগতা প্ৰকাশ কৰা বুলি পত্ৰখনত আঙুলিয়াই দিয়া হৈছে। ফলত চাৰিবছৰীয়া ডিগ্ৰী লাভৰ আশাত নামভৰ্তি কৰা শিক্ষাৰ্থীসকল এতিয়া বাধ্য হৈ তিনি বছৰতে কেৱল স্নাতক ডিগ্ৰী লৈ পাঠ্যক্ৰম সামৰিবলগীয়া এক পৰিৱেশৰ সৃষ্টি হৈছে। আনহাতে, চাৰিবছৰীয়া পাঠ্যক্ৰমৰ অন্তত প্ৰয়োজনীয় এবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহ কিমান সাজু হৈছে, তাক লৈয়ো প্ৰশ্ন উত্থাপন কৰিছে ছাত্ৰ সংগঠনটোৱে। এই সমগ্ৰ বিষয়টোক লৈ চৰকাৰৰ জৰুৰী হস্তক্ষেপ দাবী কৰি আছুৱে স্পষ্ট কৰি দিছে যে চাৰিবছৰীয়া পাঠ্যক্ৰম আৰম্ভ কৰা প্ৰতিখন মহাবিদ্যালয়ে শিক্ষাৰ্থীক সম্পূৰ্ণ চাৰিটা বছৰ পঢ়াব লাগিব আৰু তেওঁলোকক তিনি বছৰতে পাঠ্যক্ৰম সামৰিবলৈ কোনো কাৰণতে বাধ্য কৰিব নোৱাৰিব। চৰকাৰক অনতিপলমে প্ৰয়োজনীয় আন্তঃগাঁথনি যোগান ধৰিবলৈ আৰু শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ আছুৱে আহ্বান জনাইছে।

# জাপানত লক্ষ্যণীয়ভাৱে হ্ৰাস পাইছে জনসংখ্যা

জাপানত এই লোকপিয়ল নিয়মীয়াকৈ চলাই অহা হৈছে। লোকপিয়লৰ তথ্য অনুসৰি, যোৱা বছৰৰ ১ অক্টোবৰলৈকে জাপানৰ মুঠ জনসংখ্যা হৈছে ১২ কোটি ৩০ লাখ ৪৯ হাজাৰ ৫২৪ জন। ২০২০ চনৰ আগৰ লোকপিয়লৰ তুলনাতএই সংখ্যা ৩০ লাখ ৯৬ হাজাৰ ৫৭৫ জনলৈ হ্ৰাস পাইছে, যিটো শতাংশৰ হিচাপত ২.৫ শতাংশ পতন। ২০১৫ চনত জাপানত প্ৰথমবাৰৰ বাবে জনসংখ্যা হ্ৰাস পোৱাৰ অভিলেখ সৃষ্টি হৈছিল। এইবাৰৰ লোকপিয়লৰ জৰিয়তে দেশখনত একেৰাহে তৃতীয়বাৰৰ বাবে জনসংখ্যা কমাৰ ধাৰা অব্যাহত থকাটো স্পষ্ট হৈ পৰিল। জাপানৰ ৪৭খন প্ৰশাসনিক অঞ্চলৰ ভিতৰত মাত্ৰ দুখনতহে জনসংখ্যা বৃদ্ধি পাইছে। টকিঅ'ত ১ লাখ ৯৯ হাজাৰ আৰু অ'কিনোৱাত ১ হাজাৰ মানুহ বাঢ়িছে। অৱশ্যে দুয়োখন ঠাইতে জনসংখ্যা বৃদ্ধিৰ হাৰ আগতকৈ বহুত লেহেমীয়া হৈ পৰিছে। বাকী ৪৫খন প্ৰশাসনিক অঞ্চলতে জনসংখ্যা হ্ৰাস পোৱাৰ খবৰ পোৱা গৈছে। ইয়াৰ ভিতৰত আটাইতকৈ বেছি জনসংখ্যা কমিছে হোক্কাইডোত, য'ত প্ৰায় ২ লাখ ৩৯ হাজাৰ লোক হ্ৰাস পাইছে। ইয়াৰ পিছতে আছে চিজুওকা আৰু হিয়োগো, য'ত ক্ৰমে ১ লাখ ৬৪ হাজাৰ আৰু ১ লাখ ৪১ হাজাৰ মানুহ কমিছে।পৰিয়ালৰ সংখ্যাৰ ক্ষেত্ৰত অৱশ্যে এক বেলেগ চিত্ৰ দেখা গৈছে। দেশখনত বৰ্তমান মুঠ পৰিয়ালৰ সংখ্যা ৫ কোটি ৭১ লাখ ২৪ হাজাৰ ৫০৭টা, যিটো যোৱা লোকপিয়লতকৈ প্ৰায় ১২ লাখ ৯৪ হাজাৰ বেছি। ১৯৭০ চনত তুলনামূলক তথ্য সংগ্ৰহ আৰম্ভ হোৱাৰ পৰা এয়াই সৰ্বাধিক পৰিয়াল থকাৰ অভিলেখ। পিছে প্ৰতিটো পৰিয়ালত সদস্যৰ গড় সংখ্যা ২.২৬ৰ পৰা ২.১৫ লৈ হ্ৰাস পাইছে। দেশখনৰ গৃহ মন্ত্ৰালয়ে জনোৱা মতে জাপানত বয়সস্থ লোকসকলে অকলে থকাৰ প্ৰৱণতা বৃদ্ধি পোৱাই ইয়াৰ প্ৰধান কাৰণ।

# অবৈধ বাংলাদেশীৰ বিৰুদ্ধে কঠোৰ বৈদেশিক মন্ত্ৰালয়

অবৈধ নাগৰিকক আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এতিয়া বাংলাদেশৰ ক্ষেত্ৰত, মই আগতে আপোনালোকক জনোৱাৰ দৰে ২,৬৮০টা গোচৰ... বা ২,৬৮০ টাতকৈ অধিক গোচৰ বাংলাদেশী পক্ষলৈ প্ৰেৰণ কৰিছো। তেওঁলোকৰ নাম আমি গতাই দিছো যাতে সেইসকলৰ ৰাষ্ট্ৰীয়তা পৰীক্ষা কৰিব পাৰে।' বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে পুনৰ কয় যে এনে বহু পৰীক্ষণৰ অনুৰোধ পাঁচ বছৰতকৈও অধিক সময় ধৰি তেনেকৈয়ে পৰি আছে। তেওঁ লগতে কয়,“আশা কৰো যে এই বিশেষ বিষয়টোৰ ওপৰত আমি বাংলাদেশৰ পৰা তৎকালীনভাৱে সঁহাৰি লাভ কৰিম।' জয়ছৱালে পুনৰ কয় যে ভাৰত আৰু বাংলাদেশৰ মাজত হোৱা দ্বি-পাক্ষিক ব্যৱস্থাৰ অধীনত তেনে লোকক পৰীক্ষণৰ পিছত পুনৰ বাংলাদেশলৈ বিতাড়িত কৰিব পৰা যাব।হৰমুজ জল প্ৰণালী অতিক্ৰম কৰা ভাৰতীয় জাহাজ সন্দৰ্ভত জয়ছৱালে কয় যে ভাৰতৰ পতাকা থকা ১১খন জাহাজ এতিয়াও পাৰস্য উপসাগৰীয় অঞ্চলত আছে । আনহাতে ১৪খন জাহাজে সফলতাৰে হৰমুজ জল প্ৰণালী অতিক্ৰম কৰি ভাৰতলৈ আহিছে বুলিও তেওঁ কয়।

# আমাৰ মাতৃভাষা ঃ সংকট আৰু নিৰাময়

পাছৰ পৰাই যে অসমীয়া ভাষাক এচাম ধূৰ্তই এলাগী কৰিবলৈ উঠি পৰি লাগিছিল সেয়া সৰ্বজনবিদিত। ইংৰাজসকলে অসমৰ কাৰ্যালয় সমূহত কাম কৰিবলৈ পশ্চিমবংগৰ বঙালী ভাষী লোকসকলক অসমলৈ আনিছিল। তেতিয়াৰ পৰাই এই সকল লোকে অসমীয়া ভাষাৰ বৰঘৰত সিন্ধি খন্দাৰ কাম আৰম্ভ হৈছিল। এই বেংগলী কৰ্মচাৰীসকলৰ প্ৰৰোচনাতে অসমত বঙালী ভাষাক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰা হৈছিল। কিন্তু অসমৰ ৰাইজ আৰু আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনেৰীসকলৰ প্ৰচেষ্টাত অসমত পুনৰ অসমীয়া ভাষাই প্ৰতিষ্ঠা লাভ কৰিছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ১৯৫২ চনৰ পৰা অসমত অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাপে গৃহীত কৰাৰ বাবে এক আন্দোলনৰ সূচনা হৈছিল। তেনে এটা সময়ত ভাষিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ভাৰতৰ 'ৰাজ্য পুনৰ গঠন আইন,১৯৫৬' বলবৎ হোৱাৰ ফলত এই আন্দোলনে এক নতুন গতি লাভ কৰে। ৰঞ্জিত বৰপূজাৰীকে আদি কৰি বিভিন্নজনৰ কেঁচা তেজৰ বিনিময়ত 'অসম চৰকাৰী ভাষা আইন,১৯৬০' (The Assam Official Act, 1960)বলবৎ হোৱাৰ পিছত অসমত অসমীয়া ভাষাক ইংৰাজী ভাষাৰ সৈতে চৰকাৰী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা হয়। অসমীয়া ভাষাটোৱে অতীতৰে পৰা যথেষ্ট নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু বৰ্তমানো যেন ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হোৱা নাই এতিয়া আহো অসমত অসমীয়া কোৱা লোকৰ সংখ্যা সম্পৰ্কে কিছু তথ্যলৈ। অসমত এতিয়া বঙালী ভাষা কোৱা লোকৰ শতকৰা হাৰ ২৮.৯১ (নিউজ নে'ট ওৱানৰ তথ্য)।বাংলা ভাষা অসমীয়া তথা অসমৰ বাবে প্ৰত্যাহ্বান হৈ আছিল, আছে আৰু ভৱিষ্যতেও থাকিব। ভাষা সূচিত বাংলা ভাষাই দ্বিতীয় স্থানলৈ অগ্ৰসৰ হোৱাৰ বিপৰীতে অসমীয়া ভাষা দ্বাদশ স্থানলৈ অৱনমিত হৈছে। ২০০১ চনৰ লোকপিয়লত অসমীয়া ভাষাক মাতৃভাষা হিচাপে স্বীকৃতি দিয়া লোকৰ সংখ্যা আছিল ১৩১৬৮৪৮৪ জন অৰ্থাৎ সমগ্ৰ ভাৰতৰ ১.২৮ শতাংশ লোকে অসমীয়া ভাষা ব্যৱহাৰ কৰিছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে লোকসভাৰ মজিয়াত দিয়া তথ্য অনুসৰি ২০১১চনৰ লোকপিয়লত অসমৰ মুঠ জনসংখ্যাৰ ৪৯ শতাংশ লোকে অসমীয়া কয়। আনহাতে সমগ্ৰ দেশৰে ১.২৬ শতাংশ লোকে অসমীয়াত কথা বতৰা পাতে (নিউজ ১৮)। ২০১১ চনত অসমীয়াক মাতৃভাষা হিচাপে স্বীকৃতি দিয়া লোকৰ সংখ্যা ১৫৩১১৩৫১। ২০০১ চনৰ তুলনাত এয়া এক শুভ লক্ষণ। এনেই সমগ্ৰ ভাৰতৰ তুলনাত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা সেই সময়লৈ ঠিকেই আছে কিন্তু আজি অসমৰ পৰিৱেশ ভয়ংকৰ। ১৯৯১চনৰ লোকপিয়ল অনুসৰি অসমত অসমীয়া কোৱা লোকৰ শতকৰা হাৰ আছিল ৫৭.৮১। ২০০১ চনত ই হয়গৈ ৪৮.৮। ২০১১ত এই পৰিসংখ্যা হয়গৈ ৪৮.৩৮। ১৯৯১ চনৰ পৰা ২০০১ চনলৈ হোৱা অৱনমিত পৰিসংখ্যাই অসমৰ ভাষাৰ বাবে এক ভাবিব নোৱাৰা অশনি সংকেত কঢ়িয়াই আনিছে। আনহাতে এই সময়ত অসমত বেঙ্গলী ভাষা কোৱা লোকৰ সংখ্যা অভাৱনীয় হাৰত বৃদ্ধি পাইছে। যোৱা কেইটামান দিনত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত গোস্বামীৰ কিছুমান কথাই সামাজিক মাধ্যমত তোলপাৰ লগাই আছে। তেওঁ কৈছে চৰ-চাপৰি অঞ্চলৰ ল'ৰা-ছোৱালীয়ে আমাৰ ল'ৰা-ছোৱালীবোৰতকৈ বেছি ভালকৈ অসমীয়া লিখিব জানে। আকৌ সৌ সিদিনা তেওঁ চৰ চাপৰি অঞ্চলৰ মানুহখিনিক আগন্তুক লোকপিয়লত মাতৃভাষা অসমীয়া হিচাপে লিখিবলৈ আহ্বান জনাইছে। এই কথাটোলৈ সাধাৰণ জনতাৰ লগতে বৌদ্ধিক সমাজো বহুধা বিভক্ত হোৱা দেখা গৈছে। তাৰ মাজতে আমাৰ নিচিনা সাধাৰণ মানুহৰ মগজুত ক্ৰিয়া কৰা কিছুমান কথা ৰাইজৰ আগত ব্যক্ত কৰিবলৈ মৰ সাহ কৰিছোঁ। যদি তাত কিবা খুঁটি নাটি ৰৈ যায় তেন্তে পঢ়ুৱৈ সমাজৰ পৰা যোগাত্মক উপদেশ গ্ৰহণ কৰাৰ মানসিকতা আমাৰ আছে।

এতিয়া আহো চৰ চাপৰি অঞ্চলৰ লোকৰ ইতিহাস সম্পৰ্কে কিছু কথা। ঊনৈশ শতিকাৰ শেষৰ ফালে আৰু কুৰি শতিকাৰ প্ৰথম ভাগত অবিভক্ত ভাৰতৰ, পূৰ্ববংগৰ মৈমনসিংহ, পাবনা, ৰংপুৰ আদি জিলাৰ পৰা এদল কৃষক আহি ব্ৰহ্মপুত্ৰৰ চৰ চাপৰি অঞ্চলত স্থায়ীভাৱে বসতি কৰিবলৈ লয়। ইয়াৰে কিছুমানে পুৰুষানুক্ৰমে বসতি কৰি ইয়াৰ ওচৰে পাজৰে থকা থকা গাঁও সমূহৰ ভাষা আদি শিকি লৈ নিজৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাবলৈ লয় আৰু নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ লয়। ব্ৰিটিছ শাসনৰ কালছোৱাত অসমলৈ পূৰ্ববংগৰ পৰা এই লোকসকলৰ ইমানেই সোঁত ববলৈ আৰম্ভ কৰে যাৰ ফলত অসম তথা অসমীয়া ভাষাক ভালপোৱা এচাম অসমীয়া শংকিত হৈ পৰে। ইয়াৰ ভিতৰত অম্বিকাগিৰি ৰায়চৌধুৰী, ককা নীলমণি ফুকন আদি লেখত ল'বলগীয়া। ১৯২০চনৰ পৰা ১৯৪৭ চনলৈ বিভিন্ন ৰাজনৈতিক, সামাজিক বাদানুবাদ চলাৰ পাছত অম্বিকাগিৰি ৰায়চৌধুৰী আৰু ককা নীলমণি ফুকন আদিৰ দৰে লোকসকলে এই চৰ চাপৰি অঞ্চলত বছৰ বছৰ ধৰি বসবাস কৰি থকা বিশেষকৈ খেতি কৰি থকা মানুহখিনিক জাতীয় স্বাৰ্থৰ বাবে অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিক নিজৰ কৰি ল'বলৈ আহ্বান জনায়। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই চৰ চাপৰি অঞ্চলৰ বহুতো কৃষকে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আদৰি লয়। তেওঁলোকে ১৯৫১ চনত হোৱা লোকপিয়লত মাতৃভাষা অসমীয়া হিচাপে সন্নিবিষ্ট কৰে। ইয়াৰ ফলত গোটেই অসমত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা ৪ নিযুত ৬ লাখলৈ বৃদ্ধি পালে। অৰ্থাৎ শতকৰা হিচাপত এই বৃদ্ধি আছিল ৫৯.২৬। অৰ্থাৎ এই সময়ছোৱাত অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা সৰ্বোচ্চ হয়। বাংলা ভাষাৰ পৰা পৰিত্ৰাণ পাবলৈ অসমে ১৯৩১ চনৰ পৰাই যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। ইয়াৰ ফলস্বৰূপে হয়তো ১৯৫১ চনত অসমীয়া ভাষাই সংখ্যাগৰিষ্ঠ লোকৰ ভাষাৰূপে স্বীকৃতি পায়। এইখিনিতে ইতিহাসৰ পম খেদি যদি চোৱা যায় তেন্তে দেখা যায় ঊনৈশ শতিকাৰ শেষৰ ফালে অসমৰ চৰ চাপৰি অঞ্চলত বসবাস কৰি থকা সকলো লোকেই বাংলা ভাষাক মাতৃভাষা হিচাপে ব্যৱহাৰ কৰিছিল আৰু শিক্ষাৰ মাধ্যম হিচাপেও বাংলা ভাষা ব্যৱহৃত হৈছিল। ঊনৈশ শতিকাৰ শেষৰ ফালে ৰত্নেশ্বৰ মহন্ত আদিৰ দৰে অসমীয়াক হাড়ে-হিমজুৱে ভাল পোৱা লোকজনে বাংলা ভাষাৰ আধিপত্যই যে অসমীয়া ভাষাক এদিন এলাগী কৰিব বুজি উঠিছিল। গতিকে ১৮৯০চনৰ ১৩ অক্টোবৰত তেওঁ হেমচন্দ্ৰ গোস্বামীলৈ লিখিছিল 'আমাৰ ছাত্ৰবৃত্তি (এম বি) স্কুলবোৰত বঙলাৰ সলনি অসমীয়া ভাষা চলাব লাগে বুলি মৌলবী মহিবুদ্দিন আহমদ বি এলৰ লগ লাগি এখন দৰ্খাস্ত তৈয়াৰ কৰিছোঁ। আপোনাসকলেও তেনেকুৱা দৰ্খাস্ত এখন লিখি শিক্ষা বিভাগৰ সঞ্চালককলৈ পঠিয়াওক।' (I have had a memorial drawn up by Moulovi Mahibuddin, B L, in the subject of introduction of our Assamese in the MV School instead of Bengali) ইয়াৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাংলা মাধ্যমৰ বিদ্যালয় সমূহত অসমীয়া ভাষা প্ৰয়োগৰ যি বৌদ্ধিক আন্দোলন আৰম্ভ হৈছিল তাত অসমীয়াসকলৰ উপৰি ব্ৰহ্মপুত্ৰৰ চৰ চাপৰিত বসবাস কৰা লোকসকলেও অংশ গ্ৰহণ কৰিছিল। ভাষাক নিলগাই ৰাখি যদি চোৱা যায় তেন্তে দেখা যায় যে ধৰ্ম নিৰপেক্ষতাৰ নামত অতীতৰে পৰা অসমৰ এচামে মুছলমানৰ হৈ ওকালতি কৰিছিল। তাৰে এটা উদাহৰণ দিব খুজিছোঁ। ১৯২৭ চনৰ ২৩ জুলাইত অসম বিধান পৰিষদৰ সদস্য ছৈয়দৰ ৰহমানে অসম বিধান পৰিষদত অসমৰ চৰ চাপৰি অঞ্চলত বসবাস কৰি থকা পূৰ্ববংগীয় মুছলমান কৃষকসকলৰ সন্দৰ্ভত তেওঁৰ ঐতিহাসিক ভাষণত কৈছিল- এইসকল লোক স্থায়ীভাৱে বসবাস কৰা লোক হৈ নাথাকিব, বৰং তেওঁলোকে আহোম আৰু কলিতাসকলৰ দৰেই একাত্ম হৈ প্ৰকৃত অসমীয়া হৈ পৰিব। অসমীয়া ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত চৰ চাপৰিৰ লোকসকলৰ অৱদান থকা বুলি কোৱা সাহিত্য সভাৰ সভাপতিসকলৰ ভিতৰত ড° বসন্ত গোস্বামীয়ে প্ৰথমজন সভাপতি নহয়। ১৯১৭ চনৰ পৰা ২০০৭ চনলৈ মুঠ চৌষষ্ঠীগৰাকী সাহিত্য সভাৰ সভাপতিয়ে তেওঁলোকৰ অভিভাষণত চৰ চাপৰিৰ ইছলামধৰ্মী জনসাধাৰণৰ অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে সম্পৰ্ক আৰু অসমীয়া জাতি গঠনত অংশগ্ৰহণ সম্পৰ্কে সন্মান সহকাৰে উল্লেখ কৰিছে।

অসম মানেই সহজ সৰল লোকৰ বাসস্থান। অসম মানেই অতিথি পৰায়ণ লোকেৰে ভৰি থকা এখন ৰাজ্য। সেয়ে হয়তো আমি কথাবোৰ সহজভাৱে বুজি লও। কিন্তু বৌদ্ধিক পৰিপক্কতা থকা লোকসকলে আমাতকৈ বহুত জানে। তেওঁলোক আমাতকৈ যথেষ্ট অগ্ৰজ। কিন্তু তেওঁলোকেও হয়তো কিছুমান কথাৰ উমান নাপালে। তেওঁলোকে ভাবিবই পৰা নাছিল যে চৰ চাপৰি অঞ্চলত বসবাস কৰা পূৰ্ববংগীয় মুছলমানসকলে এদিন গোজেই গজালি মেলি অসমীয়াৰ অস্তিত্বলৈ ভাবুকি নমাই আনিব। তেওঁলোকে যে এই ভয়াৱহতাৰ উমান পোৱা নাছিল সেয়া প্ৰতিপন্ন হৈছিল তেওঁলোকৰ অতীতৰ কিছু বক্তব্যৰ পৰা। বেনুধৰ ৰাজখোৱাই ১৯২৬ চনৰ ধুবুৰী অধিৱেশনৰ অভিভাষণত উল্লেখ কৰিছে- অসমলৈ ময়মনসিংহ জিলাৰ বহু মুছলমান আহিছে, যি প্ৰদেশ সমৃদ্ধিশালী, অনেক ঠাইৰ পৰা মানুহ আহি তাত বসতি কৰেহি। এইবাবে আমি আনন্দ প্ৰকাশ কৰিছোঁ। আৰ্যবিলাকো এইদৰে বহু দূৰৰ পৰা আহি বসতি কৰেহি। কোচ, কছাৰী, আহোম প্ৰভৃতি জাতি অসমৰ খিলঞ্জীয়া অধিবাসী হ'ল। মিৰজুমলাৰ লগত অহা বহু মুছলমান অসমত থাকি গ'ল, তেওঁবিলাক অসমীয়া জাতিৰ লগত মিহলি হ'ল। ময়মনসিঙীয়াসকলে সেইদৰে অসমতে চিৰস্থায়ীকৈ বাস কৰি অসমীয়া বুলিবলৈ গৌৰৱ অনুভৱ কৰিব, তাত কোনো ভুল নাই। একে ধৰণে ১৯৫৯ চনৰ নগাঁও অধিৱেশনৰ অভিভাষণত অতুল চন্দ্ৰ হাজৰিকাই উল্লেখ কৰিছে- অসমীয়াৰ সুখ-দুখৰ সমভাগী হৈ পৰা চাহ বাগিচাৰ বনুৱাসকল আৰু তাহানিতেই পূৰ্ববংগৰ পৰা পমুৱা বা চৰুৱা মুছলমানসকলো অসমীয়াৰ বুকুৰ কুটুম হৈ পৰিছে।

আমি আগতেও বহুকেইটা প্ৰবন্ধত উল্লেখ কৰিছোঁ যে অসমীয়া জাতি এক নম্বৰৰ এলেহুৱা জাতি। আমাৰ তথাকথিত জাতীয়তাবাদীসকলৰ বজাৰ দখল কৰাৰ যি মানসিকতা সেয়া কাৰ্যক্ষেত্ৰত এতিয়াও ফুটুকাৰ ফেন হৈয়ে আছে। সেই তাহানিতে গোৱালপাৰা, নগাঁও জিলাৰ পথাৰ সমূহ যেতিয়া শস্যৰ উপযোগী হোৱা সত্বেও চন পৰি আছিল, চাৰিওফালে খাল-বিল আদিৰে ভৰি আছিল, তেতিয়া বাংলাদেশৰ পৰা ধুবুৰী হৈ কিছুমান মানুহ সেই অঞ্চল সমূহত প্ৰৱেশ কৰিছিল। তেওঁলোকে বুকুলৈ অহা পানীত বুৰ মাৰি কঠিয়া ৰুইছিল, মৰাপাটৰ খেতি কৰিছিল। তাৰ বহু বছৰ পাছতহে আমাৰ অসমীয়া ভাইসকলে তেনে ধৰণৰ খেতি কৰাৰ বাবে পথাৰত নামি পৰিছিল। সেয়ে হয়তো ১৯৯৫ চনৰ সাহিত্য সভাৰ সৰ্থেবাৰী অধিৱেশনত হিতেশ ডেকাই তেওঁৰ অভিভাষণত কৈছে - চাহে-চৰে অসম, জনজাতি-অজনজাতি নহয় যেন বিষম। চৰ অঞ্চলত অসমীয়া ভাষা তাহানিৰ দিনৰ পৰা সলনা-সলনিকৈ চলি আছিল, আজিও আছে। চৰ নিবাসী অসমীয়া লোকসকলে অসমীয়া ভাষা গ্ৰহণ কৰি আমাৰ মাজৰ সৌহাৰ্দ্য ভাব টনকীয়াল কৰি ৰাখি আছে। বৰ্তমান পৰিস্থিতিৰ ৰাজনৈতিক কবলত পৰি চৰ অঞ্চলৰ অসমীয়া ভাষাক এলাগি কৰাৰ নতুন ষড়যন্ত্ৰ চলিছে। আজি এটা শব্দৰ আখৰ মচিবলৈ আমি ৰাইজক অনুৰোধ জনাও। চৰবাসী ৰাইজক বহু বছৰ আগতে ন-অসমীয়া বুলি অভিহিত কৰিছিল। আজি ইমান বছৰে ন-অসমীয়া 'ন' আখৰটোৱে গোলমাল কৰি আছে। ন অসমীয়াৰ 'ন' আখৰটো এই সাহিত্য সভাতে আপোনালোকে মচি দিয়ক। ন-অসমীয়া নহয়, অসমীয়া। আমি একে অসমীয়া। ভৈয়ামৰ, পৰ্বতৰ অসমীয়া, বাগানৰ অসমীয়া, চৰবাসী অসমীয়া- সকলো একে অসমীয়া।'

ভাষাৰ স্বাৰ্থতেই হয়তো অসমৰ বৌদ্ধিক সমাজখনে আজি ড° বসন্ত গোস্বামীয়ে কোৱাৰ দৰে চৰ চাপৰি অঞ্চলৰ মুছলমানক অসমীয়া বুলি অভিহিত কৰিছিল। কিন্তু এই সমৰ্থন কৰা বৰেণ্য ব্যক্তিসকলৰ অভিসন্ধি বেয়া বুলি কোৱাৰ যুক্তি যুক্ততা আছে বুলি আমাৰ নিচিনা সাধাৰণ মগজুৰ মানুহে কোৱাৰ ধৃষ্টতাটো নায়েই, ভবাৰো ধৃষ্টতা নাই। কিন্তু তাৰ বিপৰীতে আমাৰ আজিৰ সাধাৰণ জনতাই কি বিচাৰে উগ্ৰ জাতীয়তাবাদীসকলে কি ভাবে এইক্ষেত্ৰত বিভিন্নজনৰ চিন্তাধাৰা বিভিন্ন। নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়িবলৈ দি বিদেশত গৈ চাকৰি কৰা বা ইংৰাজী মাধ্যমত পঢ়ুৱাই ডাইনিং টেবুলত বহি অসমীয়া ভাষাৰে ৰিল বনোৱা তথাকথিত অসমীয়া বা চুট টাই পিন্ধি সাহিত্য সভাৰ সভাত গামোচা লৈ অসমীয়া ভাষা ৰক্ষা কৰিব নোৱাৰি। কিছুমানে কৈছে লোকপিয়লত অসমীয়া ভাষা মাতৃভাষা বুলি লিখিলেই অসমীয়া ভাষা চহকী হৈনাযায়। সেই কথা আমিও জানোঁ। কিন্তু কেতিয়াবাই সংখ্যাইও কামত দিয়ে। অসম চৰকাৰৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাখণ্ডত ২০২৫ বৰ্ষত মুছলমান শিক্ষাৰ্থীৰ শতকৰা হাৰ ১৫.৯। এই শিক্ষাৰ্থীসকলৰ আটাইবোৰে খিলঞ্জীয়া নহয়। তেওঁলোকে অসমীয়া ভাষাত কথা পাতিলেও এটা কথা নিশ্চিত যে তেওঁলোক অসমত থিতাপি লোৱা বহু বছৰ হোৱা নাই। তেনে ক্ষেত্ৰত এইসকল শিক্ষাৰ্থীক বাংলাদেশীৰ সন্তান বুলি অন্তত আজিৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিক দোহাই দি খেদি পঠিয়াব পৰা নাযায়। গতিকে আমাৰ হাতত এটা পথে খোলা আছে যে যিহেতু তেওঁলোকৰ সতি-সন্ততিয়ে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছে গতিকে তেওঁলোকৰ মূল কামটো হ'ব আগন্তুক লোকপিয়লত মাতৃভাষা অসমীয়া হিচাপে লিপিবদ্ধ কৰা। মই এজন হাড়ে হিমজুৱে অসমীয়া হোৱাৰ লগে লগে উগ্ৰ জাতীয়তাবাদী। কিন্তু আজি অসমৰ জনগাঁথনিৰ যি পৰিৱৰ্তন হৈছে তাৰ লগত খাপ খুৱাই নিজেও জীয়াই থাকিব লাগিব আৰু জাতি আৰু ভাষাকো জীয়াই ৰখাৰ বাবে নীতিৰ লগতে কুটনীতিৰ আশ্ৰয় ল'ব লাগিব। ভাষাটোক জীয়াই ৰখাৰ বাবে কিছু তথ্য আৰু প্ৰমাণ মজুত থাকিব লাগিব। ২০২৪ বৰ্ষত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ মূলতে তথ্য আৰু প্ৰমাণ। গতিকে লোকপিয়লত চৰ চাপৰি লোকে মাতৃভাষা অসমীয়া হিচাপে সন্নিবিষ্ট কৰিলে একো বেয়া হোৱাৰ সম্ভাৱনা নাই। ইয়াৰ ফলত অসমীয়া লোকসকল লাভৰ ঘৰতে থাকিব। এই ক্ষেত্ৰত এটা কথা স্পষ্ট কৰি দিওঁ যে যদিও চৰ চাপৰি অঞ্চলৰ লোকসকলৰ কিছুমানে অসমীয়া ভাষাক নিজৰ মাতৃভাষা বা শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছে তথাপি ইয়াৰে ১৯৫১ চনৰ আগতে অহা লাখ লাখ লোকে কিন্তু বাংলা ভাষাকে নিজৰ মাতৃভাষা বা শিক্ষাৰ মাধ্যম হিচাপে বাছি লৈছে। গতিকে এতিয়া তেনে কৰিলে নহ'ব। ১৯৫১ কিয় ১৯৭১ চনৰ ২৫ মাৰ্চৰ (অসম চুক্তি অনুসৰি) আগতে আহি চৰ চাপৰি অঞ্চলত বসবাস কৰি থকা সকলোৱে লোকপিয়লত মাতৃভাষা অসমীয়া বুলি লিখিবলৈ আমাৰ এই লেখাৰ জৰিয়তে আহ্বান জনোৱা হ'ল। আমাৰ এই আহ্বানৰ প্ৰতি কোনোৱে যাতে অঙ্গুঠা প্ৰদৰ্শন কৰিবলৈ মৰ সাহ নকৰে। কেৱল চৰ চাপৰিৰে কিয় আমি আমাৰ এই লেখাৰ জৰিয়তে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে অসমীয়া ভাষাক মাতৃভাষা হিচাপে সন্নিৰিষ্ট কৰাৰ বাবে আহ্বান জনাই ভাল পাম। কিন্তু ইয়াৰ লগে লগে এটা কথা মন কৰিব লাগিব যে ১৯৫১ চনৰ আগতে অসমত বসবাস কৰি থকা বিভিন্ন জনগোষ্ঠীসমূহৰ অসমীয়া ভাষাক মাতৃভাষা হিচাপে স্বীকৃতি দিয়া সংখ্যাটো যাতে অস্বাভাৱিকভাৱে কমি নাযায় সেই ক্ষেত্ৰতো মন দিব লাগিব। অসম আৰু অসমীয়াৰ ভৱিষ্যত কি হ'ব সেই কথা পাছত। কিন্তু তাৎক্ষণিকভাৱে অসমীয়া ভাষাক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ আমাৰ হাতত আছে আগন্তুক লোকপিয়ল। গতিকে বহুতৰ লগতে এচাম চুট টাই পিন্ধা সাহিত্যিক তথা বৌদ্ধিক সমাজক লোকপিয়লত মাতৃভাষা অসমীয়া হিচাপে লিপিবদ্ধ কৰাক লৈ বা মাতৃভাষা অসমীয়া হিচাপে লিপিবদ্ধ হ'লেই অসমীয়া ভাষাক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিব পৰা নাযায় বুলি ঋণাত্মক বাৰ্তা প্ৰেৰণ কৰাৰ পৰা বিৰত থাকিবলৈ বিনম্ৰতাৰে অনুৰোধ জনালোঁ। শেষত এটা কথাৰে মোখনি মাৰিব খুজিছোঁ যে নিজৰ আইৰ বাবেই এটি শিশু ডাঙৰ হৈ কেতিয়াবা মাতৃভাষাক জলাঞ্জলি দি পাহৰি যোৱাৰ বাবে এটা ভাষাই মৃত্যুৰ দিশে গতি কৰে। বহিঃ শক্তি যিমানেই শক্তিশালী নহওক কিয় ভাষা এটাক বিস্মিতিৰ গৰ্ভত বহিঃশক্তিয়ে নিক্ষেপ কৰিব নোৱাৰে যদিহে জন্মগতভাৱে মাতৃভাষাক আঁকোৱালি লোৱাসকলে নিজকে ঢাল হিচাপে থিয় কৰাব পাৰে। *ফোন ঃ ৯৭০৭১-৪৫৭১১*

# লাভ জেহাদ ঃ নলবাৰীৰ লগতে ভাৰতকো জোকাৰিছে

চামতা নিবাসী মাধুৰ্য বৰ্মন নামৰ সৰ্ববৰহী যুৱক তথা আছু নেতা এগৰাকীৰ মৃত্যু হোৱাৰ উপৰি তেওঁৰ সম্পৰ্কীয় ভনীয়েক, গংগাপুৰ নিবাসী মৃদুমুদ্ৰা ডেকা সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

**ৰাজপথত তেজেৰে ৰাঙলী মাধুৰ্যৰ নিথৰ দেহ ঃ** অযুত সপোন বুকুত বান্ধি আগবাঢ়ি যোৱা এজন মেধাৱী যুৱক, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া মাধুৰ্য বৰ্মনৰ উশাহ দেওবাৰে সন্ধিয়া স্তব্ধ হৈ পৰিল ৰাজপথতে। প্ৰাপ্ত তথ্য অনুসৰি দেওবাৰে সন্ধিয়া মাহীয়েকৰ ছোৱালী মৃদুমুদ্ৰা ডেকাক ঘৰলৈ আগবঢ়াই দিবলৈ গৈছিল মাধুৰ্য বৰ্মন। কিন্তু সেই যাত্ৰাই যে তেওঁৰ জীৱনৰ অন্তিম যাত্ৰালৈ ৰূপ ল'ব, সেয়া কোনোৱেই কল্পনাও কৰা নাছিল। গংগাপুৰ অঞ্চলত পথ আগচি ধৰি দুৰ্বৃত্তই দুয়োৰে ওপৰত আক্ৰমণ চলায় বুলি অভিযোগ উত্থাপিত হৈছে। মুহূৰ্তৰ ভিতৰতে শান্ত পৰিৱেশ ৰক্তাক্ত বিভীষিকাত পৰিণত হয়। চোকা অস্ত্ৰৰ উপৰ্যুপৰি আঘাতত মাধুৰ্য পথত লুটি খাই পৰে। দুৰ্বৃত্তৰ আক্ৰমণৰ পৰা ৰক্ষা নাপালে মৃদুমুদ্ৰায়ো। স্থানীয় লোকে দুয়োজনকে ৰক্তাক্ত অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নলবাৰী মেডিকেল কলেজ হাস্পতালত চিকিৎসকে মাধুৰ্য বৰ্মনক মৃত ঘোষণা কৰে। আনহাতে, মূৰ আৰু শৰীৰৰ বিভিন্ন অংশত গুৰুতৰ আঘাত পোৱা মৃদুমুদ্ৰা ডেকাক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হয়। চিকিৎসকৰ নিৰন্তৰ তত্ত্বাৱধানত তেওঁৰ চিকিৎসা চলি আছে।

**প্ৰতিশ্ৰুতিৰ স্বাক্ষৰ আছিল মাধুৰ্য ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতা ভকতপাৰাৰ বাসিন্দা মাধুৰ্য বৰ্মন কেৱল এজন ছাত্ৰ সংগঠকেই নাছিল, তেওঁ আছিল এক সম্ভাৱনাময় ভৱিষ্যতৰ নাম। প্ৰাক্তন ছাত্ৰ নেতা হৰিচন্দ্ৰ বৰ্মন আৰু শিক্ষয়িত্ৰী গীতা বৰ্মনৰ একমাত্ৰ সন্তান মাধুৰ্যই এইবাৰ চামতাস্থিত ইডেন ভেলী নামৰ শিক্ষানুষ্ঠানখনৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শিক্ষা ক্ষেত্ৰতো নিজৰ মেধাৰ পৰিচয় দিছিল। পৰিয়াল, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া আৰু সংগঠনৰ সহকৰ্মীসকলৰ বাবে তেওঁৰ মৃত্যু এক অপূৰণীয় ক্ষতি হিচাপে পৰিগণিত হৈছে। ঘটনাটোৰ পিছতে অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ বিৰাজ কৰিছে।

**অন্তিমবাৰৰ বাবে লৈছিল ম'ম'ৰ সোৱাদ ঃ** জানিব পৰা মতে নিহত নলবাৰী চহৰত পাঠ্যক্ৰমৰ কিতাপ কিনিবলৈ যোৱাৰ পিছত মাহীয়েকৰ ছোৱালী মৃদুমুদ্ৰা ডেকাক দেওবাৰে সন্ধিয়া ঘৰলৈ থ'ব গৈছিল মাধুৰ্যই। মৃদুমুদ্ৰাই মাকক প্ৰতিমুহূৰ্তৰ খবৰো হেনো ফোনযোগে জনাই আছিল। মৃদুমুদ্ৰাৰ মাকৰ ভাষ্য অনুসৰি নিকটৱৰ্তী গোৱালপাৰা চ'কত ম'ম' খাই ঘৰলৈ আগুৱাই থকা বুলি জনোৱাৰ কিছু সময়ৰ পিছতে তেওঁলোকে খবৰ পায় মাধুৰ্য-মৃদুমুদ্ৰা দুৰ্ঘটনাত পতিত হোৱা বুলি। উধাতু খাই পৰিয়ালৰ লোক ঘটনাস্থলীলৈ গৈ তেজেৰে তুমুৰলি অৱস্থাত উদ্ধাৰ কৰে মাধুৰ্য বৰ্মনক। কাষতে পৰি আছিল মৃদুমুদ্ৰাৰো আহত দেহ। লগে লগে দুয়োকে পৰিয়ালৰ সহযোগত একাংশ লোকে চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নলবাৰী মেডিকেল কলেজ এণ্ড হাস্পতালত দুয়োকে ভৰ্তি কৰাৰ পিছত চিকিৎসকে মাধুৰ্যক মৃত ঘোষণা কৰে আৰু গুৰুতৰভাৱে আহত মৃদুমুদ্ৰাক জিএমচিএইচলৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা গৈছে।

**লাভ জেহাদৰ কৰুণ পৰিণতি ঃ** কিয় সংঘটিত হ'ল এই লোমহৰ্ষক হত্যাকাণ্ড? কেনেকৈ সংঘটিত হ'ল এই আক্ৰমণৰ ঘটনা? কাৰ স্বাৰ্থত অকালতে নুমুৱাই দিয়া হ'ল এটি সম্ভাৱনাময় জীৱনৰ প্ৰদীপ? এনে ধৰণৰ প্ৰশ্নসমূহে এতিয়া আলোড়িত কৰি তুলিছে সমগ্ৰ নলবাৰী জিলা। ইতিমধ্যে আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। আক্ৰমণৰ আঁৰৰ প্ৰকৃত কাৰণ উদ্‌ঘাটনৰ বাবে বিভিন্ন দিশত অনুসন্ধান চলোৱা হৈছে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। যদিও ঘটনাটোক কেন্দ্ৰ কৰি বিভিন্ন ধৰণৰ আলোচনা আৰু জল্পনা-কল্পনা চলিছে, তথাপি তদন্ত সম্পূৰ্ণ নোহোৱালৈকে কোনো সম্ভাৱনাক নিশ্চিত ৰূপে গ্ৰহণ কৰা হোৱা নাই। তেনে সময়তে গংগাপুৰৰ লোমহৰ্ষক হত্যাকাণ্ডৰ আঁৰৰ কাৰণ লাভ জেহাদ বুলি সৰ্বত্ৰ চৰ্চিত হৈছে। আনকি মৃদুমুদ্ৰাৰ মাকে সংবাদ মাধ্যমৰ সন্মুখতো উত্থাপন কৰিছে একেই অভিযোগ। উত্থাপিত অভিযোগ অনুসৰি ৰোজ আলী ওৰফে আছিক খান নামৰ পাৰ্শ্বৱৰ্তী কালাকুছি গাঁও নিবাসী যুৱক এজনে মৃদুমুদ্ৰাক প্ৰেমৰ প্ৰস্তাৱ দি ব্যতিব্যস্ত কৰি আহিছিল বহু বছৰ ধৰি। আনকি ৰোজে মৃদুমুদ্ৰাৰ পৰিয়ালৰ লোককো ডাবি-ধমকি দি আহিছিল হেনো। মৃদুমুদ্ৰাৰ মাতৃয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে মৃদুমুদ্ৰাৰ লগতে মাককো ছুৰীৰে হানি হত্যাৰো ভাবুকি দিছিল হেনো ৰোজে। প্ৰেমৰ প্ৰস্তাৱ প্ৰত্যাখ্যানৰ বাবেই দেওবাৰে ৰোজে মৃদুমুদ্ৰা আৰু তেওঁৰ সম্পৰ্কীয় ককায়েক মাধুৰ্যৰ ওপৰত নৃশংস আক্ৰমণ চলোৱাৰ অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ অনুসৰি গংগাপুৰৰ পদপথত এন্ধাৰৰ সুযোগ লৈ ৰোজে দুয়োকে বাট আগচি ধৰে। উত্থাপিত অভিযোগ অনুসৰি দুৰ্বৃত্তই মৃদুমুদ্ৰাক অপহৰণৰ চেষ্টা চলোৱাত মাধুৰ্যই বাধা প্ৰদান কৰাৰ লগে লগে তেওঁক চোকা অস্ত্ৰৰে উপৰ্যুপৰি ঘপিয়াই আহত কৰাৰ লগতে দুৰ্বৃত্তই মৃদুমুদ্ৰাকো আক্ৰমণ কৰে। তেজেৰে লুতুৰি-পুতুৰি হৈ পৰে মাধুৰ্য বৰ্মন আৰু মৃদুমুদ্ৰা বৰ্মনৰ সৰ্বশৰীৰ। কিছু সময় পিছতে মাধুৰ্যৰ মৃত্যু হয়।

**ৰাজ্যজুৰি প্ৰতিক্ৰিয়া, চৌদিশে ধিক্কাৰ ঃ** নলবাৰীৰ গংগাপুৰত দেওবাৰে সন্ধিয়া সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাৰ পিছতে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। ছ'চিয়েল মিডিয়াৰ পৰা হাট-বাটলৈকে সৰ্বত্ৰ এই অমানৱীয় ঘটনাৰ চৰ্চা হৈছে। ৰাজ্যখনৰ বিভিন্ন সংগঠন, ছাত্ৰ-যুৱ সমাজ আৰু সচেতন নাগৰিকে দোষীক শীঘ্ৰে কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে। নৱগঠিত টিপ্‌ছু সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই ঘটনাৰ সন্দৰ্ভত কয়, 'নলবাৰী জিলাৰ চামতা ভকতপাৰা নিবাসী উদীয়মান যুৱক মাধুৰ্য বৰ্মনে দুৰ্বৃত্তৰ নৃশংস আক্ৰমণত প্ৰাণ হেৰুওৱাৰ বাতৰি পাই গভীৰ শোকত মৰ্মাহত হৈছোঁ। এই ঘটনাক মই কঠোৰ ভাষাৰে গৰিহণা দিছোঁ। এই শোকৰ সময়ত তেওঁৰ পৰিয়ালক সান্ত্বনা দিয়াৰ ভাষা নাই। মই মাধুৰ্যৰ হত্যাকাৰীক শীঘ্ৰেই বিচাৰি উলিয়াই দৃষ্টান্তমূলক কঠোৰ শাস্তি বিহাৰ ব্যৱস্থা কৰিবলৈ অসম আৰক্ষীৰ ওচৰত দাবী জনাইছোঁ। এই আক্ৰমণত আঘাতপ্ৰাপ্ত যুৱতীগৰাকীৰ আশু আৰোগ্য কামনা কৰিছোঁ।' নলবাৰীৰ বিধায়ক জয়ন্ত মল্লবৰুৱায়ো গংগাপুৰৰ লোমহৰ্ষক হত্যাকাণ্ড সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বৰুৱাই 'লাভ জেহাদ অসমৰ সমাজ জীৱনত ক্ষিপ্ৰতাৰে আগবাঢ়ি যোৱা এটা দুৰাৰোগ্য ব্যাধি' বুলি উল্লেখ কৰি কয়, 'আমি প্ৰত্যেকে এইক্ষেত্ৰত সচেতন হ'ব লাগিব আৰু ইয়াৰ ওপৰত কঠোৰতম ব্যৱস্থা ল'ব লাগিব। কালি ফুট গধূলিতে নলবাৰী জিলাৰ গংগাপুৰত হোৱা ঘটনাই আমাক সকলোকে স্তম্ভিত কৰিছে। বৰ্তমান আৰক্ষী প্ৰশাসনে ক্ষিপ্ৰতাৰে কাম কৰি আছে আৰু আমাৰ বিশ্বাস, অসম আৰক্ষীয়ে উচিত ব্যৱস্থা গ্ৰহণ কৰিব। সম্ভাৱনাপূৰ্ণ যুৱকগৰাকীৰ দুখজনক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছোঁ, তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। তদুপৰি উক্ত ঘটনাত আঘাতপ্ৰাপ্ত যুৱতীগৰাকীৰ আশু আৰোগ্য কামনা কৰিছোঁ।' আনহাতে, গংগাপুৰত সংঘটিত হত্যাকাণ্ডক লৈ জাঙুৰ খাই উঠিছে আছু। সোমবাৰে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এই হত্যাকাণ্ডক অতি দুখজনক আৰু নিন্দনীয় বুলি অভিহিত কৰে। তেওঁ কয়, 'সমাজত এনে হিংসাত্মক ঘটনা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। এজন যুৱকৰ জীৱন এইদৰে কৰুণভাৱে সমাপ্ত হোৱাটো অত্যন্ত উদ্বেগজনক।' ভট্টাচাৰ্যই ঘটনাটোৰ নিৰপেক্ষ আৰু ক্ষিপ্ৰ তদন্তৰ দাবী জনাই কয়, 'দোষী যিয়েই নহওক, আইন অনুসৰি কঠোৰতম শাস্তি নিশ্চিত কৰিব লাগিব।' তেওঁ লগতে উল্লেখ কৰে যে এনে ঘটনা কেৱল এটা পৰিয়ালৰ ক্ষতিয়েই নহয়, সমগ্ৰ সমাজৰ বাবে এক চিন্তাজনক সংকেত। আছুৰ মুখ্য উপদেষ্টাগৰাকীয়ে যুৱ সমাজক সংযম আৰু সচেতনতাৰ পথ অনুসৰণ কৰিবলৈ আহ্বান জনাই কয় যে ব্যক্তিগত মতভেদ বা সংঘাতৰ সমাধান কেতিয়াও হিংসাৰ জৰিয়তে হ'ব নোৱাৰে। সমাজত শান্তি-সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধ অটুট ৰাখিবলৈ সকলো পক্ষই দায়িত্বশীল ভূমিকা গ্ৰহণ কৰা উচিত বুলিও তেওঁ মত প্ৰকাশ কৰে। মাধুৰ্য বৰ্মনৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবই লাগিব বুলি দাবী উত্থাপন কৰে আছুৰ উপ-সভাপতি ভৱজিৎ বেজবৰুৱাই। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজুদ্দিন আহমেদেও এই ঘটনাক নিন্দা কৰি দোষীক কঠোৰতম শাস্তি বিহাৰ দাবী জনায়। ঘটনাটো সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই আক্ৰমণক অমানৱীয় আৰু নিন্দনীয় বুলি অভিহিত কৰে। তেওঁ কয়, 'এনে ঘটনাই ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিৰ এক উদ্বেগজনক ছবি দাঙি ধৰে।' ৰাজ্যৰ বিদ্বৎ মহলতো গংগাপুৰত সংঘটিত হত্যাকাণ্ডক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। পশ্চিম নলবাৰীৰ বিহামপুৰস্থিত প্ৰেৰণা পুথিভঁৰালৰ তৰফৰ পৰা মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাই কয়, 'প্ৰেৰণা পুথিভঁৰালৰ তৰফৰ পৰা ছাত্ৰনেতা মাধুৰ্য বৰ্মনৰ হত্যাকাৰী ৰোজ আলীক কঠোৰতকৈও কঠোৰ শাস্তি প্ৰদান কৰিবলৈ পুলিচ-প্ৰশাসনক দাবী জনালোঁ। দৃষ্টান্তমূলক শাস্তিয়েহে আইনৰ শাসনৰ প্ৰতি মানুহৰ আস্থা বঢ়াব। আইন হাতত তুলি ল'বলৈ কোনেও কাকো প্ৰৰোচিত নকৰে যেন।' পশ্চিম নলবাৰীৰ সন্তান তথা যুৱ ঔপন্যাসিক নীলিম আকাশ কাশ্যপে ঘটনা সন্দৰ্ভত কয়, 'মানুহ ইমানো নৃশংস হ'ব পাৰেনে, ইমানো হৃদয়হীন হ'ব পাৰেনে মানুহ, কঁপি উঠিছোঁ। এইনৃশংস হত্যাকাণ্ডৰ উচিত তদন্ত হওক। হত্যাকাৰীক কঠোৰতম শাস্তি বিহা হওক। কঠিনতকৈ কঠিনতম হ'ব তেওঁলোকৰ বাবে ধৈৰ্য। তথাপি নেদেখাজন মাধুৰ্যৰ পিতৃ-মাতৃৰ সাহস হওক।' চামতাৰ কন্যা তথা সাংস্কৃতিক কৰ্মী তাপসী বৰ্মনে 'মৃত্যুৰ খবৰবোৰ কিয় এনে হয়, আমাৰ চুবুৰিৰ আটাইতকৈ সপ্ৰতিভ ল'ৰাটো— মৌচম, এতিয়াৰ পৰা আৰু নাই সি। কোনোবাই মাৰি পেলালে তাক। কাৰণ কি, লাহে লাহে উদ্ধাৰ হ'ব, কিন্তু মাক-দেউতাকৰ একমাত্ৰ সন্তানটো জানো ঘূৰি আহিব' বুলি মতপোষণ কৰে। লেখিকা বৰ্ণালী শৰ্মা বশিষ্ঠই 'এই ঘটনাক কেৱল এটা ব্যক্তিগত অপৰাধ হিচাপে চোৱা উচিত নহয়' বুলি মতপ্ৰকাশ কৰে। একেদৰে, নিহত মাধুৰ্য বৰ্মনৰ পৰিয়াল আৰু চিকিৎসাধীন আহত ছাত্ৰীগৰাকীৰ পৰিয়ালক উপযুক্ত সহায়-সহযোগিতা আৰু ক্ষতিপূৰণ প্ৰদান কৰিবলৈও চৰকাৰক বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে আহ্বান জনাইছে। সামাজিক মাধ্যমতো এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বহু লোকে এই ঘটনাক সভ্য সমাজৰ বাবে এক ভয়ংকৰ সংকেত বুলি অভিহিত কৰিছে।

**বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদ ঃ** ছাত্ৰ নেতা মাধুৰ্য বৰ্মনক দেওবাৰে ফুট গধূলিতে নৃশংসতাৰে কৰা হত্যাৰ প্ৰতিবাদত আজি সদৌ অসম ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠন আৰু ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। নলবাৰী চহৰত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই ঘটনাৰ তদন্ত আৰু দোষীৰ কঠোৰতম শাস্তি বিচাৰি প্ৰতিবাদ কৰে। গংগাপুৰ আৰু কালাকুছিতো দক্ষিণ পকোৱা আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ৰাইজে একেইদাবীৰে প্ৰতিবাদ কৰে। এই লোমহৰ্ষক কাণ্ডৰ প্ৰতিবাদত আজিবজৰং দলে কুমাৰীকাটাত বিৰাট প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দলৰ নেতৃবৰ্গই দোষীক উচিত শাস্তি প্ৰদান কৰি ভুক্তভোগী পৰিয়ালটোক ন্যায় প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনায়।

**চামতাত শোকৰ বন্যা ঃ** দেওবাৰে সন্ধিয়া নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত গংগাপুৰত সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডত প্ৰাণ হেৰুওৱা চামতাৰ ভকতপাৰা নিবাসী প্ৰাক্তন ছাত্ৰ নেতা হৰিচন্দ্ৰ বৰ্মন আৰু গীতা বৰ্মনৰ একমাত্ৰ পুত্ৰ, পশ্চিম নলবাৰী ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক মাধুৰ্য বৰ্মনৰ মৃতদেহ আজি দুপৰীয়াৰ ভাগত নিজগৃহ আহি পোৱাৰ পিছত সমগ্ৰ অঞ্চলটোত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। মৃতদেহৰ ওচৰত হাজাৰ হাজাৰ লোক তথা দল-সংগঠনৰ লোক উপস্থিত হয়, চোতালত কান্দোনৰ ৰোল উঠে। মাধুৰ্য বৰ্মনৰ ঘৰত উপস্থিত হৈ স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে মাধুৰ্যৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে। বিভিন্ন দল-সংগঠনৰ লগতে তেওঁ পঢ়া বিদ্যালয় ইডেন ভেলী একাডেমীৰ তৰফৰ পৰা মাধুৰ্য বৰ্মনক শেষ শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপন কৰা হয়। সকলোৱে কান্দি কান্দি শেষ বিদায় দিয়ে মিষ্টিভাষী, সমাজ প্ৰিয় মাধুৰ্য বৰ্মনক।

**মৃত্যুৰ সৈতে যুঁজিছে মৃদুমুদ্ৰাই ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় (জিএমচিএইচ)ত জীৱন-মৃত্যুৰ সৈতে যুঁজ দিছে ১৭বছৰীয়া মৃদুমুদ্ৰা ডেকাই। চিকিৎসকৰ তথ্য অনুসৰি তেওঁৰ শৰীৰৰ বিভিন্ন অংশত একাধিক আঘাতৰ স্পষ্ট চিহ্ন পোৱা গৈছে। মূৰৰ পিছফালৰ অংশত গভীৰ আঘাত লাগি মগজুৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। তদুপৰি, ছাল আৰু মগজুৰ টিছ্যুত আঘাতৰ প্ৰভাৱ লক্ষ্য কৰা হৈছে। যুৱতীগৰাকীৰ পিঠিৰ ৰাজহাড়ৰ ওচৰত দুটা গুৰুতৰ আঘাত ধৰা পৰিছে। মুখমণ্ডল আৰু ডিঙিৰ হাড়তো ছুৰীৰ আঘাতৰ চিন পোৱা গৈছে বুলি জনাই চিকিৎসকে প্ৰকাশ কৰা মতে আঘাতসমূহৰ ফলত হাঁওফাঁওৰ কাৰ্যক্ষমতাও কিছু পৰিমাণে প্ৰভাৱিত হৈছে। বাতৰি লিখাৰ পৰলৈকে মৃদুমুদ্ৰা ডেকাক সংকটজনক অৱস্থাত আইচিইউত ৰখা হৈছে আৰু একাধিক বিশেষজ্ঞ বিভাগৰ চিকিৎসকে সমন্বিতভাৱে চিকিৎসা আগবঢ়াই আছে। জিএমচিএইচৰ অধ্যক্ষ দেৱজিত চৌধুৰীয়ে জনোৱা মতে শাৰীৰিক আঘাতৰ লগতে ঘটনাটোৰ অভিঘাতত যুৱতীগৰাকী গভীৰ মানসিক আতংকৰ মাজেদিও পাৰ হৈ আছে।

**কালপ্ৰিটক এনকাউণ্টাৰ আৰক্ষীৰ ঃ** ইপিনে, গংগাপুৰত সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডৰ মূল কালপ্ৰিট বুলি অভিযোগ উঠা কালাকুছি নিবাসী ৰোজ আলী ওৰফে আছিক খানক আৰক্ষীয়ে এনকাউণ্টাৰ কৰিছে। জানিব পৰা মতে মুকালমুৱাৰ ছতেমাৰী চৰত আৰক্ষীয়ে এনকাউণ্টাৰ কৰে কালপ্ৰিট ৰোজ আলী ওৰফে আছিক খানক। দোষীক কঠোৰতম শাস্তি বিহাৰ দাবী ৰাজ্যৰ সৰ্বত্ৰ উত্থাপন হোৱাৰ সময়তে আৰক্ষীৰ এই তৎপৰতাই বিশেষ তাৎপৰ্য বহন কৰিছে। জানিব পৰা মতে ঘৰত তলা মাৰি পৰিয়ালৰ সদস্যকে ধৰি ৰোজ আলী ওৰফে আছিক খানে কোনো অজ্ঞাত স্থানত পলায়ন কৰি আছিল। তেনে সময়তে আজি আবেলিৰ ভাগত আৰক্ষীয়ে এনকাউণ্টাৰ কৰে ৰোজ আলী ওৰফে আছিক খানক। ইপিনে, অভিযুক্ত ৰোজ আলী ওৰফে আছিক খানৰ ঘৰত আজি দুপৰীয়াৰ ভাগত হাজাৰ হাজাৰ লোক উপস্থিত হৈ গংগাপুৰৰ লোমহৰ্ষক হত্যাকাণ্ডৰ তদন্ত আৰু দোষীৰ কঠোৰতম শাস্তিৰ মুকলি দাবী তোলে।

**গংগাপুৰ হত্যাকাণ্ডৰ প্ৰতিক্ৰিয়া ঃ ৰোজ আলীৰ জানাজা নকৰাৰ সিদ্ধান্ত, পৰিয়ালক এঘৰীয়া গাঁওবাসীৰ ঃ** নলবাৰীৰ গংগাপুৰত সংঘটিত লোমহৰ্ষক হত্যাকাণ্ডক কেন্দ্ৰ কৰি অঞ্চলজুৰি অব্যাহত আছে তীব্ৰ প্ৰতিক্ৰিয়া। এই ঘটনাৰ অন্যতম অভিযুক্ত ৰোজ আলীৰ আৰক্ষীৰ এনকাউণ্টাত মৃত্যু হোৱা বুলি প্ৰচাৰ হোৱাৰ পিছত তেওঁৰ নিজ গাঁও দেহৰ কালাকুছিত গাঁওবাসীয়ে এক কঠোৰ সামাজিক সিদ্ধান্তগ্ৰহণ কৰিছে। স্থানীয় সূত্ৰ অনুসৰি, গাঁওবাসীৰ এখন সভাত ৰোজ আলীৰ জানাজা নামাজ অনুষ্ঠিত নকৰা, ৰাজহুৱা কবৰস্থানত কবৰস্থ কৰিবলৈ নিদিয়া আৰু তেওঁৰ পৰিয়ালক এঘৰীয়া কৰাৰ সিদ্ধান্ত লোৱা হয়। কবৰস্থান পৰিচালনা সমিতিয়েও ৰাজহুৱা কবৰস্থানত দাফনৰ অনুমতি নিদিয়াৰ কথা ঘোষণা কৰা বুলি জানিব পৰা গৈছে। গাঁওবাসীৰ মতে, গংগাপুৰৰ চাঞ্চল্যকৰ হত্যাকাণ্ডই সমগ্ৰ অঞ্চলক স্তম্ভিত কৰি তুলিছে। সেই ঘটনাৰ প্ৰতি তীব্ৰ ক্ষোভপ্ৰকাশ কৰিয়েই তেওঁলোকে এই সিদ্ধান্তগ্ৰহণ কৰিছে। উল্লেখ্য যে, গংগাপুৰত সংঘটিত হত্যাকাণ্ডত এজন যুৱকৰ মৃত্যু আৰু এগৰাকী যুৱতী গুৰুতৰভাৱে আহত হোৱাৰ ঘটনাই ৰাজ্যজুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটোৰ তদন্ত অব্যাহত আছে।

### নলবাৰীত নৃশংসতাৰ বলি হোৱা ছাত্ৰনেতা মাধুৰ্যলৈ কলিয়াবৰত আছুৰ গভীৰ শ্ৰদ্ধাঞ্জলি

**জনকল্যাণ বাৰ্তাৰ সেৱা, কলিয়াবৰ ঃ** আততায়ীৰ নৃশংসতাৰ বলি হৈ অকাল মৃত্যুবৰণ কৰা পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মাধুৰ্য বৰ্মনলৈ শ্ৰদ্ধাঞ্জলি কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ। পদভাৰ গ্ৰহণ কৰাৰ দিনাই সন্ধিয়া দুৰ্বৃত্তৰ এক আক্ৰমণৰ সন্মুখীন হৈ মৃত্যুক আঁকোৱালি লোৱা মাধুৰ্য বৰ্মনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে আছুৰ নেতৃবৃন্দই। আজি সন্ধিয়া কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ কাৰ্যালয় প্ৰাঙ্গণত কলিয়াবৰ আছু নেতৃত্বই এই ঘটনাৰ তীব্ৰ নিন্দা কৰাৰ লগতে দোষীক চিনাক্ত কৰি উচিত শাস্তি প্ৰদানৰ বাবে দাবী জনায়। সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক মৃগাংক শেখৰ ভৰালী হাজৰিকাই ঘটনাৰ মূল অভিযুক্তৰ বিৰুদ্ধে তদন্ত আৰু ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰৰ গৃহ বিভাগ আৰু আৰক্ষীক দাবী জনায়। এনে বৰ্বৰ ঘটনা যাতে পুনৰ সংঘটিত নহয় তাৰ বাবে কঠোৰ পদক্ষেপ ল'বলৈ দাবী জনায় হাজৰিকাই। আনহাতে, বৰ্তমান চিকিৎসাধীন হৈ থকা মাধুৰ্যৰ ভগ্নীৰ আশু-আৰোগ্য কামনা কৰে। আছুৰ ক্ৰীড়া সম্পাদকগৰাকীয়ে কয়— আছুৰ বিষয়ববীয়া ভাতৃপ্ৰতিম মাধুৰ্যক যেনেদৰে নিৰ্মমভাৱে হত্যা কৰা হ'ল, এই মৃত্যুত আমি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। মাধুৰ্যৰ হত্যাকাৰী এজন গুলীবিদ্ধ হৈছে, কিন্তু বাকী থকাকেইজনো যাতে সাৰি নাযায় তাৰ প্ৰতি আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰক। পুনৰ যাতে এনে ঘটনা নহয় তাৰ প্ৰতি আছুয়েও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখ্য যে, নলবাৰীৰ গংগাপুৰত দেওবাৰে সন্ধিয়া মাধুৰ্য বৰ্মন আৰু সম্বন্ধীয় ভগ্নী স্কুটীৰে গৈ থকা অৱস্থাত গংগাপুৰত আক্ৰমণৰ সন্মুখীন হৈছিল। এই ঘটনাত মাধুৰ্য বৰ্মনৰ মৃত্যু হোৱাৰ বিপৰীতে তেওঁ ভগ্নী গুৰুতৰভাৱে আহত হয় আৰু বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত জীৱন-মৃত্যুৰে যুঁজি আছে। শেহতীয়াকৈ মাধুৰ্য আৰু ভগ্নীক দাৰে আক্ৰমণ কৰা দেহৰ কালাকুছিৰ আছিফ খান ওৰফে ৰ'জ নামৰ এজন যুৱক সোমবাৰে দুপৰীয়া আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যু হয়।

### ছাত্ৰনেতা মাধুৰ্য বৰ্মনৰ হত্যাকাণ্ডৰ প্ৰতিক্ৰিয়া অসম জাতীয় পৰিষদৰ ঃঃ **মাধুৰ্য বৰ্মনৰ হত্যাকাণ্ড বৰ্বৰোচিত মানসিকতাৰ জঘন্য প্ৰতিফলন ঃ অজাপ**

**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** নলবাৰীৰ আছু নেতা মাধুৰ্য বৰ্মনৰ হত্যাকাণ্ডক গৰিহণা দি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদে। এক প্ৰেছবাৰ্তাত দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয়, 'পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক তথা এগৰাকী প্ৰচুৰ সম্ভাৱনাপূৰ্ণ যুৱক মাধুৰ্য বৰ্মনৰ নিৰ্মম হত্যাকাণ্ডক আমি তীব্ৰ ভাষাৰে গৰিহণা দিছোঁ। ছাত্ৰনেতা মাধুৰ্য বৰ্মনক হানি-খুঁচি অতি নৃশংসভাৱে হত্যা কৰা ঘটনাই আইন-শৃংখলা ব্যৱস্থাক লৈ গভীৰ প্ৰশ্ন উত্থাপন কৰিছে। এজন যুৱ-ছাত্ৰ নেতাৰ জীৱন এইদৰে শেষ কৰি দিয়াৰ সাহস অপৰাধীয়ে ক'ৰ পৰা পালে? এই ঘটনাৰ মূল দোষী ৰোজ আলীৰ ইতিমধ্যে আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যু হৈছে। ঘটনাটোৰ সৈতে আৰু যিসকল দুৰ্বৃত্ত জড়িত সকলোকে কৰায়ত্ত কৰি কঠোৰতম শাস্তি প্ৰদান কৰক।' সভাপতি গগৈয়ে কয়, 'এই জঘন্য হত্যাকাণ্ডৰ দ্ৰুত আৰু কঠোৰ তদন্তৰ দাবী জনাইছোঁ। দোষীকেইজনক চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তি নিশ্চিত কৰিবই লাগিব। মাধুৰ্য বৰ্মনৰ পৰিয়ালটোৱে ন্যায় পাবই লাগিব। মাধুৰ্য বৰ্মনৰ হত্যাকাণ্ড বৰ্বৰোচিত মানসিকতাৰ জঘন্য প্ৰতিফলন।' মাধুৰ্য বৰ্মনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে অসম জাতীয় পৰিষদে। লগতে, জিএমচিএইচত চিকিৎসাধীন হৈ থকা ভুক্তভোগী যুৱতীগৰাকীৰ আশু আৰোগ্য কামনা কৰে দলটোৱে। গগৈ আৰু ভূঞাই লগতে কয়, 'এনে ঘটনা দুনাই যাতে ক'তোৱেই সংঘটিত নহয়, তাৰ বাবে চৰকাৰে সুব্যৱস্থা গ্ৰহণ কৰিব লাগে। শেহতীয়াকৈ মন কৰিছোঁ, নলবাৰী জিলাত আইন-শৃংখলাজনিত পৰিস্থিতিৰ অৱনতি ঘটিছে। জিলাখনত বৃদ্ধি পাইছে অপৰাধমূলক কাৰ্যকলাপ। অপৰাধমূলক ঘটনাসমূহ ৰোধ কৰি নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ জিলা আয়ুক্ত আৰু জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অধিক কঠোৰ আৰু তৎপৰ হোৱাটো প্ৰয়োজনীয় হৈ পৰিছে।' আনহাতে, অসম জাতীয় পৰিষদে আইন বহিৰ্ভূত হত্যাকাণ্ডৰো বিৰোধিতা কৰে বুলি উল্লেখ কৰি গগৈ আৰু ভূঞাই কয় যে আইনৰ বিচাৰ হৈছে ন্যায় প্ৰতিষ্ঠাৰ দিশত সৰ্বোত্তম পন্থা। এই ব্যৱস্থা সৰ্বত্ৰ বাহাল হোৱা উচিত।

### ছাত্ৰনেতা মাধুৰ্য বৰ্মনক নিৰ্মমভাৱে হত্যা কৰা দুই দুৰ্বৃত্তক দৃষ্টান্তমূলক শাস্তিৰ দাবী— অসম চৰকাৰলৈ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ আহ্বান

**জনকল্যাণ বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ঃ** অসমৰ নলবাৰী জিলাৰ ছাত্ৰ নেতা মাধুৰ্য বৰ্মনক দুই দুৰ্বৃত্তই অতি নিৰ্মমভাৱে হত্যা কৰা ঘটনাৰ তীব্ৰ গৰিহণা দিছে উজনি অসম মুছলিম কল্যাণ পৰিষদে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মণিৰুল ইছলাম বড়া আৰু সাধাৰণ সম্পাদক ছামচুল হুছেইনে উল্লেখ কৰে যে, নলবাৰী জিলাৰ টিহু সমষ্টিৰ গঙ্গাপুৰত সদৌ অসম ছাত্ৰ সন্থাৰ পশ্চিম নলবাৰী ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মাধুৰ্য বৰ্মনক ৰৌজ আলী আৰু আচিফ আলী নামৰ দুটা দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ডিঙি কাটি নিষ্ঠুৰভাৱে হত্যা কৰা ঘটনাই মানৱতাক ভূলুণ্ঠিত কৰিছে। ই এক অক্ষমণীয় অপৰাধ। কোনো অসমীয়াই এনে ধৰণৰ জঘন্য ঘটনা সংঘটিত কৰিব নোৱাৰে। কেৱল আগ্ৰাসনকাৰী বহিৰাগত পূৰ্ববংগীয় মূলৰ মুছলমানেহে নামনি অসমত এনে ঘৃণনীয় কাণ্ড সংঘটিত কৰাৰ অলেখ উদাহৰণ আছে। কেৱল মাধুৰ্যৰ দৰে নিৰীহ যুৱকক হত্যা কৰাই নহয় মৃদুমুদ্ৰা ডেকা নামৰ এগৰাকী গাভৰুকো এই দুই দানৱে অতি নিষ্ঠুৰভাৱে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰিবলৈও দুঃসাহস কৰিছে। অসমৰ ভিতৰত কেৱল নামনি অসমত বসবাস কৰা পূৰ্ববংগীয় মূলৰ মুছলমান সমাজত অপৰাধৰ সংখ্যা মাত্ৰাধিক। নামনি অসমৰ থানাসমূহৰ ৰেকৰ্ড প্ৰত্যক্ষ কৰিলেই তাৰ হিচাব ওলাই পৰিব। সমগ্ৰ অসমৰ মানৱতাক ভূলুণ্ঠিত কৰা মানৱৰূপী দানৱ দুটাক দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা অসম চৰকাৰে কৰিব লাগিব। অন্যাথা অসমীয়া ৰাইজ কেতিয়াও ক্ষান্ত নহয়। সামান্য চোৰ-ডকাইতক অতি সহজে এনকাউণ্টাৰ কৰা অসম আৰক্ষীয়ে এতিয়া নিজৰ শক্তি প্ৰদৰ্শন কৰক। নহ'লে নলবাৰীৰ ৰাজপথ কঁপাবলৈ সমগ্ৰ অসমৰ ডেকা শক্তি নলবাৰীলৈ যাত্ৰা কৰিব। অসম আৰক্ষীয়ে নিজৰ চোৰাংচোৱা সংস্থাৰ জৰিয়তে দুদিনৰ ভিতৰত এই দানৱ দুটাক বিচাৰি আনি মুকলি শাস্তিৰ ব্যৱস্থা কৰক, নহ'লে সমগ্ৰ অসম জ্বলিব আৰু তাৰ বাবে জগৰীয়া হ'ব ৰাজ্যৰ গৃহ বিভাগ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইক্ষেত্ৰত অতি কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। তীক্ষ্ণ অস্ত্ৰৰে জেহাদী ষ্টাইলত এগৰাকী নিৰ্দোষী অসমীয়া যুৱকক ডিঙি কাটি পাশৱিক অত্যাচাৰেৰে হত্যা কৰা নৰাধম দুটাই যাতে গ্ৰেপ্তাৰৰ জৰিয়তে ৰক্ষণাবেক্ষণ আৰু আইনী সাহায্য লাভ নকৰে তাৰ বাবে অসম চৰকাৰ আৰু গৃহ বিভাগে বিহীত ব্যৱস্থা গ্ৰহণ কৰা উচিত। মুক্তভাৱে সংঘটিত কৰা এনে নাৰকীয় হত্যাকাণ্ডৰ চৰম শাস্তি কেৱল মৃত্যুদণ্ডহে হ'ব লাগিব। নহ'লে ক্ষোভত জ্বলি-পকি থকা অসমৰ ডেকা শক্তি ৰাজপথলৈ ওলাই আহি নিজেই নিজৰ আত্মৰক্ষাৰ বাবে আইন হাতত তুলি ল'বলৈ বাধ্য হ'ব। সেয়েহে অসম আৰক্ষী বিভাগে দুদিনৰ ভিতৰত এই হত্যাকাৰী দুটাক বিচাৰি আনি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ নেতৃবৰ্গই অসম চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

### নলবাৰীৰ ছাত্ৰ নেতা মাধুৰ্য বৰ্মনৰ স্মৃতিত টংলা আছুৰ একাঁজলি শ্ৰদ্ধাঞ্জলি ঃ চৰকাৰ তথা প্ৰশাসন যন্ত্ৰক কঠোৰ হ'বলৈ আহ্বান

**জনকল্যাণ বাৰ্তাৰ সেৱা, ওদালগুৰি ঃ** নলবাৰীৰ ছাত্ৰ নেতা মাধুৰ্য বৰ্মনৰ মৃত্যুত ওদালগুৰি জিলাৰ টংলা অঞ্চলতো গভীৰ শোকৰ ছাঁ পৰিছে। পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মাধুৰ্য বৰ্মনক কালি সন্ধিয়া ৰজ আলী নামৰ দুৰ্বৃত্তই হানি-খুঁচি নৃশংসভাৱে হত্যা কৰা কাৰ্যক সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমনি চক্ৰৱৰ্তীয়ে তীব্ৰ গৰিহণা দিয়াৰ লগতে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ চৰকাৰ তথা প্ৰশাসন যন্ত্ৰক আহ্বান জনায়। টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কনকন দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰি ছাত্ৰ নেতা চিন্টুমনি চক্ৰৱৰ্তীয়ে পুনৰ কয় এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহ'বলৈ চৰকাৰ তথা প্ৰশাসন যন্ত্ৰ কঠোৰ হওক। ছাত্ৰ সন্থাৰ নিষ্ঠাৱান কৰ্মীৰ তেনে নিৰ্মম ঘটনাক গৰিহণাৰ লগতে মাধুৰ্য্য বৰ্মনৰ আত্মাৰ চিৰ শান্তি কামনাৰে টংলা আঞ্চলিক ছাত্ৰ সন্থাই আজি সন্ধিয়া টংলা চাৰি আলিত বন্তি প্ৰজ্বলন আৰু মৌন প্ৰাৰ্থনা কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্যসূচীত সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰুদ্ৰ কমল দাস, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাস, বিষয়ববীয়াৰ লগতে ওদালগুৰি জিলা সাহিত্য সভা, টংলা সাহিত্য সভা, টংলা প্ৰেছ ক্লাব, যুৱ মঞ্চ, টংলা, টংলা টাউন ইয়ুথ ক্লাব, টংলা আঞ্চলিক ৰাস মহোৎসৱ সমিতি, প্ৰাক্তন ছাত্ৰ নেতাই অংশগ্ৰহণ কৰি ছাত্ৰ নেতাগৰাকীলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# চন্দ্ৰ পুৰৰ জনপ্ৰিয় সাংস্কৃতিক কৰ্মী নৱজোতি শইকীয়ালৈ ডক্টৰেট উপাধি প্ৰদান



**প্ৰতিবেদক জনকল্যাণ বাৰ্তা,গুৱাহাটী ঃ** ভাৰতৰ প্ৰায় বিভিন্ন ৰাজ্যৰ সামাজিক - সাংস্কৃতিক অনুষ্ঠানৰ মাজত জি এইচ আৰ পি এফ ৰিচাৰ্ড ইনষ্টিটিউটৰ সহযোগত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ বিশেষ অনুষ্ঠানত যোৱা ২৩ মে' ২০২৬ তাৰিখ শনিবাৰে নতুন দিল্লীৰ দ্বাৰকা চেক্টৰ ৭ত অসমৰ গুৱাহাটী মহানগৰ জিলাৰ চন্দ্ৰ পুৰৰ এগৰাকী জনপ্ৰিয় সমাজ- সাংস্কৃতিক কৰ্মী নৱজোতি শইকীয়ালৈ এছিয়া ডিজিটেল ইউনিভাৰ্চিটিয়ে সন্মানীয় ডক্টৰেট উপাধি প্ৰদান কৰে। সুদীৰ্ঘ বছৰ ধৰি প্ৰায় ৩১ বছৰ সময় সাংস্কৃতিক জগতত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাৰ ভিত্তিত চন্দ্ৰ পুৰৰ নৱজোতি শইকীয়াই লাভ কৰিবলৈ সক্ষম হৈছে এই ডক্টৰেট সন্মান। নতুন দিল্লীত অৱস্থিত ক্ৰিয়েটিভ আনলক প্ৰেক্ষাগৃহত

সমাজ-সাংস্কৃতিক কৰ্মী মহানন্দ চৰকাৰ দত্ত ই পৰিচালনা কৰা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা অৱসৰী অধ্যক্ষ ড° সঞ্জয় প্ৰভাকৰ হৰসে, অৱসৰী প্ৰশাসনিক বিষয়া ড° কাশীৰাম গোবিন্দ পাইথানে আৰু অৱসৰী সেনা বিষয়া জীৱন গোবিন্দ বিশ্ব কৰ্মৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে চন্দ্ৰপুৰৰ নৱজোতি শইকীয়াই ডক্টৰেট সন্মান লাভ কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে লগতে অঞ্চলটোৰ বিভিন্ন দল সংগঠনে শুভেচ্ছা দিয়াৰ উপৰিও ব্যক্তি গতভাৱে শুভাকাংক্ষী সকলে শুভেচ্ছা জ্ঞাপন কৰে।

# 'গধূলিৰ পিয়লা' দ্বিতীয় ছিজনৰ ভব্য সামৰণি







**জনকল্যাণ বাৰ্তাৰ সেৱা ঃ** গুৱাহাটীত 'গধূলিৰ পিয়লা' দ্বিতীয় ছিজনৰ ভব্য সামৰণি হৈ গ'ল বিষ্ণু স্টাইলৰ বেনাৰত, মুখ্য আয়োজক বিষ্ণু ৰাউথ আৰু বিৰূপক্ষ্য ডেকাৰ নেতৃত্বত গুৱাহাটীৰ ঐতিহাসিক আই টি এ মাচখোৱা প্ৰেক্ষাগৃহত। অসমৰ গৌৰৱ হাৰ্টথ্ৰৱ জুবিন দাৰ অন্তিম চিনেমা 'ৰৈ ৰৈ বিনালে'ৰ মুখ্য অভিনেত্ৰী মৌচুমী আলিফা, তেওঁলৈ আগবঢ়োৱা হয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা।

এই অনুষ্ঠানত অসমৰ বহু মহান ব্যক্তিত্বৰ উপস্থিতিকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বহু উদীয়মান আৰু প্ৰতিভাৱান গায়ক - নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰে। শ্ৰদ্ধাৰ কুমুদ নাথ, স্বত্বাধিকাৰী জনকল্যাণ বাৰ্তা তথা জনকল্যাণ ছ'ছাইটী আৰু সংস্কৃতি বিদ্যালয় অসমৰ অন্যতম মুখ্য অতিথি হিচাপে উপস্থিত আছিল। এই সফল অনুষ্ঠানত নৃত্যশিল্পী শ্ৰী জয়িত্ৰী শৰ্মাই ২য় পুৰস্কাৰৰ স্থান লাভ কৰিছে আৰু অতিশয় প্ৰশংসিত হৈছিল। অনাগত দিনত 'গধূলিৰ পিয়লা' আয়োজকলৈ সফলতা আশা কৰিছো।

# প্ৰেম

■ নিলাক্ষী শৰ্মা



প্ৰেম নো কি একেবাৰে কোনেও ক'ব নোৱাৰে। কিয়নো বহুলভাৱে প্ৰচলিত এটা শব্দ হৈছে প্ৰেম। প্ৰেম কৰাৰ দুৰ্দান্ত সাহস থাকিব লাগিব আৰু প্ৰেমিক বা প্ৰেমিকা কৰ্মমুখী হোৱা অত্যন্ত বাঞ্ছনীয়। কৰ্ম হৈছে সফলতা লাভ কৰাৰ একমাত্ৰ মাধ্যম। কৰ্মী মানুহৰ মন কু-কৰ্মৰ পৰা সদায়েই আঁতৰত অৱস্থিত। কিয়নো কৰ্মত ব্ৰতী সকলে আনৰ ক্ষতিৰ কথা ভাবিব সহজতে নোৱাৰে। অৱশ্যে দুই এক ব্যতিক্ৰমো আছে। কৰ্মজীৱনৰ ব্যস্ততাৰ মাজতো কিন্তু ইজনে সিজনক অকণমান হ'লেও সময় উপহাৰ দিয়া নিতান্তই প্ৰয়োজনীয়। সেই সময় খিনিত সুখ -দুখৰ ভাগ বতৰা কৰা হয়। প্ৰেমক সফল ৰূপত জীয়াই ৰাখিবলৈ হ'লে দুয়ো - দুয়োখন ঘৰৰ মানুহক সন্মানৰ চকুৰে চোৱা অতি প্ৰয়োজনীয়। অপ্ৰকাশিত হ'লেও নিজৰ ঘৰৰ মানুহক সন্মানৰ চকুৰে নোচোৱাটো কোনেও সহ্য কৰিব নোৱাৰে। সহ্যৰ ভাও ধৰি থাকিলেও বিস্ফোৰণ কেতিয়া ঘটিব কোনেও ক'ব নোৱাৰে। সেয়েহে প্ৰেমত ইজনে সিজনক সন্মান প্ৰদান কৰা উচিত। বিশেষকৈ বিশ্বাস হৈছে প্ৰেমৰ চাবিকাঠিৰ নিচিনা। কিয়নো বিশ্বাস দিলেহে বিশ্বাস লাভ কৰিব পাৰি। বিশ্বাসঘাতকতা হৈছে সমাজৰ মাৰাত্মক শত্ৰু। ভুল সকলোৰে হয় নাইবা হ'ব পাৰে কিন্তু ভুলৰ ক্ষমাও থাকে। ক্ষমা হৈছে মানুহে কৰা ধৰ্মৰ মূল ভেটিটো। নিজৰ পৰৰ মনোভাৱ প্ৰকাশ হ'লে সকলো মানুহেই দুখ অনুভৱ কৰে। মাকক সকলো মানুহেই অত্যন্ত ভাল পায় ই ধ্ৰুৱ সত্য। সেই বুলিয়েই আনক কন্দুৱাই হেয় কৰাটো জৰুৰী নহয় আৰু এয়া গৰ্হিত। প্ৰেম এওঁলোকৰ কাৰণে পবিত্ৰ নহয় যিসকলে অনবৰতে সন্দেহ কঢ়িয়াই ইজনে আনজনক ওচৰতে ৰখাৰ চেষ্টা কৰে। প্ৰেম হৈছে দূৰত্বত থাকিও ওচৰত থকাৰ অনুভূতি ইয়াক কোনেও নুই কৰিব নোৱাৰে। প্ৰেম কৰিলে মাত্ৰ সংগী জনকেই নহয় তেওঁৰ ঘৰৰ প্ৰত্যেক জনকে কৰক।



আপোনাৰ প্ৰেমিক বা প্ৰেমিকাৰ যেনেদৰে দোষ থাকিলে আপুনি শুদ্ধ পথলৈ ওভতাই আনিবলৈ যত্নপৰ ঠিক তেনেদৰে ঘৰৰ কাৰোবাৰ কিবা দোষ থাকিলেও শুধৰণিৰ চেষ্টা কৰিলে নিশ্চয় সুফল পোৱা যায়। ক'বলৈ গ'লে এই সকলোখিনি আটায়েই জানেই কিন্তু পালনহে নকৰে কাৰণ এই খিনি কথা গুৰুত্বসহকাৰে বুজিবলৈ হ'লে মানুহে টকা খৰচ কৰিব লাগিব বুলি ভাবিয়েই এইবোৰ পালন কৰিব নোখোজে। কিন্তু এনেকুৱা সস্তীয়া কথাবোৰ তেওঁলোকে হৃদয়েৰে গ্ৰহণ কৰে যিয়ে সস্তীয়া মনোভাৱৰ সস্তীয়া পৰিৱেশত ডাঙৰ-দীঘল হৈ আহিছে অন্যথা সকলোৰে বুজাবুজিৰ মাজেৰে সুন্দৰ পৰিকল্পনাৰে সামাজিক প্ৰাণী হিচাপে জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হয়। অন্যথা নিজৰ সংসাৰ ধৰ্মত ব্যৰ্থ হৈ সমাজৰ আৱৰ্জনাৰ নিচিনাহে হ'ব। মানৱীয় বিচাৰ-বুদ্ধি, মানৱতা নথকা লোকক দানৱীয় প্ৰাণী হিচাপে পৰিগণিত কৰা হয়। প্ৰেম মানে সন্মান, প্ৰেম মানে বিশ্বাস, প্ৰেম মানেই মানৱতা য'ত স্বাৰ্থই ক্ষুদ্ৰ স্থান লাভ কৰে।

**... প্ৰেমত ইজনে সিজনক সন্মান প্ৰদান কৰা উচিত। বিশেষকৈ বিশ্বাস হৈছে প্ৰেমৰ চাবিকাঠিৰ নিচিনা। কিয়নো বিশ্বাস দিলেহে বিশ্বাস লাভ কৰিব পাৰি। বিশ্বাসঘাতকতা হৈছে সমাজৰ মাৰাত্মক শত্ৰু...**

স্বত্বাধিকাৰী, প্ৰকাশক, মুদ্ৰক আৰু সম্পাদক কুমুদ নাথৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত, ইক' প্ৰিণ্টিং প্ৰেছ, এ, কে, দেৱ ৰোড, কটাহবাৰী, গুৱাহাটী- ৩৫। কাৰ্যালয় ঃ উত্তৰ গুৱাহাটী, অভয়পুৰ, কলেজনগৰ, গুৱাহাটী-৭৮১০৩১, কামৰূপ ■ ফোন ঃ ৯৬৭৮১ ৯৬৫৬৫, ৯৪৩৫১ ০৪২৯৫ (ম) ■ ই-মেইল ঃ Janakalyanbarta2023@gmail.com, bartajanakalyan2023@gmail.com, epaper@www.centralread.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ সম্পাদনা উপদেষ্টা ঃ ডিম্পুল চুতীয়া ■ মুখ্য সম্পাদক ঃ ড° শশীকান্ত শইকীয়া(অবৈতনিক) ■ সম্পাদক ঃ কুমুদ নাথ ■ কাৰ্যবাহী সম্পাদক ঃ প্ৰবোধ চন্দ্ৰ মিশ্ৰ ■ সহকাৰী কাৰ্যবাহী সম্পাদক ঃ দিলীপ কুমাৰ নাথ